NOT FOR ISSUE

# ASSAM LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

NINETH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY
ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS
UNDER SOVEREIGN DEMOCRATIC REPUBLICAN
CONSTITUTION OF INDIA

## BUDGET SESSION

सत्यमेव जयते

**VOL — I**

**NO. 6**

The 28th March, 1989

Price Rs. 18·20

REFERENCE
NOT FOR ISSUE
... INSIDE LIBRARY

# ASSAM LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

NINETH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

सत्यमेव जयते

VOL — I

NO. 6

The 28--th March, 1989

Price Rs. 18·20

**BUDGET SESSION**

Volume I No. **6**

Dated, the **28th March**, 1989

## C O N T E N T S


| | | | Page |
|---|---|---|---|
| 1. Questions and Answers | .. | .. | 1 |
| 2. Miscellaneous | .. | .. | 42 |
| 3. Announcement from the Chair | .. | .. | 42 |
| 4. Calling attention | .. | .. | 44 |
| 5. Matter under Rule 301 | .. | .. | 46 |
| 6. Debates on Governor's Address | .. | ... | 51 |
| 7. Adjournment | .. | .. | 85 |
| 8. Annexure —A, B, C, D, E and F— | .. | .. | 86-96 |

## DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Tuesday, March 28, 1989

The House met at 9 A.M. in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## STARRED

### Questions and Answers

( To which oral answers were given )

বিষয় ঃ অসমত জুনিয়ৰ কলেজ স্থাপনৰ আঁচনি ।

শ্ৰীশ্বহিদুল ইছ্লামে সুধিছে ঃ

* ৮১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত নতুনকৈ জুনিয়ৰ কলেজ পতা সম্পৰ্কে চৰকাৰে কিবা আঁচনি লৈছে নেকি ?

(খ) যদি লৈছে, উক্ত কলেজবিলাকৰ পৰিচালনা চৰকাৰীভাৱে কোন বিভাগে তত্ত্বাৱধান কৰিব ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰীয়ে) উত্তৰ দিছে ঃ

(ক) এতিয়ালৈকে লোৱা হোৱা নাই ।

(খ) প্ৰশ্ন নুঠে ।

শ্ৰীশ্বহিদুল ইছ্লাম ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো কৈছে তাত 'নোকোৱাই ভাল' আৰু 'নোপোৱাই ভাল',—এই শব্দ দুটা সংযোজন কৰিবনে ? অকল মোৰ সমষ্টিতে নহয়, প্ৰায়বিলাক সমষ্টিতে 'জুনিয়ৰ কলেজ'ৰ ক্ষেত্ৰত এইবিলাক হৈ আছে। মই নিজেও দুখন কলেজৰ প্ৰেচিডেণ্ট । সেই অভিজ্ঞতাৰ ফালৰ পৰাহে কৈছো যে,মাননীয় মন্ত্ৰী মহোদয়ে এই শব্দ দুটা যোগ দিলে ভাল হয় । 'হায়াৰ চেক্‌ণ্ডেৰী'কে' ভিত্তি কৰি গাৱেঁ-ভূঞে শিক্ষা সম্প্ৰসাৰণৰ কাৰণে ব্যৱস্থা কৰিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি এটা বিশেষ সমস্যাৰ সন্মুখীন হৈছো। 'হায়াৰ চেকেণ্ডাৰী স্কুলসমূহ' চেকেণ্ডাৰী ডিৰেক্টৰেট'ৰ তলত। ইয়াৰ নিয়ন্ত্ৰণ 'হায়াৰ চেকেণ্ডাৰী কাউন্সিল'ৰ তলত। দুটা 'ষ্টেজ'ৰ দুটা অংশ সাঙুৰি আছে কলেজৰ লগত। কলেজসমূহ নিয়ন্ত্ৰণ কৰে বিশ্ববিদ্যালয়ে। একাডেমিক নিয়ন্ত্ৰণ আৰু প্ৰশাসনিক নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কিছুমান খেলি-মেলি হৈ আছে। সেই কাৰণেই চৰকাৰে ইতিমধ্যে গাৱেঁ-ভূঞে যিবিলাক প্ৰাক্ মহাবিদ্যালয় 'ক্লাছ টু ষ্টেজ'ৰ পাতিছে সেইবিলাক প্ৰত্যক্ষভাৱে হায়াৰ চেকেণ্ডাৰী কাউন্সিলৰ দ্বাৰা নিয়ন্ত্ৰিত হয় একাডেমিক ক্ষেত্ৰত। কিন্তু প্ৰশাসনীয় ক্ষেত্ৰত এতিয়াও 'হায়াৰ চেকেণ্ডাৰী ডিৰেক্টৰেট'ৰ তলত আনিব পৰা নাই। তদুপৰি, অন্যান্য সা-সুবিধাবিলাকো দিব পৰা নাই। সেই কাৰণেই ক্লাছ টু ষ্টেজৰ প্ৰাক্ মহাবিদ্যালয়সমূহ প্ৰশাসনীয় স্তৰলৈ আনিবলৈ চেষ্টা কৰা হৈছে। এনে অৱস্থাত কলেজসমূহৰ পৰা দুটা ষ্টেজ আঁতৰাই নিয়াটো সম্ভৱপৰ নহব। জুনিয়ৰ কলেজ-বিলাকৰ ক্ষেত্ৰতো কি কৰিব পৰা যায় এই বিষয়ে সংশ্লিষ্ট সকলোৰে লগত যোগাযোগ কৰি থকা হৈছে।

বিষয়ঃ পানী যোগান আঁচনি।

শ্ৰীপদ্মনাথ কৈৱীয়ে সুধিছেঃ

* ৮২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

বিশ্বনাথ সমষ্টিৰ তেজপুৰ মহকুমাৰ অন্তৰ্গত এটি বৃহৎ অংশ ১ নং আৰু ২ নং চতিয়া গাওঁ পঞ্চায়তত ১৯৮৬ চনৰ পৰা বৰ্তমানলৈকে কেইটা পানী যোগান আঁচনিৰ (পাইপ লাইন স্কীম) ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীশ্বহিদুল আলম চৌধুৰী, (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

বিশ্বনাথ সমষ্টিৰ অন্তৰ্গত ১ নং আৰু ২ নং চতিয়া গাওঁ পঞ্চায়ত এলেকাত ১৯৮৬ চনৰ পৰা বৰ্তমানলৈ কোনো নতুন পাইপ পানী যোগান আঁচনি অনুমোদিত হোৱা নাই।

শ্ৰীপদ্মনাথ কৈৱীঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিছে যে, বিশ্বনাথ সমষ্টিৰ অন্তৰ্গত ১ নং আৰু ২ নং চতিয়া গাওঁ পঞ্চায়ত এলেকাত ১৯৮৬ চনৰ পৰা বৰ্তমানলৈকে কোনো নতুন পাইপ পানী যোগান আঁচনি অনুমোদিত হোৱা নাই। কিয় এনেকুৱা পানী যোগান আঁচনি লোৱা হোৱা নাই মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীশ্বহিদুল আলম চৌধুৰী (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সমষ্টিত ১২ টা পাইপ স্কীমৰ ভিতৰত ৭ টাৰ কাম চলি আছে বাকী ৫ টাৰ কাম পৰ্যায়ক্ৰমে কৰা হ'ব।

শ্ৰীপদ্মনাথ কৈৰী : মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যি কেইটা আঁচনিৰ হিচাপ দিলে সেই কেইটা মোৰ সমষ্টিত নহয়, সেই কেইটা চতিয়া সমষ্টিৰহে অন্তৰ্গত। ইয়াৰ আগৰ মাননীয় মন্ত্ৰী মহোদয় শ্ৰীবৰা ডাঙৰীয়াই আশ্বাস দিয়া মতেই সমষ্টিৰ একলাখ মানুহৰ মুখলৈ চাই তাত অনতি পলমেই খোৱা পানী যোগানৰ আঁচনি লব'নে ?

শ্ৰীখুহিদুল আলম চৌধুৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, পুঁজি সাপেক্ষে কৰা হ'ব।

বিষয় : ঔদ্যোগিক কেন্দ্ৰ।

শ্ৰীভৱত চন্দ্ৰ নৰহে সুধিছে :

* ৮৩। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ৰাজ্যখনত দুটা ঔদ্যোগিক উৎপাদন কেন্দ্ৰ খুলিবলৈ কেন্দ্ৰীয় চৰকাৰে অনুমোদন দিয়া কথাটো সঁচানে ?

(খ) যদি সঁচা উক্ত কেন্দ্ৰ দুটা খুলিবলৈ চৰকাৰে স্থান বাছনি কৰিছেনে ?

(গ) যদি কৰিছে উক্ত স্থান দুটাৰ নামটো জনাবনে ?

শ্ৰীগুণীন হাজৰিকা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) সঁচা।

(খ) স্থান বাছনিৰ কাম চলি আছে।

(গ) বাছনি সম্পূৰ্ণ হ'লে অসম চৰকাৰে ৪ খন ঠাইৰ নাম প্ৰস্তাৱ কৰিব আৰু তেতিয়াহে কেন্দ্ৰীয় চৰকাৰে চূড়ান্ত সিদ্ধান্ত ল'ব।

শ্ৰীভৱত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, লক্ষীমপুৰ জিলাখন উদ্যোগৰ ক্ষেত্ৰত 'জিৰ' বুলি স্বীকৃত হৈ আছে। সেই ফালৰ পৰা চাই তাত এটা উদ্যোগ উৎপাদন কেন্দ্ৰ খোলাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে ?

শ্ৰীগুণীন হাজৰিকা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে পৰীক্ষা-নিৰীক্ষা কৰি ব্যৱস্থা লোৱা হ'ব।

শ্ৰীভৱত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, লক্ষীমপুৰ জিলাতেই আটাইতকৈ চৰকাৰী মাটি বেছি আছে। গতিকে জিলাখনৰ উদ্যোগবিহীন অৱস্থা আৰু মাটিৰ আধিক্যলৈ চাই তাত এনে উদ্যোগ আদি খোলাৰ কথাটো বিশেষভাৱে বিবেচনা কৰিবনে ?

শ্ৰীগুণীন হাজৰিকা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, প্ৰস্তাৱ আহিলে এই বিষয়ে বিবেচনা কৰিব পৰা যাব।

শ্ৰীঅৰুণ ৰাভা : মাননীয় অধ্যক্ষ মহোদয়, গোৱালপাৰা জিলাৰ পৰাও উদ্যোগৰ কাৰণে মাটিৰ প্ৰস্তাৱ কৰা আছে। সেই বিষয়ে কিবা ব্যৱস্থা কৰা হৈছে নেকি ?

শ্ৰীগুণীন হাজৰিকা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে পৰীক্ষা-নিৰীক্ষা কৰি থকা হৈছে।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ কেন্দ্ৰস্থল হিচাপে হোজাই আৰু লামডিঙত কিবা উদ্যোগ কেন্দ্ৰ স্থাপন কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগুণীন হাজৰিকা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে কৈছে যে, কিবা উদ্যোগ কেন্দ্ৰ স্থাপনৰ কথা কৈছে, এইটোনো কি ?

শ্ৰীগোলোক ৰাজবংশী : মাননীয় অধ্যক্ষ মহোদয়, ক'ত ক'ত উদ্যোগ কৰিব পাৰি এই বিষয়ে অসম চৰকাৰে কিবা 'ইনফ্ৰাষ্ট্ৰাকচাৰ'ৰ চাৰ্ভে কৰিছে নেকি ?

শ্ৰীগুণীন হাজৰিকা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, সংশ্লিষ্ট বিভাগে এই বিষয়ে তথ্যপাতি আদি যোগাৰ কৰি আছে।

শ্ৰীকুমাৰ দীপক দাস : অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত ঔদ্যোগিক উৎপাদন কেন্দ্ৰৰ যি মাটি সেই মাটিখিনিৰ কাষেদি নেশ্যনেল হাইৱে আৰু ব্ৰডগজ ৰেল লাইন যোৱাৰ কাৰণে বৰপেটা জিলাৰ পৰা তেনে ঔদ্যোগিক কেন্দ্ৰৰ বাবে প্ৰস্তাৱ দিছে আৰু মাটিৰো ব্যৱস্থা কৰিছে। ইতিমধ্যে বৰপেটাৰ পৰা স্থানীয় ৰাইজ আৰু ছাত্ৰ সন্থাৰ পৰা অহা দাবীৰ সন্দৰ্ভত বৰপেটাতো জিলা উদ্যোগ কেন্দ্ৰ স্থাপন কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগুণীন হাজৰিকা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, বৰপেটা জিলাৰ পৰা প্ৰস্তাৱ আহি পোৱা নাই। প্ৰস্তাৱ আহিলে এইটো বিবেচনা কৰিব পৰা হ'ব।

শ্ৰীভবেন নাজি : আমাৰ নলবাৰীয়ে কি পাপ কৰিলে অধ্যক্ষ মহোদয়, যদি সকলোবোৰ জিলাতে হ'ব পাৰে তেনেহ'লে আমাৰ নলবাৰী জিলাতো ঔদ্যোগিক কেন্দ্ৰ হ'ব লাগে। তাৰ কাৰণে চাৰ্ভে আদি কৰিব নেকি ?

শ্ৰীগুণীন হাজৰিকা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, অসমৰ সকলোবিলাক জিলাৰ উপায়ুক্তৰ পৰা আৰু ডি-আই-চিৰ জেনেৰেল মেনেজাৰসকলৰ পৰা যিভাৱে প্ৰস্তাৱ আছে সেইমতে বিবেচনা কৰা হ'ব।

শ্ৰীকুল বাহাদুৰ চেত্ৰী : অধ্যক্ষ মহোদয়, স্থান নিৰ্ণয় কৰাৰ ক্ষেত্ৰত কিবা কমিটী আছে নে চৰকাৰে নিজে কৰিব। কি পদ্ধতিত স্থান নিৰ্ণয় কৰিব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীগুণীন হাজৰিকা (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এইটোৰ ওপৰত খাটাং সিদ্ধান্ত কেন্দ্ৰীয় চৰকাৰে ল'ব। কিন্তু যিমানবিলাক প্ৰস্তাৱ আছে তাৰ ওপৰত আলোচনা কৰি মন্ত্ৰীসভাত সিদ্ধান্ত লোৱা হ'ব তাৰ পিছত দিয়া হ'ব।

বিষয়: নাহৰকটীয়া সমষ্টিত খোৱা পানীৰ আঁচনি।

শ্ৰীকুসুমৰ টাইবাই গগৈয়ে সুধিছে:

* ৮৪। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ১৯৮৬-৮৭ আৰু ৮৭-৮৮ বছৰটোত নাহৰকটীয়া সমষ্টিত কিমানটা (পাইপ ওৱাটাৰ স্কীম) খোৱা পানীৰ আঁচনি অনুমোদন কৰা হৈছিল ?

(খ) বৰ্তমানলৈকে কেইটা আঁচনি ব্যৱহাৰৰ উপযোগী হৈছে ?

(গ) প্ৰতিটো আঁচনিৰ বিপৰীতে কেইটাকৈ চতুৰ্থ শ্ৰেণীৰ চাকৰিৰ নিযুক্তিৰ ব্যৱস্থা আছে ?

(ঘ) চৰকাৰৰ নিয়ম অনুসৰি এটা আঁচনি কেইবছৰৰ মূৰত সম্পূৰ্ণ হ'ব লাগে ?

(ঙ) যোৱা তিনি (৩) বছৰত বৰ্তমানলৈকে এটাও আঁচনি সম্পূৰ্ণ নোহোৱাৰ কাৰণ কি ?

শ্ৰীশ্বহিদুল আলম চৌধুৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ১৯৮৬-৮৭ বছৰত ৯ টা আৰু ১৯৮৭-৮৮ বছৰটোত ১ টা খোৱা পানী আঁচনি অনুমোদন কৰা হৈছিল।

(খ) ৯ খন আঁচনিৰ কাম চলি আছে আৰু ১ খনৰ কাম মাটি নোপোৱাৰ বাবে আৰম্ভ কৰিব পৰা নাই।

(গ) প্ৰতিটো সম্পূৰ্ণ হোৱা নলীৰে পানী যোগান আঁচনিত কমেও এজন 'পাম্প চালক' আৰু এজন খালাচীৰ আৱশ্যক হয়। কাম চলি থাকোতে দুজনমান খালাচীৰ আৱশ্যক হয়।

(ঘ) আঁচনি অনুমোদনৰ নিয়ম অনুসৰি প্ৰতি আঁচনি ৩ (তিনি) বছৰত সম্পূৰ্ণ হ'ব লাগে।

(ঙ) ওপৰৰ আঁচনিবোৰৰ এতিয়ালৈকে অনুমোদন পোৱাৰ পৰা তিনি বছৰত সম্পূৰ্ণ হোৱা নাই। অৱশ্যে ৮৬-৮৭ ৰ আগতে অনুমোদিত দুৱনীয়া চাক্যগাওঁ আৰু গেঠুগাওঁ নামেৰে আঁচনি তিনিখনেৰে যোৱা তিনি বছৰৰ ভিতৰত পানী যোগান ধৰিবলৈ আৰম্ভ কৰা হৈছে।

শ্ৰীকুসুমৰ টাইৰাই গগৈ : অধ্যক্ষ মহোদয়, ইতিমধ্যে মন্ত্ৰী মহোদয়ে উত্তৰত জনাইছে যে প্ৰতি আঁচনিৰ ম্যাদ তিনি বছৰ আৰু অসম চৰকাৰৰ তৰফৰ পৰা আঁচনিৰ অনুমোদন দিয়া হৈছে। কিন্তু মাটি নোপোৱাৰ কাৰণে লব পৰা নাই বুলিও 'খ' প্ৰশ্নৰ উত্তৰত কৈছে। কথা হ'ল পানী যোগানৰ কাৰণে ইঞ্জিনীয়াৰৰ লগত যোগাযোগ কৰি আঁচনি লোৱাৰ পিছতো তিনি বছৰলৈকে মাটি লব নোৱাৰাৰ কাৰণ কি ? আঁচনিৰ ম্যাদেই হৈছে তিনি বছৰ, তেনে ক্ষেত্ৰত তিনি বছৰলৈকে মাটি লব নোৱাৰাটো কেনে ধৰণৰ কথা বুজিব পৰা নাই। যদি বিভাগৰ ক্ষেত্ৰত এনে উত্তৰ দিয়েই ক্ষান্ত থাকে তেনেহলে আঁচনিবিলাকৰ কাম কেনেকৈ হ'ব ? মই ভাবো কিবা বিভূতি দেখা পোৱা কাৰণেহে বিধায়কসকলে প্ৰশ্নৰ অৱতাৰণা কৰে। সেই দিশলৈ চাই উত্তৰ দিয়েই ক্ষান্ত নাথাকি ইয়াৰ ওপৰত বিভাগীয় মন্ত্ৰী মহোদয়ে বিহিত ব্যৱস্থা লোৱাৰ দিহা কৰিবনে ? আৰু এতিয়ালৈ মাটি নিৰ্ণয় কৰিব নোৱাৰা আঁচনিকেইটাৰ বিষয়ত মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা লৈছে জনাবনে ?

শ্ৰীশ্বহিদুল আলম চৌধুৰী (মন্ত্ৰী) : সদনত এজন মন্ত্ৰীয়ে উত্তৰ দিয়াৰ বাহিৰেও যদি তেখেতসকলৰ কিবা থাকে সেইটো ব্যৱস্থা লোৱা হ'ব। দ্বিতীয়তে, ডিভিজনৰ পৰা তাৰ ভিতৰতে মাটি নোপোৱাৰ কাৰণে অসুবিধা হয়। মাননীয় সদস্যই কৰা প্ৰশ্নৰ উত্তৰ দিয়াৰ বাহিৰেও তাৰ ওপৰত কাৰ্য্যকৰী ব্যৱস্থা বিভাগৰ লগত আলোচনা কৰি লোৱা হয়। এইটো সোনকালে কৰা হ'ব।

শ্ৰীকুসুমৰ টাইৰাই গগৈ : অধ্যক্ষ মহোদয়, ইতিমধ্যে দিয়া প্ৰশ্নৰ উত্তৰত আমি সন্তুষ্ট হব পৰা নাই। মাত্ৰ ক'ব লাগে কাৰণে কৈছে যেন পাওঁ। ১৯৮৬-৮৭ চনত ৯ টা আৰু ১৯৮৭-৮৮ চনত ৬ টা মুঠতে ১৫ টা আঁচনিৰ ভিতৰত এটাৰ দ্বাৰাও পানী যোগান দিব পৰা নাই। গতিকে জিলা কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰি কিয় তিনি বছৰ পিছতো এটাও পানী দিব পৰা নাই অথচ ব্যৱস্থা কৰিব পৰা নাই ? লগতে অন্যান্য জিলাৰ পানী যোগান আঁচনিবিলাক খৰতকীয়া কৰাৰ কাৰণে ব্যৱস্থা লোৱাৰ কাৰণে নিৰ্দেশ দিবনে ?

শ্ৰীশ্বহিদুল আলম চৌধুৰী (মন্ত্ৰী) : ইতিমধ্যে আঁচনিবিলাকৰ কাম চলি আছে। বাকী কাম শীঘ্ৰে সম্পূৰ্ণ কৰাৰ চেষ্টা কৰা হ'ব।

Re : Kakripara Pipe Line Scheme.

**Shri Aminul Islam, asked :**

* 85. Will the Minister, Public Health Engineering be pleased to state :

(a) At what stage the Kakripara pipe line scheme in Mankachar Legislative Assembly constituency stands at present ?

(b) Whether the Government will be able to commission the scheme before the ensuring Monsoon ?

**Shri Shahidul Alam Choudhury** ( Minister, Public Health Engineering ) replied :

(a) Installation of Deep Tube Well, Grade IV Staff Quarter and approach road already completed. 85% of distribution system and 30% of site development done, Work orders issued for construction of Raw Water Pump House, construction of compound fancing and internal electrification work orders for underground service Reservoir and treatment plant are in the process of issue.

(b) Government will try to commission the scheme by the next financial year.

**Shri Aminul Islam** : Hon'ble Mr. Speaker, Sir, I have got two supplementaries. My first question is in which year the first work orders as issued to the Contractor for the construction of Raw Water Pump House etc. The second question is that Hon'ble Minister in reply to (b) has stated that Government will try to commission the scheme by the next financial year. In this connection, may I request the Hon'ble Minister whether he can give an assurance to the House that the scheme will be commissioned within the financial year of 1989-90 instead of 'Trying to commission the scheme by the next financial year'?

**Shri Shahidul Alam Choudhury (Minister)** : Sir, I have already assured that Government will try to commission the scheme by the next financial year.

বিষয় : খোৱাং বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ ।

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে :

* ৮৬। মাননীয় শিক্ষামন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ডিব্ৰুগড় জিলাৰ অন্তৰ্গত খোৱাং বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ গৃহসমূহ দীৰ্ঘদিন ধৰি কোনো মেৰামতিৰ ব্যৱস্থা নকৰাত অতি জৰাজীৰ্ণ অৱস্থাৰ সৃষ্টি হোৱাটো চৰকাৰে জানেনে ?

(খ) যদি জানে উক্ত গৃহসমূহ পুনৰ মেৰামতি কৰিবলৈ ব্যৱস্থা লৈছে নেকি ?

(গ) যদি লৈছে কিমান টকা উক্ত বাবদ মঞ্জুৰী আগবঢ়োৱা হৈছে ?

(ঘ) উক্ত প্ৰশিক্ষণ কেন্দ্ৰ সম্প্ৰসাৰণৰ বাবে চৰকাৰে নতুন গৃহ নিৰ্মাণৰ আঁচনি লৈছে নেকি ?

(ঙ) যদি লৈছে উক্ত আঁচনিত কিমান টকা ধাৰ্য্য কৰিছে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয়, জানো ।

(খ) লোৱা হৈছে ।

(গ) ৯,৫৫,১০০ টকাৰ প্ৰাক্‌কলন ( Plan Estimate ) প্ৰশাসনীয় অনুমোদনৰ বাবে পৰীক্ষা কৰি থকা হৈছে ।

(ঘ) লোৱা নাই ।

(ঙ) প্ৰশ্ন নুঠে ।

শ্ৰীকিৰণ কুমাৰ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰটো অন্য ঠাইলৈ স্থানান্তৰ কৰিবলৈ বিচৰা হৈছে । এইটো সত্য নেকি ? যদি সত্য হয় এইটো কি কাৰণত কৰিব বিচাৰিছে ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই অলপ আগতে কলোৱেই যে, ৯,৫৫,১০০ টকাৰ প্ৰাক্‌কলন প্ৰশাসনীয় অনুমোদনৰ বাবে পৰীক্ষা কৰি থকা হৈছে । গতিকে ঠাই সলনি কৰাৰ কথা নাহে ।

শ্ৰীকিৰণ কুমাৰ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, ২ নং প্ৰশ্নটোত মাটি কম হ'ব বুলি তেনেকুৱা এটা প্ৰশ্ন উঠিছে নেকি ?

মাননীয় অধ্যক্ষ : মন্ত্ৰী মহোদয়ে এই বিষয়ে আগতেই উত্তৰ দিছে ।

**Re : Cachar Sugar Mill.**

**Shri Abdul Muqtadir Choudhury,** asked :

* 87. Will the Minister, Industries be pleased to state :

(a) Steps taken by the Government. as per recommendation of the Kamila Commission for re-opening of the Cachar Sugar Mill?

(b) Whether the Cachar Sugar Mill has been declared as Sick Industries ?

(c) If not, why ?

শ্ৰীগুণীন হাজৰিকা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) কানিল্লা কমিটীয়ে দিয়া প্ৰতিবেদন চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

(খ) কৰা হোৱা নাই ।

(গ) যিহেতু চৰকাৰে কাছাৰ চেনি কলটো পুনৰ্জীৱিতকৰণৰ বিভিন্ন উপায় বিবেচনা কৰি আছে ।

বিষয় : দুধনৈত এটা অগ্নি নিৰ্বাপক বাহিনীৰ কেন্দ্ৰ স্থাপন ।

শ্ৰীঅকণ চন্দ্ৰ ৰাভায়ে সুধিছে :

* ৮৮। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) দুধনৈ সমষ্টিৰ অধীনত 'দুধনৈ'ত এটা অগ্নি নিৰ্বাপক বাহিনীৰ কেন্দ্ৰ স্থাপন কৰাৰ বাবে ৰাজহুৱা দাবীৰ কথা চৰকাৰে জানেনে ?

(খ) যদি জানে তেন্তে এই সম্পৰ্কত কি ব্যৱস্থা হাতত লোৱা হৈছে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয়, জানো ।

(খ) পুঁজিৰ অৱস্থা টনকিয়াল নোহোৱা হেতুকে এই সম্পৰ্কত কোনো কাৰ্য্যকৰী ব্যৱস্থা হাতত ল'ব পৰা হোৱা নাই ।

শ্ৰীঅকণ চন্দ্ৰ ৰাভা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এই কথা জানে । এই সন্দৰ্ভত মই ব্যক্তিগতভাৱে তেখেতৰ লগত আলোচনাও কৰিছিলো । এই বিষয়ে মই জনাব বিচাৰিছো যে চলিত বিত্তীয় বছৰত এই কেন্দ্ৰটো লোৱাৰ কাৰণে আশ্বাস দিব নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে বিবেচনা কৰা হ'ব ।

শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ধেমাজিত অগ্নিনিৰ্বাপক বাহিনীটো কি পৰ্য্যায়ত আছে মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বিভিন্ন ঠাইত অগ্নি-নিৰ্বাপক বাহিনী কি অৱস্থাত আমাৰ হাতত আছে সেইবিলাক পৰ্য্যায়ক্ৰমে বিবেচনা কৰি লোৱা হ'ব ।

**Re : Erosion affected people of Baghbar Mauza.**

**Shri Sheikh Abdul Hamid** asked :

*89. Will the Minister, Revenue & Rehabilitation be pleased to state :

(a) The number of families become landless due to erosion by Brahmaputra in Sonabari, Kishmat Moinbari, Tarakandi, Chatla of Baghbar Mauza ?

(b) The measures taken by the Government. for their rehabilitation?

(c) If not, why ?

**Shri Chandra Arandhara,** ( Minister, Revenue & Rehabilitation ) replied :

(a) 147 families have become landless due to erosion of river Brahmaputra, or its tributaries in Sonabari, Kishmat Moinbari, Tarakandi, and Chatla under Baghbar Mauza.

(b) & (c) Steps are being taken by D.C, Barpeta towards rehabilitation of deserving erosion affected people.

But there being no suitable sarkari land in the Circle for rehabilitation of the families, the district administration will require some time for selection of suitable land for rehabilitation of the families.

শ্ৰীশেখ আব্দুল হামিদ : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে 'এ' প্ৰশ্নৰ উত্তৰত ১৪৭ টা পৰিয়াল বুলি কৈছে। কিন্তু এই সংখ্যাটো ঠিক নহয়। অকল চটলা আৰু তাৰা কান্দিতে বহুত বেছি পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে। গতিকে মন্ত্ৰী মহোদয়ে সঠিক সংখ্যাটো দিয়াৰ ব্যৱস্থা কৰিব নে? আকৌ প্ৰশ্ন 'বি' এও 'চি'ৰ উত্তৰত কৈছে যে ডি. চিয়ে ব্যৱস্থা লৈছে। কিন্তু মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ডি. চিয়ে কি কি ব্যৱস্থা লৈছে জনাব লাগে। মোৰ তৃতীয় প্ৰশ্ন হৈছে মাটি নাই বুলি কৈছে কিন্তু বাঘবৰ অঞ্চলত গোবিন্দপুৰ বিজাৰ্ভত বহুত মাটি আছে তাতেও পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিব নোৱাৰে নে ?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে যিটো সংখ্যা ঠিক নহয় বুলি কৈছে সেইটো আচলতে নহয়। আমি জিলা কৰ্তৃপক্ষৰ পৰা যি তথ্য পাইছো, সেই অনুসৰিহে সদনত জনাইছো। ১৯৮৭ চনত সোণাবৰী গাৱঁত ৯ টা পৰিয়াল, ১৯৮৮ চনত সোণাবৰী গাৱঁত ২৮ টা পৰিয়াল, আকৌ ১৯৮৭ চনত

কিচমত মইনবৰী গাৱঁত ৫১ টা পৰিয়াল, ১৯৮৮ চনত কিচমত মইনবৰী গাৱঁত ১৯ টা পৰিয়াল আৰু ১৯৮৭ চনত চটলা গাৱঁত ৪০ টা পৰিয়াল। ১৯৮৭-৮৮ চনত তাৰাকান্দিত নাই। তেখেতে কি ব্যৱস্থা লৈছে বুলি কৈছে, মাটি আছে বুলিও কৈছে। কিন্তু মাটি থাকিলেও উপপ্ৰতি সমাহৰ্তাৰ পৰা মাটি সম্পৰ্কে এটা প্ৰতিবেদন পাব লাগিব। মণ্ডল কাননগুসকলে দুমাহ ধৰি ধৰ্মঘট কৰাৰ কাৰণে বহুতো কাম ক্ষতিগ্ৰস্ত হৈছে। কাৰণ মাটিৰ ক্ষেত্ৰত লাট মণ্ডল নহ'লে কাম কৰিব নোৱাৰি। এতিয়া তেখেতসকলে কামত যোগদান কৰিছে। গতিকে ক্ষিপ্ৰ ব্যৱস্থা লব পৰা হ'ব।

**Re : Minimum age for admission in Primary School.**

**Shri Digendra Purkayastha asked :**

*90. Will the Minister, Education be pleased to state :

(a) What is the minimum age for admission in the Primary Schools in Assam ?

(b) What is the minimum age for appearing at the High School Leaving Certificate Examination under the Board of Secondary Education, Assam ?,

(c) Is there any Government circular or order in this regard ?

(d) If so, the copies of the orders or circulars may please be furnished on the table of the House ?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) প্ৰাথমিক বিদ্যালয়ত নাম ভৰ্তিকৰণৰ নিম্নতম বয়স ৬ বছৰ।

(খ) হাইস্কুলৰ শেষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ নিম্নতম বয়স ১৫ বছৰ।

(গ) অসম ৰাজ্যিক প্ৰাথমিক শিক্ষা পৰিষদৰ চিঠি আৰু মাধ্যমিক শিক্ষা পৰিষদৰ চিঠি আছে।

(ঘ) প্ৰতিলিপি গাঁথি দিয়া হ'ল ( অনুবন্ধ A আৰু B চাওক )

**Re : Inspectors of Excise Department.**

**Shri Abdul Rob Laskar asked :**

* 91. Will the Minister, Excise be pleased to state :

(a) Whether the Government is aware of the fact that there are only one star and 3 (three) stars indicating the rank of Asstt. Inspector and Inspector of Excise respectively ?

(b) If so whether the 2(two) stars is used to signify any rank ?

শ্ৰীভৃগু কুমাৰ ফুকন (আৱকাৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয় ।

(খ) কোনো শ্ৰেণীৰ আৱকাৰী বিষয়াক সুচাৱলৈ পোছাকত ২ (দুই) তাৰকা ব্যৱহাৰৰ ব্যৱস্থা হোৱা নাই ।

বিষয় : বিদেশী মদৰ দোকান খোলাৰ অনুজ্ঞাপত্ৰ ।

শ্ৰীবলোভদ্ৰ তামুলীয়ে সুধিছে :

* ৯২। মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ বিভিন্ন ঠাইত বিদেশী মদৰ দোকান / বিয়েৰ বাৰ খোলাৰ বাবে অনুমতি বিচাৰি কৰা আবেদনসমূহ বিবেচনা কৰি অনুজ্ঞাপত্ৰ দিয়া হৈছে নেকি ? কিমানখন এনে অনুজ্ঞাপত্ৰ দিয়া হ'ল ।

(খ) যদি হৈছে এতিয়ালৈকে কোন কোন ঠাইত কাক কাক দিয়া হ'ল বিতংভাৱে জনাবনে ?

(গ) যদি দিয়া হোৱা নাই তেন্তে কি কাৰণত দিয়া হোৱা নাই ?

(ঘ) এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীভৃগু কুমাৰ ফুকন (আৱকাৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) বিধিমতে বিবেচনা কৰি থকা হৈছে ।

(খ) বিদেশী সুৰাৰ 'অফ' অনুজ্ঞাপত্ৰ এখন শিলচৰৰ শ্ৰীগৌৰী শঙ্কৰ পালক দিয়া হৈছে । চাৰিখন বিদেশী সুৰাৰ "অন" অনুজ্ঞাপত্ৰ গুৱাহাটীত দিয়া হৈছে । এই অনুজ্ঞাপত্ৰ পাওতাসকল হ'ল (১) হোটেল কুবেৰ ইন্টাৰনেশ্যনেল, (২) হোটেল এয়াৰপোৰ্ট উৰ্বশী বৰঝাৰ, (৩) হোটেল ব্ৰহ্মপুত্ৰ অশোক, (৪) বিজেঞী হোটেল ৫ খন বিয়েৰ "অন" অনুজ্ঞাপত্ৰ গুৱাহাটীত দিয়া হৈছে । এই অনুজ্ঞাপত্ৰ পাওতাসকল হ'ল (১) হোটেল পেৰাডাইজ, (২) প্ৰিন্স হোটেল, (৩) হোটেল এমপেয়াৰ, (৪) হোটেল সম্ৰাট, (৫) শ্ৰীসমৰেন্দ্ৰ শইকীয়া ।

(গ) প্ৰশ্ন নুঠে ।

(ঘ) প্ৰশ্ন নুঠে ।

শ্ৰীবলোভদ্ৰ তামুলী : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে যথেষ্ট লোকে অনুজ্ঞাপত্ৰৰ কাৰণে দৰ্খাস্ত কৰিছে । গতিকে সোনকালে অনুজ্ঞাপত্ৰ দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ সন্মতি পালে ব্যৱস্থা কৰিব পৰা যাব ।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : মাননীয় অধ্যক্ষ মহোদয়, 'অফ' অনুজ্ঞাপত্ৰ আৰু 'অন' অনুজ্ঞাপত্ৰৰ মানে কি জনাব নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, 'অফ' অনুজ্ঞাপত্ৰ সৰু দোকানৰ বাবে আৰু 'অন' অনুজ্ঞাপত্ৰ হোটেলবিলাকৰ কাৰণে ।

শ্ৰীবাৰেন্দ্ৰ দে : মাননীয় অধ্যক্ষ মহোদয়, শিলচৰত এখন দিয়া হৈছে । সেইটো কি ভিত্তিত দিয়া হৈছে জনাব নেকি ? এটা কথা হৈছে যিবোৰ নিবনুৱা আছে তেওঁলোকক দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, নিবনুৱা সমস্যা সমাধান কৰিবৰ কাৰণে চৰকাৰী বিধি অনুসৰি দিয়া হৈছে আৰু যিসকল বাকী আছে সেই সকলকো চৰকাৰী বিধি অনুসৰি দিয়া হ'ব ।

শ্ৰীবাৰেন্দ্ৰ দে : মাননীয় অধ্যক্ষ মহোদয়, কি ভিত্তিত দিয়া হৈছে ? নিবনুৱা নে হেণ্ডিকেপ ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, তেওঁলোকে দিয়া আবেদনবিলাক উপায়ুক্তই পঠিয়ালে আৰু তাৰ পৰা আমালৈ আহিলে সেইদৰে দিয়া হয় ।

শ্ৰীকুমুদেশ্বৰ টাইৰাই গগৈ : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে বিয়েৰ বাৰ লাইচেন্স দিয়াৰ কথা ঘোষণা কৰিছে । সেইমতে হোটেল ব্ৰহ্মপুত্ৰ আৰু কুবেৰৰ নিচিনা ডাঙৰ ডাঙৰ অনুষ্ঠানক এই লাইচেন্স দিয়াতকৈ আমাৰ যিবিলাক শিক্ষিত নিবনুৱা ল'ৰাই আবেদন কৰিছে তেওঁলোকক দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰি নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) : এই বিষয়ে চৰকাৰে বিবেচনা কৰি আছে ।

শ্ৰীবাৰেন্দ্ৰ দে : এই ক্ষেত্ৰত কেন্দ্ৰীয় মন্ত্ৰীয়ে হস্তক্ষেপ কৰাৰ কাৰণে এই ধৰণে কৰা হৈছে নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) : এই ক্ষেত্ৰত কেন্দ্ৰীয় মন্ত্ৰীৰ হস্তক্ষেপত কোনো ব্যৱস্থা কৰা হোৱা নাই ।

**Re : A. R. P. Water Supply Schemes.**

**Shri Manilal Gowala** asked :

* 93. Will the Minister, Public Health Engineering be please to state :

(a) The number of A. R. P. Water Supply Schemes submitted to the Government of India in the year 1988-89 from the Karimganj Division ?

(b) Whether it is a fact that till date no such schemes has been submitted ?

(c) If so, what measures are being taken to obtain sanction of the schemes ?

**Shri Shahidul Alam Choudhury** (Minister, Public Health Engineering) replied :

(a) 36 Nos.

(b) It is not a fact.

(c) Government of India has been moved for the sanction.

বিষয় ঃ ভখুৰা দিয়া প্ৰাথমিক বিদ্যালয় ।

শ্ৰীগোপীনাথ দাসে সুধিছে ঃ

* ৯৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত ভখুৰাদিয়া প্ৰাথমিক বিদ্যালয় গৃহ নিৰ্মাণৰ বাবে ৬১,০৬৫ টকাৰ মঞ্জুৰী দিয়া কথাটো সঁচানে ?

(খ) যদি সঁচা তেন্তে উক্ত বিদ্যালয়ৰ কৰ্তৃপক্ষক মঞ্জুৰীৰ টকা আদায় দিয়া হৈছে নে ?

(গ) যদি হোৱা নাই তেন্তে অতি সোনকালে উক্ত মঞ্জুৰীৰ টকা আদায় দিয়াৰ ব্যৱস্থা কৰিবনে ?

(ঘ) যদি কৰে তেন্তে কেতিয়া কৰা হ'ব জনাবনে ?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সঁচা ।

(খ) নাই ।

(গ)

আৰু—পৰীক্ষা কৰি থকা হৈছে ।

(ঘ)

শ্রীগোপীনাথ দাস : মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৬-৮৭ চনত ভখুৰাদিয়া প্ৰাথমিক বিদ্যালয়ৰ কাৰণে ৬১ হাজাৰ ৬৫ টকা মঞ্জুৰি দিয়া হৈছিল। কিন্তু দুৰ্ভাগ্যবশতঃ এই স্কুলখনে মঞ্জুৰীৰ টকাটো পোৱা নাই। ইয়াৰ আগতেও প্ৰশ্ন কৰোতে বিহিত ব্যৱস্থা লব বুলি কৈছিল আৰু আজিও উত্তৰত কৈছে পৰীক্ষা কৰি ব্যৱস্থা লোৱা হ'ব। গতিকে অতি সোনকালে ব্যৱস্থা লব লাগে আৰু কেতিয়াকৈ লব তাৰ এটা সময় বান্ধি দিব।

শ্ৰীযতীন মালী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এটা কথা হৈছে আমাৰ বিভাগত স্কুলঘৰ নিৰ্মাণৰ কাৰণে যিবিলাক স্কুলৰ নাম অনুমোদন কৰি পঠিওৱা হৈছিল, সেই নাম বিলাক টকা মঞ্জুৰী দিয়াৰ পাছত সাল-সলনি কৰাৰ কাৰণে এনেবোৰ অসুবিধাৰ সৃষ্টি হৈছে। মাননীয় সদস্য দাস ডাঙৰীয়াৰ আগৰ স্কুলখন সলনি কৰিহে এইখন দিয়া হৈছে। নাম সলনি কৰোতে চেক্ৰেটাৰী পৰ্য্যায়ৰ জিলা পৰ্য্যায় বিষয়ালৈকে যাবলগীয়া হয়। গতিকে সোনকালে হ'ব বুলি আশা কৰিছো।

**Re : Raids by Police in Kokrajhar Dist.**

**Shri Amritlal Basumatary** asked :

* 96. Will the Minister, Home be pleased to state :

(a) Whether increase of raids by the Police in Kokrajhar Dist. dwelling houses of the villages, North Narayanpur, Mothambil, Saraibil, Barzabil, Raikhongbori etc. have been damaged ?

(b) If so, what is the quantum of loss sustained by the villages in Gossaigaon Sub-division and whether any compensation has been paid to them ?

(c) If not, why ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) প্ৰাপ্ত তথ্যমতে, এই তালাচী অভিযানত কোনো বাসস্থানৰ ক্ষতি হোৱা নাই।

(খ), (গ) } প্ৰশ্ন নুঠে।

**Re : Transfer of Basic Training School teacher.**

**Shri Gautam Roy** asked :

* 97. Will the Minister, Education be pleased to state :

(a) Whether it is a fact that the Principal, Hailakandi Basic Training Centre has transferred some teachers illegally ?

(b) Whether it is a fact that on being informed about this transfer the Director, Elementary Education, Assam has given an order to District Elementary Officer to cancell all the transfer order ?

(c) Whether it is a fact that the Principal, B. T. C. has not carried out that order ?

(d) If so, what action has been taken by the Government against him.

শ্রীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্রী)য়ে উত্তৰ দিছে :

(ক) অবৈধভাবে বদলিকৰণ কৰা হোৱা নাই।

(খ) হয়।

(গ) যিহেতু সঞ্চালকৰ অনুমোদন সাপেক্ষে বদলি কৰিছে গতিকে নির্দেশ নমনাৰ প্রশ্ন নাহে।

(ঘ) প্রশ্ন নুঠে।

**Shri Gautam Roy** : Sir, after getting all information the Director, Elementary Education ordered cancellation of all transfer orders and accordingly they were cancelled. But the Minister has not mentioned this in his reply to the question. Now, the Principal, BTC, Hailakandi, Shri Gaffor has been there at Hailakandi or two decades. He has now stopped payment of salaries to the teachers resulting in that they are now facing starvation. If this is so, whether Government has taken any action against the Principal ? This is a very serious matter. If no action is taken I will have to resign the membership of this House.

শ্রীবৃন্দাবন গোস্বামী (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, হাইলাকান্দি বুনিয়াদী প্রশিক্ষণ কেন্দ্রৰ অধীনত তিনিখন অভ্যাসন বিদ্যালয় আছে। উক্ত বিদ্যালয়কেইখন সুকলমে চলিবৰ বাবে হাইলাকান্দি বুনিয়াদী কেন্দ্রৰ অধ্যক্ষই প্রাথমিক শিক্ষা সঞ্চালকৰ অনুমোদন সাপেক্ষে ৭ জন শিক্ষক বদলি কৰিছিল। উক্ত বদলিকৰণৰ ভিত্তিত দুজন শিক্ষকৰ পৰা অভিযোগ পাই শিলচৰ জিলা শিক্ষা বিষয়াক বিষয়টো অনুসন্ধান কৰি তাৰ

ওপৰত এটা প্ৰতিবেদন দাখিল কৰিবলৈ কোৱা হয়। আৰু উক্ত বদলিকৰণৰ আদেশ সাময়িকভাৱে স্থগিত কৰিবৰ কাৰণে আদেশ দিয়া হয়। ইতিমধ্যে বিষয়টো সমাধা কৰিবৰ বাবে জিলা শিক্ষা বিষয়াৰ পৰা পুনৰ প্ৰতিবেদন বিচৰা হৈছে।

শ্ৰীরামেন্দ্র দে : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয় জানাবেন কি যে কিসের ভিত্তিতে এই ৭ জন শিক্ষককে বদলি করা হয়েছিল ? এমন কি 'ক্রাইসিস্' ওখানে দেখা দিয়েছিল যারজন্য একটা কেন্দ্রের ৭ জন শিক্ষককে এক সঙ্গে বদলিকরণ করা হয়েছিল এবং পরবর্তী কালে এমন কি পরিস্থিতির উদ্ভব হয়েছিল যার জন্য সেই আদেশ আবার 'চেঞ্জ' করতে হলো ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই এতিয়া কব নোৱাৰিম, কাৰণ জিলা শিক্ষা বিষয়াৰ পৰা প্ৰতিবেদন বিচৰা হৈছে। প্ৰতিবেদন পোৱাৰ পাছতহে দিব পৰা হ'ব। বিভিন্ন কাৰণবশতঃ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট কম হোৱাৰ কাৰণে আমি সাল-সলনি কৰিব লৈছো। কিন্তু মই এতিয়া নিশ্চিতভাৱে ক'ব নোৱাৰিম এই ৭ জন শিক্ষকক কিয় বদলিকৰণ কৰিছে।

**Shri Gautam Roy** : Sir, I am not blaming the Minister. He has not been supplied with all the information by the Department. Our information is that the Joint Director of Elementary Education had been ordered to make an enquiry into the matter and we do not know what had happened to this enquiry. So, I would request the Minister to collect all the information and let us know during the course of this Session and also to see that the teachers get their salaries.

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই কৈছোৱেই যে কি কাৰণত বাতিল কৰা হৈছে মই চাম। আৰু জিলা বিষয়াৰ পৰা এই বিষয়ে প্ৰতিবেদন বিচৰা হৈছে। এইটো সঞ্চালকৰ অনুমোদন লৈ কৰা হৈছে গতিকে বিষয়টো মই চাম।

বিষয় : উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ মহাবিদ্যালয়ৰ অধিগ্ৰহণ।

শ্ৰীদেৱেশ্বৰ বৰাই সুধিছে :

* ৯৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ৰাজ্য চৰকাৰে উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ মহাবিদ্যালয়সমূহৰ প্ৰাদেশিকীকৰণৰ ক্ষেত্ৰত কি নীতি গ্ৰহণ কৰিছে ?

(খ) উচচতৰ মাধ্যমিক মহাবিদ্যালয় ৰাজ্য চৰকাৰে কিমানখনক স্বীকৃতি প্ৰদান কৰিলে ?

(গ) স্বীকৃতিপ্ৰাপ্ত উচচতৰ মাধ্যমিক মহাবিদ্যালয়সমূহলৈ চৰকাৰে তদৰ্থ মঞ্জুৰি (এধক গ্ৰেণ্ট) দিয়াৰ ব্যৱস্থা লৈছে নেকি ?

(ঘ) এতিয়ালৈকে ৰাজ্য চৰকাৰে স্বীকৃতিপ্ৰাপ্ত এই মহাবিদ্যালয়সমূহলৈ কিবা আৰ্থিক মঞ্জুৰী দিছে নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) এতিয়ালৈকে প্ৰাদেশিকীকৰণৰ কোনো সিদ্ধান্ত চৰকাৰে লোৱা নাই।

(খ) ৪৭ খন।

(গ) চৰকাৰে চিন্তা কৰি আছে।

(ঘ) 'গ' প্ৰশ্নৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

শ্ৰীদেবেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়, 'ঘ' প্ৰশ্নৰ উত্তৰত প্ৰশ্ন নুঠে বুলি কৈছে। যিবিলাক হায়াৰ চেকেণ্ডাৰী স্কুল আছে সেই স্কুলসমূহলৈ চৰকাৰে তদৰ্থ মঞ্জুৰি ১০ হেজাৰ টকা হিচাপে দিয়াটো সঁচা নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই আগৰ প্ৰশ্নৰ উত্তৰতেই কৈছো যে এডমিনিষ্ট্ৰেটিভ ডিচিপ্লিনবিলাক নোহোৱাৰ কাৰণে বা নীতি বিলাক সম্পূৰ্ণভাৱে সিদ্ধান্ত কৰিব নোৱাৰাৰ কাৰণে কিছু অসুবিধা হৈছে। হায়াৰ চেকেণ্ডাৰী স্কুলবিলাক আগতে ডি, পি, আইৰ তলত আছিল। তেতিয়া তেওঁলোকক লাম-চাম এটা গ্ৰেণ্ট দিয়া হৈছিল। কিন্তু এতিয়া সাল-সলনি হোৱাৰ পাছত তাৰ কোনো ব্যৱস্থা লব পৰা হোৱা নাই। তথাপিতো কোনো কোনো ক্ষেত্ৰত প্ৰয়োজন অনুসাৰে ১।২ হাজাৰ টকাকৈ দিয়া হৈছে। এতিয়া ডাইৰেক্টৰ চেকেণ্ডাৰী এডুকেচনলৈ অহাৰ পাছত ইয়াৰ এটা ইউনিফৰ্ম ব্যৱস্থা কৰা হ'ব।

শ্ৰীদেবেশ্বৰ বৰা : বৰ্তমান অসমত দুখন বিশ্ববিদ্যালয় আছে। ইয়াৰ তলত যিবিলাক জুনিয়ৰ কলেজ আছে সেইবিলাকক অনুমোদন চৰকাৰে দিব নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : আমি নতুনকৈ কোনো জুনিয়ৰ কলেজ অনুমোদন দিয়া নাই। মূল সিদ্ধান্তটো আমাৰ মন্ত্ৰীসভাত লোৱা হৈছে। নীতি নিৰ্দ্ধাৰণ কৰাৰ পাছতহে বিধিগতভাৱে ব্যৱস্থা কৰা হ'ব। যিখিনি দিয়া হৈছে সেইখিনি আগৰ পৰ্য্যায়তেই দিয়া হৈছে।

শ্ৰীদেবেশ্বৰ বৰা : যিবিলাক কলেজ শিক্ষকে কাম কৰি আছে আৰু চিলেকচনৰ নৰ্মচত নাই তেওঁলোকক ৰিলাক্সচেচন কৰা হব নে নহয় ? কিয়নো ইউ, জি, চিয়ে ফিফ্‌টিফাইভ পাৰচেণ্ট কৰিছে। আনহাতেদি কিছুমান জুনিয়ৰ কলেজ আপগ্ৰেড কৰিছে। এতিয়া সেইসকলৰ ক্ষেত্ৰত ৰিলাক্সচেচনৰ কিবা ব্যৱস্থা কৰিব নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : পৰিকল্পিতভাৱে ব্যৱস্থা নোলোৱাৰ কাৰণে এই অসুবিধাবিলাকৰ সৃষ্টি হৈছে। জুনিয়ৰ কলেজৰ শিক্ষকৰ নৰ্মচৰ ক্ষেত্ৰত ইউ, জি, চিয়ে মানি নলব পাৰে। গতিকে চৰকাৰে এই ক্ষেত্ৰত কোনো ব্যৱস্থা লব নোৱাৰিব।

শ্ৰীদেবেশ্বৰ বৰা : ইউ, জি, চিৰ কথাটো যিহেতু আহিছে তেনে ক্ষেত্ৰত চৰকাৰে আগতীয়াকৈ জনাই দিব লাগে যে এনেকুৱা কলেজসমূহ চৰকাৰে লব নোৱাৰিব। ইতিমধ্যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে কেইবাখনো দিছে কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ে দিয়া নাই। ডিব্ৰুগড় বিশ্ববিদ্যালয়ে পাৰ্মিচন দিয়া ইতিমধ্যে ৩।৪ বছৰ হৈ গ'ল। গতিকে এইটো স্পষ্টভাৱে কৈ দিয়াটো ভাল হব যে ভৱিষ্যতে এনেকুৱা কোনো কলেজক পাৰ্মিচন দিয়া নহব।

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : এই সমস্যা হব বুলিয়েই আমি দুয়োখন বিশ্ববিদ্যালয়কেই অনুৰোধ কৰিছিলো আৰু এই সম্পৰ্কে আলোচনা কৰাও হৈছিল। ইতিমধ্যে যিবিলাক কলেজ বিশ্ববিদ্যালয়ে পাৰ্মিচন দিছে বৰ্তমান সমস্যা হোৱাৰ কাৰণে কোনো অনুদান দিয়া নাই।

শ্ৰীগিৰীণ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৮ চনতেই লেঙ্গুৱেজ চাবজেক্টৰ ক্ষেত্ৰত ইউ, জি, চি নৰ্মচত ৰিলাক্সচেচন দিয়া হৈছিল, লেঙ্গুৱেজত ৪৮ পাৰচেণ্ট দিয়া হৈছিল আৰু অন্যান্য বিষয়ত ৫০ পাৰচেণ্টলৈ দিয়া হৈছিল। কিন্তু ইউ, জি, চি নৰ্মচ হ'ল ফিফ্‌টিফাইভ। এতিয়া এই শিথিলকৰণ বাতিলকৰণ কৰা হৈছে নকি ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : প্ৰথম অৱস্থাতেই ইউ, জি, চিয়ে নৰ্মচ কৰি দিয়াৰ ক্ষেত্ৰত এই নৰ্মচটো ষ্ট্ৰিকলি অনুকৰণ কৰা নহল। কিছু কিছু ক্ষেত্ৰত ৰিলাক্সচেচন কৰি দিয়া হৈছিল যাৰ ফলত কিছুমান খেলি-মেলিৰ সৃষ্টি হৈছিল। কিছুমান বিষয়ত ফিফ্‌টি টু পাৰচেণ্টলৈ নমাই দিয়া হৈছিল। এই ক্ষেত্ৰত অনুগ্ৰহ কৰাৰ কাৰণে এটা খেলিমেলি সৃষ্টি হৈছে। আমাৰ বিশ্ববিদ্যালয়বিলাক লেঙ্গুৱেজৰ শিক্ষক পোৱা কঠিন কাৰণে কোনো কোনো ফোৰটিচেভেন পইণ্ট হাফ পাৰচেণ্টলৈ নমাই দিয়া হৈছিল আৰু অইন বিলাকৰ চাবজেক্টৰ ক্ষেত্ৰতো প্ৰয়োজন অনুসৰি কিছু ৰিলাক্সচেচন কৰা হৈছিল। নৰ্মেল বাজেটৰ ভিতৰত আগৰ যিখিনি ধন আহিছিল এই ক্ষেত্ৰত সেইটো কেন্দ্ৰীয় চৰকাৰৰ পৰা আহিছিল। অক্টোবৰ মাহত ইউ, জি, চিৰ নৰ্মচটো ৰিভাইচ

কৰিলে। এটইটি পাবচেণ্ট কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা আহিব। আগৰ চৰকাৰে শিথিলকৰণৰ ব্যৱস্থা লৈছিল, এতিয়া শিথিলকৰণৰ ব্যৱস্থা বাতিল কৰা হ'ব।

শ্ৰীগিৰীণ বৰুৱা : আমাৰ যিসকল শিক্ষকক শিথিলকৰণ কৰি নিযুক্তি দিছে সেই সকলৰ অৱস্থা এতিয়া কি হ'ব ? সেই সকলৰ দায়িত্ব চৰকাৰে লব নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : শেহতীয়া সিদ্ধান্ত হোৱাৰ পাছত কোনো শিক্ষকক অনুমোদন দিয়া হোৱা নাই। এজন শিক্ষকক নিয়োগ কৰাৰ ক্ষেত্ৰত কেইবাটাও স্তৰ পাৰ হৈ শেষৰ স্তৰটো হ'ল ডি, পি, আইৰ পৰা অনুমোদন লব লাগে। গতিকে যি সকলক এপ্ৰোভেল দিয়া নাই সেইসকলক নিযুক্তি দিয়াৰ প্ৰশ্ন নুঠে।

**Shri A. F. Golam Osmani** : Sir, I have a supplementary. It is a very serious question in view of the financial crisis that is present in the Budget placed before the House yesterday. The Education Minister has said that because of the implementation of the recommendation of the UGC the financial liability created thereby the UGC will bear 80 % of the arrears. That will be granted up to 1988-89. Would he also clarify whether after 1988-89 the entire burden will fall on the State Government and whether the State Government would be in a position to meet the liability whether currently in existence or which will come into existence by way of giving approval, from the State exchequer after 1988-89. Whether he has issued a circular to the effect that no permission for starting this type of colleges will be allowed unless UGC norm is strictly followed ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ শেহতীয়া যিটো নীতি নিৰ্দ্ধাৰণ কৰা হৈছে সেইটো প্ৰায়বিলাক ঠাইতেই গ্ৰহণ কৰা হৈছে। ৰাজ্য চৰকাৰে উচ্চ শিক্ষা সম্প্ৰসাৰণৰ কাৰণে আৰু শিক্ষা উন্নয়ন বিকাশ সাধনৰ কাৰণে শিক্ষকসকলক যিমানখিনি সা-সুবিধা দিব পাৰি তাৰ প্ৰতি আমি পক্ষপাতী আৰু সেই কাৰণেই উদ্যোগী আৰু মেধাসম্পন্ন লোকক শিক্ষাৰ লগত জড়িত কৰিবৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। চৰকাৰে এইখিনি কাৰ্য্যকৰী কৰিব পাৰিব বুলিয়েই সিদ্ধান্ত লোৱা হৈছে আৰু ইতিমধ্যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই নাইন ফাইনেন্স কমিচনত এইখিনি অনুমোদন পাবৰ কাৰণে অনুৰোধ জনাইছে। অন্যান্য ফৰামতো এই বিষয়ে আলোচনা কৰা হৈছে। দ্বিতীয় কথা হৈছে উচ্চ শিক্ষাৰ বিকাশ আৰু প্ৰসাৰতাৰ কাৰণে অসমীয়া মাধ্যমত আৰু বড়ো মাধ্যমত অগ্ৰাধিকাৰ দিয়া হৈছে। কিন্তু বিশ্ববিদ্যালয় লেভেলত বড়ো ভাষাটো এতিয়ালৈকে আনিব নোৱাৰা কাৰণে কলেজবিলাকত বড়ো ভাষা প্ৰয়োগ কৰাত অসুবিধা হৈছে।

সেই কাৰণে বড়ো ভাষাটো বিশ্ববিদ্যালয় পৰ্য্যায়লৈ লৈ যাব পৰা নাই। এনেকুৱা বিলাক কাৰণতেই কোনো কোনো ক্ষেত্ৰত শিথিলকৰণ কৰিবলৈ বাধ্য হৈছো। কিয়নো কেতবোৰ বিষয়ত ইউ, জি, চি নৰ্মচত পৰাকৈ শিক্ষক পোৱাটো টান আৰু সেই কাৰণেই কোনো কানো ক্ষেত্ৰত শিথিলকৰণৰ ব্যৱস্থা লোৱা হৈছিল। যদিও এতিয়া নতুনকৈ বিলাক্সেচচনৰ প্ৰস্তাৱ অহা নাই। এই ক্ষেত্ৰত বিশ্ববিদ্যালয়সমূহৰ অৰ্হতাসম্পন্ন লোক উলিয়াব পৰাকৈ আৰু শিক্ষক নিযুক্তি দিব পৰাকৈ মনোযোগ দিয়াৰ কাৰণে চেষ্টা কৰা হৈছে।

**Re : Amount received from Central Government.**

*Dr.* **Ardhendu Kumar Dey** asked :

*99. Will the Minister, Relief & Rehabilitation be pleased to state ?

(a) Total amount of money received from the Central Govt. for the last devastating flood in Assam ?

(b) What is the amount allotted to the Agricultural department from this fund last year ?

(c) Whether the complete amount of money received under this head was properly disbursed ?

**Shri Chandra Arandhara** (Minister, Relief & Rehabilitation) replied.

(a) So far Rs. 4362.50 lakhs has been received from Central Government for flood relief etc. during 1988.

(b) Rs. 585·00 lakhs has been allotted to Agriculture Department for 1988 flood damage repair etc.

(c) Yes.

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয় উত্তরে বলেছেন যে কৃষি বিভাগে এই টাকা দিয়েছেন এবং প্রশ্ন 'সি'র উত্তরে বলেছেন যে কেন্দ্রীয় সরকার থেকে রিলিফের জন্য যে টাকা এসেছিল তা প্রোপারলি ইউটিলাইজ করা হয়েছে। মাননীয় মন্ত্রী মহোদয় কি জানেন যে উনার ডিপার্টমেণ্ট ডিসবারসিং অথরিটি হিসাবে যে টাকা ডিসবার্স করেছে তা প্রকৃতপক্ষে ইউটিলাইজ হয়ে থাকলে তিনি কি প্রত্যেক বিভাগ

থেকে আজ পর্য্যন্ত এ ব্যাপারে ইউটিলাইজ সার্টিফিকেট পেয়েছেন ? যদি পেয়ে না থাকেন তবে তা পাবার কোন ব্যবস্থা করেছেন কি ?

শ্ৰীচন্দ্ৰ আৱৰ্দ্ধৱা (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে যিটো পৰিপূৰক প্ৰশ্ন কৰিছে সেইটো মূলতঃ কৃষিবিভাগ সম্পৰ্কীয়। এই সংক্ৰান্তত কৃষি-বিভাগৰ ফালৰ পৰা আমাৰ হাতত যিখিনি সমল আছে সেইখিনি হৈছেঃ

The Revenue Department has already allotted the whole amount as per above ceiling to the Agriculture Department and in turn the Agriculture Department has incurred expenditure in full as reported by them.

Agriculture Department has disbursed the amount with different Agricultural officer etc. as shown below.

The amount allotted to the Agriculture Department by Revenue Department during the current financial year 1988-89 under flood relief was disbursed as under.

1. To District Agricultural officers concerned Rs. 346,250.00 for raising of Sali seedlings.

| | | | |
|---|---|---|---|
| 1. Nalbari | .. | Rs. | 18,750.00 |
| 2. Kamrup | .. | ,, | 25,000.00 |
| 3. Darrang | .. | ,, | 25,000.00 |
| 4. Nagaon | .. | ,, | 1,12,500.00 |
| 5. Jorhat | .. | ,, | 40,000.00 |
| 6. Sibsagar | .. | ,, | 25,000.00 |
| 7. Dibrugarh | .. | ,, | 25,000.00 |
| 8. Karimganj | .. | ,, | 5,000.00 |
| 9. Karbi Anglong | .. | ,, | 70,000.00 |

2. To Deputy Commissioners concerned Rs. 45,65,750.00 for procurement of Sali seed/seedlings.

| | | | |
|---|---|---|---|
| 1. Dhubri | .. | Rs. | 4,03,750.00 |
| 2. Goalpara | .. | ,, | 2,50,000.00 |
| 3. Kokrajhar | .. | ,, | 1,50,000.00 |
| 4. Barpeta | .. | ,, | 2,75,000.00 |

| | | | |
|---|---|---|---|
| 5. Nalbari | .. | ,, | 2,50,000.00 |
| 6. Kamrup | ... | ,, | 3,75,000.00 |
| 7. Darrang | .. | ,, | 2,37,000.00 |
| 8. Sonitpur | .. | ,, | 2,50,000.00 |
| 9. Nagaon | .. | ,, | 6,75,000.00 |
| 10. Golaghat | .. | ,, | 2,50,000.00 |
| 11. Jorhat | .. | ,, | 3,25,000.00 |
| 12. Sibsagar | .. | ,, | 2,25,000.00 |
| 13. Dibrugarh | .. | ,, | 2,75,000.00 |
| 14. Lakhimpur | .. | ,, | 2,50,000.00 |
| 15. Cachar | .. | ,, | 1,50,000.00 |
| 16. Karimganj | .. | ,, | 1,25,000.00 |
| 17. Karbi Anglong | .. | ,, | 1,00,000.00 |

| | |
|---|---|
| 3. To Assam Seed Corporation for supply of Rabi seeds. | Rs. 4,89,38,000.00 |
| 4. Amount being disbursed to the Deptt. Field Staff for execution of the scheme for sand remove in the flood affected areas. | Rs. 46,00,000.00 |

ডাঃ অৰ্ধেন্দু কুমাৰ দে : মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন আছিল যে এই ক্ষেত্ৰত যিবোৰ টকা খৰচ কৰা হ'ল সেইবোৰৰ বাবে ইউটিলাইজেচন চাৰ্টিফিকেট পোৱা হৈছে নে নাই ?

শ্ৰীচন্দ্ৰ আৱন্ধৰা (মন্ত্ৰী) : ইউটিলাইজেচন চাৰ্টিফিকেট সকলো জিলাৰ পৰা পে'ৱা হোৱা নাই। যিবোৰ জিলাৰ পৰা পোৱা হোৱা নাই সেইবোৰৰ পৰা সোনকালে অনাৰ ব্যৱস্থা কৰা হৈছে।

আব্দুল জলিল ৰাগিবী : অধ্যক্ষ মহোদয়, নগাওঁ জিলাত এই টকাৰ যিমানখিনি অনুদান দিয়া হ'ল তাৰ কিমান অংশ হোজাই মহকুমাত দিয়া হ'ল। দ্বিতীয়তে বালি চাফা কৰা কামৰ কাৰণে হোজাই মহকুমাত কিমান টকা দিয়া হ'ল মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীচন্দ্ৰ আৱন্ধৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে যিটো প্ৰশ্ন কৰিছে সেই ক্ষেত্ৰত প্ৰত্যেক মহকুমা ভিত্তিত পৰিসংখ্যা আমাৰ হাতত নাই। এই

টকা জিলা ভিত্তিত দিয়া হৈছিল আৰু কৃষি বিভাগেহে এই টকাৰ আৱণ্টন দিছিল বাবে তেওঁলোকৰ ফালৰ পৰাহে বিতং তথ্য দিব পাৰিব ।

আব্দুল জলিল ৰাগিবী : হোজাই মহকুমাত বালি চাফা কৰাৰ কাৰণে কিমান টকা পালে সেইটো জনাব পাৰিব নেকি ?

**Shri Chandra Arandhara (Minister)** : It is the responsibility of the Revenue Department to allot the amount to the concerned department who in turn disburse the amount and submit the utilisation certificate. The revenue department in no way is responsible to send people to collect the utilisation certificate.

Re : **Construction of L. P. & M. E. Schools.**

শ্ৰীশান্তিৰঞ্জন দাসগুপ্তই সুধিছে :

*100. Will the Minister, Education be pleased to State :

(a) The L. P. and M. E. Schools are to be taken up for construction during 1988-89 (List may be placed on the table of the House)

(b) The quota of building construction for each constituency ?

(c) The amount to be granted for construction of each school ?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) নাই ।

(খ)
(গ) } প্ৰশ্ন নুঠে ।

বিষয় : প্ৰাথমিক বিদ্যালয়ত নামভৰ্তিকৰণৰ বাবে নাম পঞ্জীয়ন ।

শ্ৰীসুৰেন স্বৰ্গিয়াৰীয়ে সুধিছে :

৬৪। মাননীয় ৰাজ্যিক শিক্ষামন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি কৰিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীসকলৰ নাম পঞ্জীয়নভুক্ত কৰিব লাগে এই কথাটো সঁচানে ?

(খ) যদিহে সঁচা এই নিয়মটো কেতিয়াৰ পৰা কাৰ্য্যকৰী কৰা হৈছে ।

(গ) নামবোৰ ক'ত কেনেকৈ পঞ্জীয়নভুক্ত কৰিব লাগে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীযতীন মালী ( বাণিজ্যিক শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) সঁচা ।

(খ) ২৪-৬-৮৮ ইং তাৰিখৰ পৰা ।

(গ) নগৰ এলেকাত পৌৰসভাৰ কাৰ্য্যালয়ত আৰু গাওঁ এলেকাত স্বাস্থ্য কেন্দ্ৰত নাম পঞ্জীভুক্ত কৰিব লাগে ।

Re : **Illicit liquor production.**

**Shri Shio Sambhu Ojha** asked :

65. Will the Minister, Excise be pleased to state :

(a) Whether Government is aware about the increase of production of illicit liquor in the villages of Tinsukia Sub-division ?

(b) If so, what steps Govternment has taken or proposed to be taken to check the production of illicit liquor ?

শ্ৰীভৃগু কুমাৰ ফুকন ( আবকাৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) তিনিচুকীয়া মহকুমাৰ গ্ৰাম্যাঞ্চলৰ কিছুমান ঠাইত চুলাই মদৰ উৎপাদন হৈ থকাটো চৰকাৰৰ অৱগত হৈছে । কিন্তু তেনে চুলাই মদৰ উৎপাদন বৃদ্ধি হোৱা কথাটো সঁচা নহয় ।

(খ) প্ৰশ্ন নুঠে ।

Re : **Venture L. P. Schools in Tea & Ex-Tea Garden area of Lakhipur.**

**Shri Dinesh Prasad Goala** asked :

66. Will the Minister, Education be pleased to state :

(a) What is the total number of venture L. P. Schools in Tea and Ex. Tea Garden areas of Lakhipur constituency under D. I. of Schools Silchar ?

(Please furnish the date of establishment, names of the schools and names of the teachers with address on the table of the House).

শ্রীযতীন মালী (বাজ্যিক শিক্ষামন্ত্রী)য়ে উত্তৰ দিছে :

(ক) আৱশ্যকীয় তথ্য সংগ্ৰহ কৰি থকা হৈছে। তথ্য পালেই সদনত দাখিল কৰিব পৰা যাব।

বিষয়: উপ-সংমণ্ডল আৰু সংমণ্ডল স্থাপন।

শ্ৰীবক্লেশ্বৰ সৰকাৰে সুধিছে :

৬৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) উত্তৰ শালমাৰা মহকুমাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উপ-সংমণ্ডল আৰু সংমণ্ডল কাৰ্যালয় মহকুমাৰ সদৰ ঠাই অভয়াপুৰীত স্থাপন নোহোৱাৰ কাৰণ কি ?

(খ) মহকুমাৰ বৃহৎ সংখ্যক ৰাইজৰ স্বাৰ্থৰ প্ৰতি চিন্তা কৰি অনতিপলমে অভয়াপুৰীত উক্ত কাৰ্যালয় দুখন স্থাপন কৰিবনে ?

শ্ৰীছাহিদুল আলম চৌধুৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) কামৰ সুবিধাৰ বাবে অভয়াপুৰীত থকা কামবোৰ বঙাইগাঁৱত থকা সংমণ্ডল আৰু উপ-সংমণ্ডলে চোৱা চিতা কৰে।

(খ) বৰ্তমানে চিন্তা কৰা হোৱা নাই।

**Re : Unnatural death cases.**

**Shri A. F. Golam Osmani** asked :

68. Will the Minister Home be pleased to state ?

(a) The number of unnatural death cases reported from Cachar and Karimganj Districts during the 2nd quarter (April to june) of 1989 ?

(b) How many of these cases were due to accident from contaminated Kerosene. (Please furnish figures according to Police Station).

(c) What actions have been taken to bring the person or persons responsible to book ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) এই সময়ছোৱাত কাছাৰ জিলাত ১৮ টা আৰু কৰিমগঞ্জ জিলাত ৩১ টা অস্বাভাৱিক মৃত্যুৰ গোচৰ পঞ্জীভুক্ত কৰা হয়।

(খ) কাছাৰ জিলাত ভেজাল কেৰাচিন সংক্ৰান্তত জুলি কোনো এজনৰ মৃত্যু হোৱা নাই। কৰিমগঞ্জ জিলাত ৯ টা ভেজাল কেৰাচিন সংক্ৰান্তত জুলি মৰা গোচৰ ৰুজু কৰা হয়। থানা অনুযায়ী গোচৰবোৰ এনে ধৰণৰ:

কৰিমগঞ্জ থানা—২ টা
ৰাটাবাৰী থানা—৩ টা
পাথাৰকান্দি থানা—৩ টা
বদৰপুৰ থানা—১ টা

মুঠ ৯ টা

(গ) গোচৰবোৰ বৰ্তমান তদন্তাধীন।

বিষয়: দলগাওঁ থানাৰ অন্তৰ্গত খাৰুপেটীয়া আৰক্ষী চকীটো পুৰ্ণাঙ্গ থানালৈ পৰিৱৰ্তিত কৰাৰ বাবে সোধা প্ৰশ্ন।

শ্ৰীআব্দুল জব্বৰে সুধিছে:

69. **Will the Minister, Home be Pleased to State:**

(a) Whether the Kharupetia out Post under Dalgaon P.S. is going to be converted into a P.S. ?

(b) If so, When ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) এই বিষয়ে কোনো প্ৰস্তাৱ বৰ্তমান চৰকাৰৰ ওচৰত নাই।
(খ) প্ৰশ্ন নুঠে।

বিষয়: এল পি, এম, ই স্কুলৰ গ্ৰাণ্ট সম্পৰ্কে।

শ্ৰীনৰেন তাঁতীয়ে সুধিছে:

* ৭০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) এই বছৰ এল, পি আৰু এম, ই স্কুলৰ বিল্ডিং গ্ৰাণ্ট দিয়াৰ বাবে কিবা ব্যৱস্থা হাতত লৈছে নে আৰু যদি লৈছে কেনে ব্যৱস্থা লৈছে ?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) অপাৰেচন ব্লেক বোৰ্ড আৰু অনুসূচিত জাতি উপ-পৰিকল্পনাৰ (এছ, চি, পি) অধীনত কিছুমান প্ৰাইমাৰী স্কুল ঘৰ সজাৰ বাবেহে আৰ্থিক অনুদান দিয়াৰ ব্যৱস্থা কৰা হৈছে।

Re : **Venture L. P. Schools.**

**Shri Dileswar Tanti** asked :

71. Will the Minister, Education be pleased to state :

(a) What is the total number of venture L. P. Schools as on February, 1989 in Tinsukia Sub-division ?

(List of such venture L. P. Schools of the concerned Sub-division with the dates of establishment of the Schools indicating the Assembly Constituency areas may be furnished on the table of the House).

(b) The names of the Venture Schools provincialised during last five years ?

(List may be furnished on the table of the House).

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) আৱশ্যকীয় তথ্য সঞ্চালকালয়ৰ পৰা বিচৰা হৈছে। তথ্য পালে দাখিল কৰা হ'ব।

(খ) আৱশ্যকীয় তথ্য বিচৰা হৈছে। তথ্য পালে দাখিল কৰা হ'ব।

বিষয় : তিনিচুকীয়া মহকুমাৰ আৱকাৰী পৰিদৰ্শক চক্ৰসমূহৰ ৰাজহ।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

৭২। মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) তিনিচুকীয়া মহকুমাত থকা আৱকাৰী পৰিদৰ্শক চক্ৰসমূহৰ পৰা চৰকাৰী ৰাজহ ১৯৮৬-৮৭, ১৯৮৭-৮৮ আৰু ১৯৮৮-৮৯ চনত কিমানকৈ আদায় হৈছিল ? (চক্ৰ ভিত্তিত দিব)।

(খ) উক্ত মহকুমাত চুলাই মদৰ প্ৰচলন বন্ধ কৰি ৰাজহ বৃদ্ধি কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীভৃগু কুমাৰ ফুকন (আৱকাৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) তিনিচুকীয়া মহকুমাত থকা আৱকাৰী পৰিদৰ্শক চক্ৰসমূহৰ পৰা চৰকাৰী ৰাজহ চক্ৰ অনুযায়ী পোৱা ৰাজহ তলত দেখুৱা হ'ল।

| | | ১৯৮৬–৮৭ | ১৯৮৭–৮৮ | ১৯৮৮–৮৯ ফেব্ৰুৱাৰী মাহলৈকে |
|---|---|---|---|---|
| ১। | তিনিচুকীয়া সদৰ | ৭,০৬,০৫২.১৩ | ১২,২৯,০৭৯.২৫ | ১৩,৮১,৩৬৩.৪৪ |
| ২। | তিনিচুকীয়া ৰেলৱে | ৬৬,২৩৫.৭৮ | ২,৩১,৯৫৭.১৭ | ২,৪৫,৫৫৫.৬১ |
| ৩। | ডুমডুমা | ৯,০৬,৯১৯.৪৪ | ১৬,৩৭,০৩৫.৭৭ | ১৯,২৪,৫৫৩.৬৪ |
| ৪। | কাকপথাৰ | ২,৬৩,০৯৫.০২ | ৫,৪৫,৩৫১.০০ | ৫,০৬,১২০.৪০ |
| ৫। | ডিগবৈ | ৫,৯৯,৩৬৭.৬৪ | ১০,৮৮,৭৩৫.০১ | ১৬,৯৫,৩১৯.১৭ |
| ৬। | মাৰ্ঘেৰিটা | ৭,৪৭,৪৪৫.৮৩ | ১১,৪০,৩৫১.২২ | ১৪,৯৩,৪৩০.৬২ |
| ৭। | ধলা | ১,৯৪,৩০৫.৫০ | ৩,৬০,৫৯৬.৭০ | ৪,২৬,৩৮০.৪০ |

(খ) তিনিচুকীয়া মহকুমাৰ কিছুমান ঠাইত চুলাই মদ বনোৱা আৰু ইয়াৰ বিক্ৰী হৈ থকাটো চৰকাৰৰ অৱগত হৈছে। ৰাজহ বৃদ্ধি কৰাৰ বাবে চুলাই মদৰ ঘাটিবিলাক বন্ধ কৰি পেলোৱা আৰু চুলাই মদ বনোৱা সা-সৰঞ্জামবোৰ জব্দ কৰাৰ বাবে যথাসম্ভৱ সকলো ব্যৱস্থা লৈ থকা হৈছে। চুলাই মদৰ ঘাটিবিলাক ধৰা পেলাবৰ কাৰণে আৱকাৰী বিভাগে পূৰ্ণগতিত অভিযান চলাই আছে। চুলাই মদৰ ব্যৱসায়ৰ সংক্ৰান্তত গ্ৰেপ্তাৰ হোৱা অভিযুক্ত লোকসকলৰ বিৰুদ্ধে আইনসঙ্গত ব্যৱস্থা লোৱা হৈছে।

বিষয়: অনা-আনুষ্ঠানিক শিক্ষক।

শ্ৰীমকবুল হুচেইনে সুধিছে:

৭৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অনা-আনুষ্ঠানিক ( non formal ) শিক্ষকসকলক আনুষ্ঠানিক (formal) শিক্ষক কৰাৰ ব্যৱস্থা আছেনে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) অনা-আনুষ্ঠানিক (non formal) শিক্ষকসকলক আনুষ্ঠানিক ( formal ) শিক্ষক কৰাৰ তেনে কোনো ব্যৱস্থা নাই যদিও চৰকাৰে ২৬।৯।৮৬ তাৰিখৰ ই, পি, জি—২৫।৮৩। অংশ চিঠিৰ জৰিয়তে নিযুক্তিৰ নীতি নিৰ্দেশনাৰ ৫ম দফাত অনা-আনুষ্ঠানিক/ প্ৰাপ্তবয়স্কৰ অধীনত অস্থায়ীভাৱে কাম কৰা প্ৰাৰ্থীৰ বাবে শতকৰা ১০ শতাংশ নিযুক্তি দিয়াৰ ব্যৱস্থা আছে।

বিষয়: চৰকাৰী ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়

শ্ৰীনীলমণি দাসে সুধিছে:

৭৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) দৰং জিলাত কোনো চৰকাৰী ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয় আছেনে ?

(খ) যদি নাই, উক্ত জিলাৰ কিছু ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয় চৰকাৰীকৰণৰ কথা চৰকাৰে বিবেচনা কৰিছে নেকি ?

(গ) শিক্ষাৰ সুবিধাৰ বাবে উক্ত জিলাখনৰ অন্ততঃ এখন ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয় পতাৰ ব্যৱস্থা চৰকাৰে লবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) দৰং জিলাত কোনো চৰকাৰী ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয় নাই ।

(খ) এতিয়াও বিবেচনা কৰা নাই ।

(গ) পুঁজি সাপেক্ষে বিবেচনা কৰিব পৰা যাব ।

Re : **L. P. and M. E. Schools.**

**Shri Santi Ranjan Das Gupta** asked :

76. Will the Minister, Education be pleased to state :

(a) The total number of L.P. Schools and M.E. School Buildings Grant paid in Hojai Samasti for year 1986—87 & 1987—88 ?

(b) The names of the school in whose favour Rs. 61,000 Grant was given and the names of the schools in whose favour Rs. 45 000/- were granted within Hojai Samasti for the purpose of Building Construction ?

(c) How many schools have so far been constructed ?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ৩৭ খন ।

(খ) প্ৰতিখন বিদ্যালয়ত ৬১,০০০ টকাকৈহে অনুদান দিয়া হৈছে । তালিকা অনুবন্ধ C' চাওক ।

(গ) প্ৰাপ্ত তথ্যমতে ১৯৮৬-৮৭ চনৰ অনুদানৰ টকাৰে ১৬ খন স্কুলৰ ঘৰ নিৰ্মাণ হৈছে ।

Re : **Construction of School Building.**

**Shri Santi Ranjan Das Gupta** asked :

77. Will the Minister, Education be pleased to State :

(a) How many school Buildings will be constructed (L.P. & M. E.) from the Fund allotted for the year 1988—89 in Assam ?

(b) The number of schools to be constructed constituencywise ?

(c) The amount allotted for each school ?

(d) The names of the schools selected for Hojai Samasti ?

শ্রীযতীন মালী (ৰাজ্যিক শিক্ষামন্ত্রী)য়ে উত্তৰ দিছে :

(ক) ১৯৮৮-৮৯ চনৰ বিত্তীয় বছৰত ৮ম বিত্তীয় আয়োগৰ অনুদানেৰে প্রাথমিক ( L.P & M. E ) বিদ্যালয়ৰ ঘৰ সজাৰ বাবে কোনো প্রস্তাৱ নাই ।

(খ)
(গ) —প্রশ্ন নুঠে ।
(ঘ)

Re : **Case No. 425/87**

**Shri Abdul Muqtadir Choudhury** asked :

78. Will the Minister, Home be pleased to state :

(a) What action have been taken by the police relating to the Karimganj P. S. Case No. 425/87 and Karimganj P S. No. 63/88 where the then Secretary of Jatkapara Co-Operative Society misappropriated Rs. 2,72,317.00 and Salesman had misappropriated Rs. 50,000·00 respectively ?

শ্রীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্রী)য়ে উত্তৰ দিছে :

(ক) দুয়োটা গোচৰেই পঞ্জীয়নভুক্ত হৈছে আৰু তদন্ত চলি আছে ।

**Re : Primary Schools in Tinsukia.**

**Shri Shio Sambhu Ojha** asked :

79. Will the Minister, Education be pleased to state :

(a) The number of Hindi and Bengali Medium Primary Schools in Tinsukia Sub-division ?

(Furnish the names separately showing the Government sanctioned post of teachers in each school ?)

শ্রীযতীন মালী (ৰাজ্যিক শিক্ষামন্ত্রী)য়ে উত্তৰ দিছে :

(ক) হিন্দী মাধ্যমৰ প্রাথমিক বিদ্যালয় ৪৯ খন ।

বঙালী মাধ্যমৰ প্রাথমিক বিদ্যালয় ৪৪ খন ।

( বিদ্যালয়ৰ আৰু মঞ্জুৰী পদৰ তালিকা অনুবন্ধ D' ত চাওক ।

**Re : Water Supply Schemes under A.R.P. Schemes in Silchar.**

**Shri Dinesh Prasad Goala** asked :

80. Will the Minister, Public Health Engineering be pleased to state :

(a) What is the total number of proposal for Water Supply Schemes under A.R.P. from P. H. E. Division II, Silchar have been submitted and sent to Government ?

(b) How many of the said schemes have so far been sanctioned ? (The names of the Schemes may pleased be furnished )

**Shri Shahidul Alam Choudhury,** (Minister, Public Health Engineering) replied :

(a) Piped Water Supply Schemes—45 Nos.
Mark II Deep well Hand Pump—12 Nos.

(b) Piped Water Supply Schemes—13 Nos.
Mark II Deep Well Hand Pump—10 Nos.
(The names of the Schemes at Annexure 'E').

**Re. Venture L.P. Schools taken over by Government in Tea & Ex-Tea Garden areas.**

**Shri Denesh Prasad Goala** asked :

81. Will the Minister, Education be pleased to state :

(a) What is the total numbers of Venture L. P. Schools taken up by the Government in Tea & Ex-Tea Garden areas under D. I. of Schools, Silchar in the year 1987—88 ?

(b) How many Tea and Ex-Tea Garden V. L. P. School taken up by the Government from Lakhipur constituency under D. I. of School, Silchar ?
(Please furnish the names of the schools and name and address of the teachers).

শ্ৰীযতীন মালী (বাণিজ্যিক শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ১৪ খন ।

(খ) তথ্য সংগ্ৰহ কৰি থকা হৈছে । তথ্য পালেই সদনত দাখিল কৰিব পৰা যাব ।

**Re : Norms of Adult Education Scheme.**

**Shri A. F. Golam Osmani** asked :

82. Will the Minister, Education be please to state :

(a) What are the norms on the basis of which Adult Education Schemes are taken up ?

(b) Number of Schemes taken up in Barpeta District from 1983—84 to 1988—89 ?

(Please state locations year-wise and total sum spent year-wise both on Central and State Category of Schemes).

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) প্ৰাপ্তবয়স্ক শিক্ষা আঁচনিখন গ্ৰহণ কৰাৰ বাবে দুটা নিয়ম আছে—এটা শাৰীৰিক আৰু আনটো বিত্তীয় ।

শাৰীৰিক—স্বাক্ষৰতা জৰীপৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি প্ৰাপ্তবয়স্ক শিক্ষকেন্দ্ৰ সমূহ বাছনি কৰা হয় । স্থানীয় ক্লাব, পুথিভঁৰাল, যুৱ সংঘ আদিৰ দ্বাৰা এই জৰীপ কৰা হয় । এই জৰীপৰ সত্যাসত্য প্ৰাপ্তবয়স্ক শিক্ষাবিভাগৰ ক্ষেত্ৰ । কৰ্মচাৰী (Field staff) যেনে-প্ৰকল্প বিষয়া আদিৰ দ্বাৰা নিৰূপণ কৰা হয় । এই প্ৰাপ্তবয়স্ক শিক্ষা কেন্দ্ৰসমূহ সাধাৰণতে ১৫–৩৫ বছৰৰ ভিতৰৰ নিৰক্ষৰ লোকক লৈ গঠন কৰা হয় ।

বিত্তীয়—এই কেন্দ্ৰসমূহ হ'ব নিৰ্দেশক / নিৰ্দেশিকাসকলৰ মাহিলি দৰমহা (Remuneration) ১০০ টকাকৈ পাই আছিছে । এই কেন্দ্ৰসমূহ চলোৱাৰ বাবে কেৰাচিন তেল (বিদ্যুৎ) আদিৰ বাবত ২৫ টকাকৈ খৰচ কৰা হয় ।

স্বাক্ষৰতা, সচেতনতা আদিয়েই এই কেন্দ্ৰসমূহৰ মূল লক্ষ্য ।

(খ) বৰপেটা জিলাত ১৯৮৪-৮৫ বিত্তীয় বছৰৰ পৰা এই কেন্দ্ৰসমূহ লোৱা হয় । প্ৰতি বছৰৰ কেন্দ্ৰীয় আৰু ৰাজ্যিক শাখা আৰু হিচাপৰ খৰচ তলত দেখুওৱা হ'ল ।

| বছৰ | ৰাজ্যিক (লাখমতে) | কেন্দ্ৰীয় |
|---|---|---|
| ১৯৮৪-৮৫ | ৪·১০ টকা | ৫·৪৬ টকা |
| ১৯৮৫-৮৬ | ৫·৮৪ ” | ৫·১৫ ” |
| ১৯৮৬-৮৭ | ৬·৭২ ” | ৭·৪৬ ” |
| ১৯৮৭-৮৮ | ৯·২১ ” | ৬·২০ ” |
| ১৯৮৮-৮৯ (৩১-১২-৮৮) | ২·১০ ” | ৮·০০ ” |

বিষয়ঃ প্ৰেক্ষাগৃহ নিৰ্মাণ

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে ঃ

৮৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰেক্ষাগৃহ নিৰ্মাণৰ কিমান টকা মঞ্জুৰি আগবঢ়াইছে?

(খ) উক্ত মঞ্জুৰিৰ দ্বাৰা প্ৰেক্ষাগৃহৰ কাম সম্পূৰ্ণ হ'বনে ?

(গ) প্ৰেক্ষাগৃহ নিৰ্মাণৰ কাম কিমান আগবাঢ়িছে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৭-৮৮ চনৰ বিত্তীয় বছৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ মঞ্জুৰীকৃত মুঠ ৩২.৪০ লাখ টকাৰ পৰাই প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবে ৪.০০ লাখ টকা ব্যয় কৰিবলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ক পৰামৰ্শ দিয়া হৈছিল ।

(খ)

ইতিমধ্যে কাম আৰম্ভ কৰিছে। বিশ্ববিদ্যালয়ে অন্যভাৱেও ধন সংগ্ৰহ কৰিছে।

(গ)

**Re : Number of Venture L. P. —Schools of Karimganj.**

**Shri Abdul Muqtadir Choudhury** asked :

84. Will the Minister Education be pleased to state :

(a) The number of Venture L.P. Schools in Karimganj District ? (The list of Venture L.P. with name and address may be placed on the table of the House)

(b) The name and address of the Venture L. P. Schools of Karimganj District suggested by the Advisory Board for taking over by the Government ?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) প্ৰাপ্ত তথ্যমতে ৩৮০ খন । বিদ্যালয়ৰ তালিকা পিছত দাখিল কৰা হ'ব ।

(খ) বিদ্যালয়ৰ তালিকা বিচৰা হৈছে । পালেই দাখিল কৰিব পৰা হ'ব ।

**Re : Water Drilling Rig.**

**Shri Abdul Muqtadir Choudhury** asked :

85. Will the Minister, Public Health Engineering be Pleased to state :

(a) Total number of water drilling rigns in the P.H.E. Department.

(b) How many water drilling rigs are there in Cachar District ?

(c) Is it a fact that Karimganj District with one PHE Division and 3 (three) P.H.E. Sub-Divisions are running without any water drilling rig and several old water supply schemes senctioned in 1984—85, 1985—86, 1986—87, 1987—88 are held up for want of water drilling rigs ?

**Shri Shahidul Alam Choudhury,** (Minister, Public Health Engineering) replied :

(a) 25 (twenty five) Nos.

(b) 2 Nos out of which 1 (one) is under repair.

(c) Yes, Karimganj District is running without drilling rig since mid November '88 and installation of Deep Tube Well by Rig is yet to be taken up for 29 Schemes.

**Re : Basthi Harizan Venture L. P. School.**

**Shri Abdul Rob Laskar,** asked :

86. Will the Minister, Education be pleased to state :

(a) Is a fact that 9 No. Basthi Harizan T. E. Venture L. P. School under Silchar Sub-Division was taken up by the Government in 1988 ?

(b) Is it a fact that subsequently it was dropped from the list ?

(c) If so, the reason there ?

(d) Is it a fact that Dakbanglow Venture L. P. School in Silchar Sub-Division was taken up in the 1st instance and then it was dropped ?

(e) Is it a fact that later on Dakbanglow was again taken up ?

(f) Whether Government is aware that Dakbanglow Venture L. P. School is not within any Garden Area ?

(g) Will the Government taken up 9 No. Basthi Harizan Venture L.P. School as it is within a Garden Area ?

শ্ৰীযতীন মালী (বাজ্যিক শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) হয়।

(গ) চৰকাৰৰ সিদ্ধান্ত মতে।

(ঘ) হয়।

(ঙ) হয়।

(চ) ডাক বাংলো প্ৰাথমিক বিদ্যালয় চাহ বাগিচা এলেকাত অৱস্থিত নহয় বুলি চৰকাৰে নেজানে।

(ছ) এই বিষয়ত কোনো সিদ্ধান্ত বৰ্তমানে হোৱা নাই।

### Re : Fire Service Station at Sonai.

**Shri Abdul Rob Laskar,** asked :

87. Will the Minister, Home be pleased to state :

(a) Whether Government is aware that the Government has sanctioned a Fire Service Station at Sonai under Silchar Sub-Division of Cachar district ?

(b) If so, what steps the Government has taken to start the work of the said station ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) কাছাৰ জিলাৰ সোণাইত অগ্নিনিৰ্বাপক কেন্দ্ৰ স্থাপন কৰাৰ সম্পৰ্কত এটা প্ৰস্তাৱ চৰকাৰে পাইছে।

(খ) পুঁজিৰ অৱস্থা টনকিয়াল নোহোৱা হেতুকে এতিয়ালৈকে কোনো সিদ্ধান্ত লব পৰা নাই।

### Re : P. H. E. Division at Sonai.

**Shri Abdul Rob Laskar,** asked :

88. Will the Minister, Public Health Engineering be pleased to state :

(a) Is there any proposal to set up P. H. E. Division at Sonai under Silchar Civil Sub-division of Cachar district ?

(b) If not, will the Government consider to set up a Division of P. H. E. considering the vastness of the area ?

**Shri Shahidul Alam Choudhury,** (Minister, Public Health Engineering) replied :

(a) No.

(b) Will be examined.

Re : Scheduled Caste Component Plan.

শ্ৰীগোপীনাথ দাসে সুধিছে :

৮৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) Scheduled Caste Component Plan ৰ আছুতীয়া টকাৰে ১৯৮৮-৮৯ চনত কিমানখন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ক চৰকাৰে গৃহ নিৰ্মাণৰ বাবে মঞ্জুৰী দিয়াৰ ব্যৱস্থা কৰিছে জনাবনে ?

(খ) উক্ত মঞ্জুৰী টকা বিদ্যালয়বোৰক দিয়া হৈছেনে ?

(গ) যদি হোৱা নাই তেন্তে অতি সোনকালে বিদ্যালয়বোৰক মঞ্জুৰী টকা দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) Scheduled Caste Component Plan ৰ আছুতীয়া টকাৰে ১৯৮৮-৮৯ চনত চৰকাৰে মুঠ ৬৮ খন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ক গৃহনিৰ্মাণৰ বাবে মঞ্জুৰী দিয়াৰ ব্যৱস্থা হাতত লৈছে।

(খ) এতিয়াও দিয়া হোৱা নাই।

(গ) সোনকালে দিয়াৰ ব্যৱস্থা লোৱা হ'ব।

Re : **Damaged School Buildings.**

**Shri Amritlal Basumatary** asked :

90. Will the Minister, Education be pleased to State :

(a) What is the number of school Buildings demaged or destroyed in course of the current agitation in Kokrajhar, Odalguri and Gossaigaon Sub-Division ?

(b) What is the total loss assessed ?

(c) Whether the damaged buildings will be repaired or reconstructed ?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) স্কুলঘৰৰ ক্ষয়-ক্ষতিৰ কোনো তথ্য সংশ্লিষ্ট মহকুমাকেইটাৰ পৰা পোৱা নাই ।

(খ) প্ৰশ্ন নুঠে ।

(গ) তথ্য পালে পৰীক্ষা কৰা হ'ব ।

বিষয় : বানপানীৰ বাবে কেন্দ্ৰীয় সাহাৰ্য্য ।

শ্ৰীদেবেশ্বৰ বৰায়ে সুধিছে :

৯১। মাননীয় সাহাৰ্য্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম চৰকাৰে ১৯৮৮ চনৰ বানপানী সাহাৰ্য্যৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান টকা মঞ্জুৰী পালে ?

(খ) সাহয্য মঞ্জুৰী পোৱা ধন কোন কোন বিভাগক কিমান পৰিমাণৰ আবণ্টন দিয়া হ'ল ?

(গ) ১৯৮৯ চনৰ ফেব্ৰুৱাৰী মাহলৈকে কিমান পৰিমাণৰ ধন চৰকাৰে খৰচ কৰিবলৈ সক্ষম হৈছে ?

শ্ৰীচন্দ্ৰ আৰক্কৰা (সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) কেন্দ্ৰীয় চৰকাৰে বানপানীৰ সাহাৰ্য্যৰ খৰচৰ নিৰিখ ৮৫৩৬·৪৫ লাখ টকা ধাৰ্য্য কৰি দিছে আৰু তাৰে ভিতৰত কেন্দ্ৰীয় চৰকাৰে মুঠ ৪৩৬২·৫০ লাখ টকা মোকলাই দিছে ।

(খ) বিভিন্ন বিভাগক আবণ্টন দিয়া ধনৰ তালিকা অনুবন্ধ 'F' চাওক ।

(গ) ৫০,১৪,৭১,৩৫১ টকা ।

বিষয় : এল পি আৰু এম-ই স্কুলৰ বিল্ডিং গ্ৰাণ্ট ।

শ্ৰীনবেন তাঁতীয়ে সুধিছে :

৯২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৱা বছৰ অসমৰ কিমানখন এল-পি আৰু এম-ই স্কুলক বিল্ডিং গ্ৰাণ্ট দিয়া হ'ল ?

(খ) কিমানখনক মেৰামতিৰ অনুদান দিয়া হ'ল ?

(গ) কিমানখনক আচবাবৰ কাৰণে অনুদান দিয়া হ'ল ?

(ঘ) উক্ত আঁচনিসমূহৰ বাবে সৰ্বমুঠ কিমান টকা দিয়া হ'ল জনাবনে ?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) মুঠতে ২৭৪৬ খনক ।

(খ) ” ১৯৩৩ খনক ।

(গ) ” ২২২১ খনক ।

(ঘ) সৰ্বমুঠ ১৫ কোটি ৮১ লাখ ৭৯ হাজাৰ ৩ শ ৬০ টকা দিয়া হৈছে ।

Re : **Jawahar Hindi H. E. School, Doomdooma.**

**Shri Dileswar Tanti,** asked :

93. Will the Minister, Education be pleased to state :

(a) When the Development Committee of the Jawahar Hindi H. E School, DoomDooma was constituted ?

(b) Who are the members of this Committee ?

(c) Whether it is a fact that the local Hindi speaking public have been agitating and demanding the dissolution of this Committee since long ?

(d) If so will the Government take immediate steps for redressing the grievances of the local public ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ডুমডুমাৰ জৱাহৰ হিন্দী হাইস্কুলৰ উন্নয়ন কমিটীখন ইংৰাজী ১৯৮৬ চনৰ ছেপ্টেম্বৰ মাহত কমিটীখনৰ প্ৰথম বৈঠকৰ পৰা ৩ বছৰৰ কাৰণে গঠন কৰা হৈছিল :

(খ) উক্ত কমিটীখনৰ সদস্যসকল হ'ল :

| | | |
|---|---|---|
| (১) | শ্ৰীনকুল চন্দ্ৰ বৰদলৈ, এডভোকেট কপাই চাইদিং | সভাপতি । |
| (২) | শ্ৰীঘনশ্যাম দাস, লাহতি, ডুমডুমা | সচিব । |
| (৩) | উক্ত স্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক | সদস্য । |
| (৪) | আয়কৰ অধীক্ষক, ডুমডুমা, চৰকাৰৰ মনোনীত সদস্য | ঐ |
| (৫) | ডুমডুমাৰ ৰাজ্যিক চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত চিকিৎসকজন | ঐ |
| (৬) | শ্ৰীজে, পি, টেৰাৰী, অধ্যাপক, ডুমডুমা কলেজ | ঐ |

(৭) শ্ৰীওৱাই, পি, ওজা, ডুমডুমা — অতিৰিক্ত সদস্য

(৮) শ্ৰীগোবৰধন আগৰৱালা, ডুমডুমা — ঐ

(৯)

(১০) খালি................অভিভাৱক প্ৰতিনিধি — সদস্য

(১১) শ্ৰীকাদেৱনাথ প্ৰসাদ, সহকাৰী শিক্ষক, প্ৰতিনিধি — ঐ

(১২) শ্ৰীবাৰণ সিং, সহকাৰী শিক্ষক, শিক্ষক প্ৰতিনিধি — ঐ

(১৩) খালি..........দাতা প্ৰতিনিধি (Doners Representatives) ঐ

(গ) স্থানীয় ৰাইজে উক্ত উন্নয়ন কমিটীখন ভাঙি দিয়াৰ কাৰণে ১৯৮৮ চনৰ ডিচেম্বৰ মাহৰ পৰাহে দাবী জনাইছে ।

(ঘ) যিহেতুকে উক্ত উন্নয়ন কমিটীখন গঠন হোৱা তাৰিখৰ পৰা ৩ বছৰ কাৰ্য-কাল ইংৰাজী ১৯৮৯ চনৰ ছেপ্টেম্বৰ মাহতহে উকলিব, গতিকে এতিয়াই স্থানীয় ৰাইজে দাবী কৰামতে কমিটীখন বিশেষ গুৰুতৰ অভিযোগ ( allegation ) নেথাকিলে ভঙ্গ কৰা বা পুনৰ গঠন কৰাৰ স্থান নাই ।

**Re : Acuted drught in Secotpur Bandu etc Area of Cachar District.**

**Shri Dinesh Prasad Goala,** asked :

94. Will the Minister, Public Health Engineering be pleased to state :

(a) Whether Government is aware that the people of Secotpur, Bandu, Boali, Matinagar and Didar Kosh area in the District of Cachar are facing acute scarcity of drinking water due to drought ?

(b) If so, whether Government has so far taken any step to meet the crisis ?

(c) If so, what steps have been taken ?

(d) If not, will the Government take immediate measures for installation of Mark II pump in those areas as proposed by the Local MLA within this months for the interest of the people ?

**Shri Shahidul Alam Choudhury,** (Minister, Public Health Engineering) replied :

(a) There is no report regarding occurance of drought. However

Government is aware about the scarcity of drinking water in these villages.

(b) (c) (d) Except for Matinagar, all the other villages are identified as problem villages and steps are being taken to provide drinking water progressevely as early as possible.

Re : **Fire Bridgade station at Lakhimpur.**

**Shri Dinesh Prasad Goala,** asked :

95. Will the Minister, Home be pleased to state :

(a) Whether Government has any proposal to sanction Fire Brigade Station at Lakhimpur in the District of Cachar ?

(b) If so, when the same can be expected ?

(c) If not, will the Government consider to sanction the same during this financial year ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) কাছাৰ জিলাৰ লক্ষীপুৰত অগ্নিনিৰ্বাপক কেন্দ্ৰ স্থাপন কৰাৰ প্ৰস্তাৱ বৰ্তমান চৰকাৰৰ হাতত নাই ।

(খ) প্ৰশ্ন নুঠে ।

(গ) পুঁজিৰ ওপৰত নিৰ্ভৰ কৰিব ।

বিষয় : উপ-পৰিদৰ্শক নিলম্বিত ।

শ্ৰীৰত্নেশ্বৰ চৰকাৰে সুধিছে :

৯৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উত্তৰ শালমাৰা মহকুমাৰ বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শকজনক নিলম্বিত কৰা কথাটো সঁচানে ?

(খ) যদি সঁচা ইয়াৰ কাৰণ কি ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) হয় ।

(খ) যোৱা ১৯৮৮ চনৰ ৯।৫।৮৮ ইং তাৰিখে অসম বিধানসভাৰ চমু জাননীৰ প্ৰশ্ন ( প্ৰশ্ন নং-২২ )ৰ 'য়' অংশৰ উত্তৰৰ কাৰণে ভুল তথ্য দিয়াৰ অপৰাধত নিলম্বিত কৰা হৈছে।

**Mr. Speaker** : Now zero hour. One matter would be raised by Hon'ble Member Shri Hemen Das.

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, আজি নতুন দৈনিক কাকতত এটা খবৰ ওলাইছে। সেইটো হৈছে, এজন সাংবাদিকক পুলিচে অতি নিৰ্মমভাৱে প্ৰহাৰ কৰিছে। সেই সাংবাদিকজনৰ নাম হৈছে শ্ৰীগগন শৰ্মা, তেওঁ পকাদলী হাইস্কুলৰ শিক্ষক দৰং জিলাৰ ছিপাঝাৰ পুলিচ থানা ১১ মাৰ্চ তাৰিখে যেতিয়া কিছুমান লোকে আক্ৰমণ কৰিছিল আৰু তাকে লৈ যি বিষয়ৰ সৃষ্টি হৈছিল সাংবাদিক শৰ্মাই বিতং বাতৰি কাকতলৈ খবৰ পঠিয়াইছিল। এই খবৰটো তেওঁ দৈনিক অসমলৈ পঠিয়াইছিল। খবৰ প্ৰকাশৰ দিনাই পুলিচে তেওঁক গ্ৰেপ্তাৰ কৰে আৰু থানালৈ আনি তেওঁক প্ৰহাৰ কৰে। খবৰটো দিছিল বাবেই পুলিচে তেওঁক প্ৰহাৰ কৰি গাত কাপোৰ নোহোৱা কৰিছিল, মাত্ৰ আন্দাৰ ওৱেৰটো আছিল। এই ধৰণে তেওঁক বাস্তাত আঁঠু কঢ়াই খোজ কাঢ়িব দিছিল। তেওঁ এতিয়াও চিকিৎসাধীন হৈ আছে।

অধ্যক্ষ মহোদয়, অকল সেয়ে নহয়, ছিপাঝাৰত আমাৰ দলৰ সদস্য ডাঃ কমল নাথকো গ্ৰেপ্তাৰ কৰি এনেভাবে প্ৰহাৰ কৰিছে। এই বিষয়টো মই গৃহমন্ত্ৰী ডাঙৰীয়াক জনাইছো। এতিয়া তেওঁক জামিন দিছে। তেওঁ ঘৰৰ পৰা ওলাব পৰা নাই। ব্যক্তি স্বাধীনতাত হস্তক্ষেপ কৰাৰ পুলিচৰ অধিকাৰ নাই। নিৰ্মমভাৱে অত্যাচাৰ কৰা নৰৰূপী পশুসকলৰ বিৰুদ্ধে যথোচিত ব্যৱস্থা লব লাগে।

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়ে বাতৰিত আজি মই নিজে দেখা পাইছো। সাংবাদিকেই হওক বা সাধাৰণ নাগৰিকেই হওক পুলিচৰ অত্যাচাৰ কৰাৰ অধিকাৰ নাই।

## ANNOUNCEMENT FROM THE CHAIR

**Mr. Speaker** : Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee at 1-30 P.M. on 27th March, 1989 in my Chamber at Dispur to discuss about the allotment of time for General Discussion on the Budget amongst the parties/Groups and the selection of demands for grants to be taken up for discussion and voting on priority basis. The Committee also has given good deal

of throught for consideration and passing of four Bills proposing taxation measures that has been introduced on 27th March, 1989 and decided that instead of General discussion on the budget on 31st March the four Bills will be taken up for consideration and passing. The General discussion on the Budget fixed for 31st March will now be taken up on 6th April, 1989. There will be no sitting of the house on 20th and 21st April and these days will also be recess days on account of Bohag Bihu. The business fixed earlier for 6th, 20th and 21st April will now be taken up on 30th, 31st May and 1st June, 1989. The business fixed earlier for 30th, 31st May and 1st June will now be taken up on 5th, 6th and 7th June, 1989.

The general discussion on the budget will spread over for five days i.e. 29th March, 3rd, 4th, 5th and 6th April, 1989. The time that will be available for general discussion on the budget are allocated as follows :

| | |
|---|---|
| AGP | =8 Hours 24 Minutes (including the reply of the Chief Minister) |
| Congress(I) | =2 Hours 48 Minutes |
| UMF | =1 Hours 59 Minutes |
| Congress (S) | = 28 Minutes |
| PTC | = 21 " |
| UTNLF | = 7 " |
| Independents | = 14 " |
| CPI(M) | = 14 " |

The committee also selected 23 demands for grants on priority basis or discussion and voting during the allotted days which are being circulated to the Honourable Members. The revised calender has also been circulated to the Hon'ble Members.

I hope this has the approval of the House.

শ্ৰীকিৰণ কুমাৰ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৮৯ চনৰ এক মাৰ্চৰ 'অগ্ৰদূত' কাকতত প্ৰকাশিত "আহোম যুগৰ প্ৰাচীন কীৰ্ত্তিচিহ্নবোৰ সংৰক্ষণ লাগে"— এই সম্পৰ্কীয় বাতৰিটোৰ প্ৰতি শিক্ষামন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছো।

অধ্যক্ষ মহোদয়, মই আজি এনেকুৱা বিষয় এটা উত্থাপন কৰিব বিচাৰিছো-আহোম সকলৰ ছ শ বছৰীয়া ৰাজত্ব কালৰ ঐতিহ্যৰ পুৰণি স্মৃতি চিহ্নবোৰৰ বিষয়ে। এই ঐতিহ্যপূৰ্ণ চিহ্নবোৰ চৰকাৰৰ অৱহেলাৰ বাবে আজি ধ্বংসস্তূপত পৰিণত হব লগা হৈছে। শিৱসাগৰৰ ৰংঘৰ আৰু তলাতল ঘৰৰ অতি শোচনীয় অৱস্থা। যি চৰকাৰেই নহওক কিয় সকলো চৰকাৰৰ দিনতে ইয়াক অৱহেলাৰ চকুৰে চোৱা হৈছে। বিশেষকৈ ইয়াৰ সংৰক্ষণ ব্যৱস্থা কোনো চৰকাৰৰ দিনতেই কৰা দেখা নগ'ল। যিসকল তীৰ্থ-যাত্ৰী আহে তেওঁলোকে তলাতল ঘৰৰ খটখটীত উঠিব নোৱাৰে। সেইবিলাক ভাগি গৈছে। দিখৌ নদী পৃথিৱীৰ ভিতৰত বিখ্যাত বুলি জানিব পৰা গৈছে। তলাতল ঘৰৰ সুৰঙ্গটো এই দিখৌ নদীৰ তলৈকে গৈছে। তাৰ কোনো ব্যৱস্থা কৰা নহল। জয়সাগৰ পুখুৰীৰ পাৰত অ', এন, জি, চিয়ে কিছুমান বস্তু ৰাখিছে। সেই বস্তুবিলাক আজিলৈকে নিয়াৰ ব্যৱস্থা কৰা নহল। মোমাইকটা গড়, নুমলীগড় আদিৰ চিন-চাব নোহোৱা হ'ল। এই কথাবিলাক আমি বুৰঞ্জীতহে পঢ়িবলৈ পাম। আজি উঠি অহা ছাত্ৰ-ছাত্ৰীসকলক আমি ভৱিষ্যতে মোমাইকটা গড় আদি দেখুৱাবলৈ নোৱাৰিম।

Dr. Ardhendu Kumar Day : Mr. Speaker Sir, here is a point of order. It is a Call Attention Motion and hence, he cannot go into detail.

Mr. Speaker : The Hon'ble Member can explain but it should be in brief.

শ্ৰীকিৰণ চন্দ্ৰ গগৈ : এই বুৰঞ্জী বিখ্যাত কথাবিলাকৰ চিন্তা কৰা হোৱা নাই। এইটো আজি শ্লোগান হৈ ৰৈছে।

এইবিলাক আজি একোটা শ্লোগান হৈ গৈছে। আমি আজি ইমান বছৰে চিএৱ-ৰাখৰ কৰাৰ পাছত সৌ সিদিনা লাচিতৰ নিচিনা বীৰ পুৰুষ এজনক এজাক মানুহৰ মাজত প্ৰতিষ্ঠিত কৰা হৈছে। চাৰিজনকে একেলগে প্ৰতিষ্ঠা কৰে নেকি? লাচিতৰ নিচিনা বীৰ পুৰুষ এজনৰ এনে অৱস্থা কিয় হ'ল আমি জানিব বিচাৰিছো।

এইবিলাক কোনোদিনে কোনো চৰকাৰৰ দিনতে সংৰক্ষণৰ ব্যৱস্থা কৰা নাই। আগৰ চৰকাৰৰ দিনত যি হ'ল হ'ল এতিয়া আমাৰ চৰকাৰৰ দিনত আহোম যুগৰ প্ৰাচীন কীৰ্ত্তি চিহ্নবোৰ সংৰক্ষণৰ বাবে শিক্ষামন্ত্ৰী মহোদয়ে কি কি ব্যৱস্থা লৈছে তাৰ সবিশেষ দি এটা বিবৃতি দাঙি ধৰিবলৈ মই এই বিষয়টো উত্থাপন কৰিলো।

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী): মাননীয় বিধায়ক শ্ৰীকিৰণ কুমাৰ গগৈৰ ১ মাৰ্চ তাৰিখৰ 'অগ্ৰদূত' কাকতত প্ৰকাশিত "আহোম যুগৰ প্ৰাচীন কীৰ্ত্তি চিহ্নবোৰৰ সংৰক্ষণ লাগে" শীৰ্ষক সংবাদটোৰ প্ৰতি দৃষ্টি-আকৰ্ষণ কৰাৰ পৰিপ্ৰেক্ষিতত জনাব খোজো যে :

(ক) প্ৰবন্ধটোত উল্লেখিত আটাইকেইটা কীৰ্ত্তিচিন কেন্দ্ৰীয় প্ৰত্নতত্ত্ব বিভাগ (Archaeological survey of India)ৰ দ্বাৰা সংৰক্ষিত হোৱা কাৰণে ৰাজ্যিক চৰকাৰে সংৰক্ষণৰ ক্ষেত্ৰত কোনো হস্তক্ষেপ কৰিব নোৱাৰে।

(খ) আনহাতে সংৰক্ষণৰ ক্ষেত্ৰত কেন্দ্ৰীয় বিভাগৰ লগত সমন্বয় ৰক্ষা কৰিবলৈ অসম শিক্ষা বিভাগৰ সচিব, ৰাজ্যিক প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ সঞ্চালক, কেন্দ্ৰীয় প্ৰত্নতত্ত্ব বিভাগৰ গুৱাহাটী মণ্ডলৰ অধীক্ষকক লৈ এখন কমিটী স্থাপন কৰা হৈছে। এই কমিটীৰ জৰিয়তে সংৰক্ষণৰ ক্ষেত্ৰত কেন্দ্ৰীয় আৰু ৰাজ্যিক বিভাগৰ মাজত যোগাযোগ ৰক্ষা কৰি সহযোগিতাৰ মাজেৰে কাম কৰি অহা হৈছে।

(গ) ইয়াৰ বাহিৰেও আমি ব্যক্তিগতভাৱে, কেন্দ্ৰীয় প্ৰত্নতত্ত্ব বিভাগৰ অধিকৰ্তা (Director General) লৈ চিঠিৰ জৰিয়তে এই কেন্দ্ৰীয় সংৰক্ষিত কীৰ্ত্তিচিনসমূহৰ সু-পৰিকল্পিত আৰু যথাযথ সংৰক্ষণৰ বাবে সকিয়াই আহিছো। কেন্দ্ৰীয় বিভাগৰ অধি-কৰ্তাৱো সহাৰি জনাই দুবাৰো আহি নিজে এই কীৰ্ত্তিচিনবোৰ চাই গুৱাহাটী মণ্ডলৰ অধীক্ষকক কি কি সংগ্ৰহ কৰিব লাগে আৰু কেনে ধৰণৰ কৰা উচিত-সেই বিষয়ে দিহা-পৰামৰ্শ দি গৈছে।

(ঘ) কেন্দ্ৰীয় চৰকাৰৰ জনসম্পদ ( Human Resources ) বিভাগৰ মন্ত্ৰীৰ লগতো চিঠি আৰু ব্যক্তিগত সাক্ষাৎকাৰৰ যোগেদি এই বিষয়ে দৃষ্টি আকৰ্ষণ কৰা হৈছে। সংৰক্ষ-ণৰ ক্ষেত্ৰত অধিক আৰ্থিক অনুদান দিয়াৰ আশ্বাসো তেখেতে আমাক দিছে। তাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যিক চৰকাৰৰ তৰফৰ পৰা প্ৰায় আঢ়ৈ কোটি টকাৰ এখন আঁচনি দাখিল কৰা হৈছে।

আমি ভাবো সংৰক্ষণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে আগতকৈ বৰ্তমানে অধিক মনো-নিবেশ কৰিছে আৰু কেন্দ্ৰীয় আইনত নিৰ্দেশিত নীতি অনুসৰি তেওঁলোকে ইতিমধ্যে ভালেখিনি সংৰক্ষণৰ কাম কৰিছে। অৱশ্যে এইটো স্বীকাৰ্য যে আমি বিচৰা ধৰণে সংৰক্ষণৰ কাম আগবঢ়া নাই। তথাপি আমি আশা ৰাখিছো-অচিৰে কেন্দ্ৰীয় চৰকাৰে সংৰক্ষণৰ কাম সু-সংবদ্ধ আৰু পৰিকল্পিতভাৱে কৰি আমাৰ আশা পূৰণ কৰিব।

(ঙ) এইখিনিতে উল্লেখ কৰিব পাৰি যে প্ৰবন্ধটোত উল্লেখিত ৰংঘৰ তথা অন্যান্য কীৰ্ত্তিচিনসমূহৰ গাৰ পৰা জহি-খহি যোৱা আলঙ্কাৰিক কাৰুকাৰ্যসমূহ পুনৰ খোদিত কৰাত আইনগত বাধা নোহোৱা নহয়, যিহেতু এই কাৰুকাৰ্যসমূহৰ মূল নক্সাবোৰ এতিয়া পাবলৈ নাই। আনহাতে এইবোৰত নতুন কাৰুকাৰ্য লগোৱাটো আইনবিৰুদ্ধ।

(চ) জয়সাগৰৰ ঘনশ্যামৰ ঘৰটো হালি যোৱাটো সঁচা, আৰু সেইটো যাতে আৰু হালি নেযায় তাৰ ব্যৱস্থা কেন্দ্ৰীয় বিভাগে ১৯৮৭-৮৮ চনত লৈছে। আশাকৰা হৈছে-এই প্ৰচেষ্টা ফলপ্ৰসূ হ'ব।

(ছ) ইয়াৰ বাহিৰে সেই অঞ্চলত কেন্দ্ৰীয় চৰকাৰৰ সংৰক্ষণৰ বাহিৰত যিবোৰ কীৰ্ত্তিচিন আছে সেইবোৰ ৰাজ্যিক প্ৰত্নতত্ত্ব বিভাগে পৰ্যায়ক্ৰমে হাতত লৈ সংৰক্ষণৰ কাম চলাই আছে ।

শেষত মাননীয় সদস্যগৰাকীক পুনৰ জনাব খোজোঁ যে এই কাৰ্ত্তিচিনসমূহৰ সংৰক্ষ-ণৰ ক্ষেত্ৰত কেন্দ্ৰীয় বিভাগৰ লগত সততে যোগাযোগ ৰাখি অহা হৈছে আৰু প্ৰবন্ধটোত উল্লেখিত পৰামৰ্শবোৰ কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিগোচৰ কৰা হ'ব ।

শ্ৰীকুসুম্বৰ টাইৰাই গগৈ : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত প্ৰাকৃতিক গেছ সংৰক্ষণ সম্পৰ্কীয় বিষয়টোৰ উদ্যোগমন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছো ।

অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ মাননীয় সদস্য শ্ৰীকিৰণ গগৈ ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰাৰ দৰে ময়ো এটি গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব বিচাৰিছো । অৱশ্যে বিভাগে এইটো গুৰুত্বপূৰ্ণ বুলি ভাবে নে নেভাবে তেওঁলোকৰ কথা । আজি অসমৰ তৈলক্ষেত্ৰবিলাকৰ পৰা দুলীয়াজান, শিৱসাগৰ, লাকুৱা আদি ঠাইৰ পৰা ইতিমধ্যে অসমৰ প্ৰাকৃতিক সম্পদ অবাধে জ্বলি থকাটো আমি নিশ্চয় স্বচক্ষুৰে দেখি আছো । এই প্ৰাকৃতিক সম্পদসমূহ কেনেকৈ উদ্যোগমুখী কৰিব পাৰি এই বিষয়ে চৰ-কাৰে বিশেষ ব্যৱস্থা কৰিব লাগিছিল কাৰণ গেছ সংৰক্ষণৰ কাৰণে অসম চৰকাৰৰ দায়িত্ব আৰু কৰ্তব্য আছে । কিন্তু আজিলৈ চৰকাৰে তেনে কোনো বাস্তৱ ব্যৱস্থা লোৱা আমাৰ চকুত পৰা নাই । এতিয়ালৈকে পূৰ্বাঞ্চলত এন টি পি এছ, লাকুৱা আৰু অসম গেছ কোম্পানীৰ বাহিৰে সৰু সৰু গেছভিত্তিক উদ্যোগৰ বাহিৰে আৰু বেছি উদ্যোগ গঢ়ি উঠা নাই । হিন্দুস্তান ফাৰ্টিলাইজাৰ কৰ্পৰেশ্বন এটা ডাঙৰ উদ্যোগ গঢ়ি উঠিছে দুলীয়াজান, মৰাণ অ' এন জি চিৰ পৰা সংৰক্ষিত গেছেৰে তাৰ দ্বাৰা তেওঁলোকে সাৰ উৎপাদন কৰিছে । আৰু কিছু গেছ খৰচ হৈছে চাহ বাগিচাবিলাকত । কিন্তু গেছ সংৰক্ষণ কৰি ডাঙৰ উদ্যোগ গঢ়াত চৰকাৰে যিমান মনোনিবেশ কৰিব লাগিছিল সিমান কৰা দেখা নাযায় ।

মাননীয় অধ্যক্ষ : ৰুল ৩০১ মতে আপুনি মাত্ৰ বিষয়টো উত্থাপনহে কৰিব পাৰে, ব্যাখ্যা দিব নোৱাৰে । আপুনি আলোচনা কৰিব খুজিলে আৰু বেলেগ উপায় আছে ।

শ্ৰীকুসুম্বৰ টাইৰাই গগৈ : মই এটা কথাকে কব বিচাৰিছো, কিমান ৰিজাৰ্ভ গেছ আছে সেই বিষয়ে এটি তদন্ত কৰিবলৈ তদন্ত কমিটী কৰি দিব লাগে । মৰাণ, লাকুৱা আদিৰ যিবিলাক উদ্বৃত্ত গেছ সেইবিলাক প্ৰিজাৰ্ভ কৰি কেনে ধৰণৰ উদ্যোগ গঢ়িব পাৰি সেই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা এটা উত্তৰ পাম বুলি আশা কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো ।

শ্ৰীগুণীন হাজৰিকা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যৰ লগত একমত ।

প্ৰাথমিক তথ্য :

আমাৰ হাতত থকা তথ্যমতে অইল ইণ্ডিয়া লিমিটেড তেল / আৰু প্ৰাকৃতিক গেছ আয়োগে বৰ্তমান উৎপাদন কৰা গেছৰ পৰিমাণ ৬,৭৪৪ এম, এম, এছ, চি, এম, ডি। এই উৎপাদন ১৯৯০ চনত ৮,১১৪ এম এম এছ চি এম ডি লৈ বৃদ্ধি পাব।

বৰ্তমানে তলত উল্লেখ কৰা ধৰণে বিভিন্ন গ্ৰাহকক গেছ যোগান ধৰিবলৈ প্ৰতিশ্ৰুতি দিয়া হৈছে। (গেছ অ'থৰিটি অব ইণ্ডিয়া লিমিটেড ২৫।২।৮৯তাৰিখে দিয়া তথ্যৰ ওপৰত ভিত্তি কৰি)।

| গ্ৰাহকৰ নাম | প্ৰতিশ্ৰুত গেছৰ পৰিমাণ অইল ইণ্ডিয়া লিঃ | তেল মুঠ প্ৰাকৃতিক গেছ আয়োগ | এছ, চি, এম, ডি, বৰ্তমান | ১৯৯০ চনত |
|---|---|---|---|---|
| অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ | ৮০৪ | ৪৬৫ | ১২৬৯ | ১২৬৯ |
| হিন্দুস্থান সাৰ নিগম (১ আৰু ২) | ৯৭০ | ৪৫০ | ১৪২০ | ১৪২০ |
| হিন্দুস্থান সাৰ নিগম—৩ | ৭৯২ | — | ৭৯২ | ৭৯২ |
| অসম পেট্ৰোকেমিকেলছ লিঃ (১ আৰু ২) | ১৩৮ | — | ১৩৮ | ১৩৮ |
| হিন্দুস্থান পেপাৰ নিগম(তুলি) | — | ৯০ | ৯০ | ৯০ |
| চি, ই, এ, | — | ৪০০ | — | ৪০০ |
| ইণ্ডিয়ান অইল কৰপোৰেশ্যন (অসম অইল ডিভিজন) | ২২২ | — | ২২২ | ২২২ |
| চাহ বাগিচা আৰু অন্যান্য | ৩৬০ | ৫৩ | ৪১৩ | ৪১৩ |
| কঠালগুৰী পাৱাৰ প্লেণ্ট | ১০০০ | — | — | ১০০০ |
| মুঠ | ৪২৮৬ | ১৪৫৮ | ৪৩৪৪ | ৫৭৪৪ |
| আভ্যন্তৰীণ ব্যৱহাৰৰ বাবে (যেনে ৰি, ইন্‌জেকচন, কেপ্‌টিভ পাৱাৰ জেনেৰেচন আৰু এল, পি, জি, সংকোচন) | ২১০০ | ৩০০ | ২৪০০ | ২৪০০ |
| সৰ্বমুঠ | ৬৩৮৬ | ১৭৫৮ | ৬৭৪৪ | ৮১৪৪ |

১৯৯০ চনৰ পৰা ব্যৱহাৰ কৰিবলগীয়া প্ৰতিশ্ৰুত গেছৰ ৩০ শতাংশ অইল ইণ্ডিয়া লিমিটেড আৰু তেল আৰু প্ৰাকৃতিক গেছ আয়োগকে ধৰি নিৰ্দ্ধাৰিত গ্ৰাহকসকলে ব্যৱহাৰ নকৰা বাবে দিনে প্ৰায় ২ নিযুত ঘনমিটাৰ গেছ নষ্ট হয়। বৰ্তমান গেছৰ মূল্য প্ৰতি ১০০০ এছ, চি, এমত (৫০০.০০ + ৪০.০০ শুল্ক + ৭ শতাংশ অসম বিত্তীয় কৰ) ৫৭৭.৮০ টকা হিচাপে প্ৰতি দিনে নষ্ট হোৱা গেছৰ মূল্য হয় প্ৰায় ১১.৫৫ লাখ টকা। প্ৰতিশ্ৰুতি দিয়া ধৰণে গেছ ব্যৱহাৰ কৰিব পৰাহেতেন নাইবা গেছখিনি প্ৰস্তুতকাৰকে ভূ-গৰ্ভত সংৰক্ষণ কৰি ৰাখিব পৰাহেতেন অসম চৰকাৰে প্ৰতি দিনে প্ৰায় ১.৫৫ লাখ টকা উপাৰ্জন কৰিব পাৰিলেহেতেন।

## গেছৰ ব্যৱহাৰ

ব্যৱহাৰ কৰিব নোৱাৰা / ব্যৱহাৰ নোহোৱা / সংৰক্ষণ কৰিব নোৱাৰা বাবে পুৰি পেলোৱা এই মূল্যবান প্ৰাকৃতিক গেছৰ যথোচিত ব্যৱহাৰৰ অৰ্থে অসম চৰকাৰে বহু বছৰ ধৰি অসম ঔদ্যোগিক উন্নয়ন নিগমৰ নামত গেছ তথা নেপথো ক্ৰেকাৰ প্ৰকল্প স্থাপনৰ বাবে 'লেটাৰ অৱ ইন্টেণ্ট্' দিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰি আছে। বিভিন্ন মহলৰ পৰা এই বিষয়ত কেন্দ্ৰীয় চৰকাৰৰ লগত বাৰে বাৰে অনুৰোধ কৰি থকা সত্ত্বেও কেন্দ্ৰীয় চৰকাৰে উক্ত প্ৰকল্প স্থাপনৰ বাবে এতিয়ালৈকে "লেটাৰ অৱ ইন্টেণ্ট' মঞ্জুৰ কৰা নাই। ফলত আমি অবাৰতে পুৰি পেলোৱা এই মূল্যবান মিশ্ৰিত গেছ উপযুক্তভাৱে আহৰণ কৰিব পৰা নাই আৰু অইল ইণ্ডিয়া লিমিটেডেও তেওঁলোকৰ গেছ আহৰণৰ আঁচনি কাৰ্যকৰী কৰিব পৰা নাই।

অসম গেছ কোম্পানীয়ে প্ৰাকৃতিক গেছৰ পৰা প্ৰতি বছৰে ৪৫,০০০ টন ক্ষমতা-সম্পন্ন "এচিটিক এচিদ" উৎপাদন প্ৰকল্প এটা স্থাপনৰ বাবে লেটাৰ অৱ ইন্টেণ্ট পাইছে। তেওঁলোকে সম্প্ৰতি ধনশিৰি টি ইষ্টেট্ আৰু ইণ্ডাষ্ট্ৰিজ লিমিটেডৰ লগত চুক্তি সম্পন্ন কৰিছে আৰু ইয়াৰ বাবে এটা নতুন কোম্পানী স্থাপন কৰা বিষয়টো পৰীক্ষাধীন হৈ আছে। নাজিৰা, মৰাণ আৰু ভৱিষ্যতে ডিব্ৰুগড় আৰু তিনিচুকীয়াত ঘৰুৱা ব্যৱহাৰৰ বাবে গেছ পাইপ লাইন স্থাপনৰ বাবে চৰকাৰে বিবেচনা কৰি আছে। অলপতে অসম গেছ কোম্পানীয়ে পাইপেৰে গেছ যোগান ধৰিবলৈ সোণাৰী টি গেছ গ্ৰীডৰ লগত চুক্তি স্বাক্ষৰ কৰিছে। তেল আৰু প্ৰাকৃতিক গেছ আয়োগে যোগান ধৰিব পৰা গেছৰ সঠিক পৰিমাণ আৰু মানদণ্ডৰ ওপৰত ভিত্তি কৰি অসম গেছ কোম্পানীয়ে কাছাৰ / শিলচৰত ঘৰুৱা ব্যৱহাৰিক গেছ / টি গেছ গ্ৰীড স্থাপনৰ সম্ভাৱনীয়তাৰ বিষয়ে অনুসন্ধান কৰি আছে। এই সংক্ৰান্তত অসম গেছ কোম্পানীয়ে, ইতিমধ্যে তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ লগত যোগাযোগ কৰি আছে।

অসম পেট্ৰোকেমিকেলচ লিমিটেডৰ দ্বাৰা যুটীয়াভাৱে তেল আৰু প্ৰাকৃতিক গেছ আয়োগ আৰু অইল ইণ্ডিয়া লিমিটেডৰ সৈতে এটা বৃহৎ নিধানল প্ৰকল্প স্থাপনৰ বাবে অসম চৰকাৰে পেট্ৰোলিয়াম মন্ত্ৰণালয়ৰ লগত যোগাযোগ কৰি আছে। তেওঁলোকৰ সহাৰিৰ বাবে অপেক্ষা কৰি থকা হৈছে।

অসমৰ মুখ্যমন্ত্ৰী মহোদয়ে সম্প্ৰতি কেন্দ্ৰীয় গৃহমন্ত্ৰী মহোদয়ৰ লগত স্বাক্ষৰ কৰা এখন চুক্তিমতে "গেছ অথৰিটি অৱ ইণ্ডিয়া"ই মুখ্য পাইপ লাইন আমগুৰীত বহুৱাৰ বাবে সন্মত হৈছে আৰু অসম গেছ কোম্পানীয়ে পৰস্পৰ বুজাবুজিত উপ-পাইপ লাইন বহুৱাব। এই মূল্যবান প্ৰাকৃতিক গেছবোৰ উপযুক্তভাৱে ব্যৱহাৰ কৰিব নোৱাৰা পৰ্যন্ত ভূ-গৰ্ভত পুনৰ নিক্ষেপণ আৰু সংৰক্ষণৰ উপযুক্ত ব্যৱস্থা লবলৈ অসম চৰকাৰে পেট্ৰোলিয়াম মন্ত্ৰণালয় আৰু অইল ইণ্ডিয়া লিমিটেড / তেল আৰু প্ৰাকৃতিক গেছ আয়োগক অনুৰোধ কৰি আছে।

শ্ৰীহিৰণ্য বৰা : মাননীয় অধ্যক্ষ মহোদয়, মই যোৱাকালি বিতৰ্কত অংশ গ্ৰহণ কৰি এই চৰকাৰৰ জনজাতীয়সকলৰ প্ৰতি যি মনোভাৱ সেই মনোভাৱৰ বিষয়ে আৰু চৰকাৰৰ এই সমস্যা সমাধানৰ বাবে কোনো বাস্তৱ ব্যৱস্থা নাই, নীতি নাই বুলি কৈছো। আপুনি জানে যে ১৯৮৬ চনত এখন সভা পাতি দিছিল। কালিও মই এই কথাটো উল্লেখ কৰিছো যে শ্ৰীদুৰ্গা দাস বড়োৰ নেতৃত্বৰ সেই কমিটীখনে তন্ন তন্নকৈ সকলো কাগজ পাতি পৰীক্ষা কৰি চাই চৰকাৰে কৰণীয় কিছুমান কথাৰ অনুমোদন কৰিছিল। আচৰিত হব সেই অনুমোদন আজিও কাগজৰ পাতত আছে। কোনো পৰিৱৰ্তন হোৱা নাই। উপাধ্যক্ষ মহোদয়, আজি জনজাতীয় লোকৰ সমস্যা সমাধান কৰিবলৈ গৈ এই চৰকাৰৰ আশীৰ্বাদত জনজাতি এলেকাত কিছুমান অজনজাতি পৰিষদ গঠন কৰা হৈছে আৰু এই অজনজাতীয় পৰিষদবোৰে চৰকাৰৰ আশীৰ্বাদ পাই কিছুমান দলীয় কৰ্মী তাত সদস্য হল আৰু অজনজাতিসকলৰ কথাত জনজাতিৰ কথাটো বেছিকৈ প্ৰকাশ পাবলৈ ধৰিলে। ইয়াৰ ফলত জনজাতি আৰু অজনজাতিৰ মাজত ভুল বুজা-বুজি বেছিকৈ সৃষ্টি হ'ল। অজনজাতীয় পৰিষদে কোকৰাঝাৰ জিলাৰ এনেকৈ পোষ্টাৰ মাৰিছিল যে এজন যদি অজনজাতীয় লোকক মৰা হয় তেন্তে ১০ জন জনজাতীয় লোকক হত্যা কৰা হ'ব। ইয়াৰ পৰিণতিত দহ জনৰ পৰা ক্ৰমান্বয়ে আহি জনতা ভৱনৰ সন্মুখত দিশপুৰত এজন অসমীয়াক মাৰিলে এশ বড়ো মৰা হ'ব বুলি পুনৰাবৃত্তি হ'ল। দৃষ্টান্ত বহুত দিব পাৰি। তেখেতসকলে ইতিহাসৰ পৰা শিক্ষা লওক। ইতিহাসক সন্মান কৰক। যদি চায় দেখিব এই আন্দোলনটো আগৰ সেই অসমীয়া জাতি ৰক্ষাৰ যি আন্দোলন কৰিছিল সেই আন্দোলনৰ লগত বিজাব পাৰি। অসমৰ ছয় বছৰীয়া আন্দোলনত যেনেকৈ দলং, স্কুলঘৰ জ্বলোৱা হৈছিল, আন্দোলন বিৰোধিতা কৰা বুলি যেনেকৈ হত্যা কৰা হৈছিল সেই ধৰণে হৈছে। তেখেতসকলে কৈছিল এই আন্দো-

লনটো বিপথে পৰিচালনা কৰিবৰ কাৰণে দুষ্কৃতিকাৰীসকলে ষড়যন্ত্ৰ কৰিছে। এই একে কথা বড়ো ছাত্ৰ নেতাসকলে কৈছে যে শান্তিপূৰ্ণ আন্দোলনটো বিপথে নিবৰ বাবে কিছুমান দুষ্কৃতিকাৰীয়ে ষড়যন্ত্ৰ কৰিছে। এই কথা বিলাকৰ বাস্তৱ সত্য উপলব্ধি কৰিব লাগিব।

উপাধ্যক্ষ মহোদয়, গতিকে আমি এই গোটেই কথাবিলাক এটা বাস্তৱ সত্যত উপলব্ধি কৰিব লাগিব। মই কালিও এই কথা কৈছিলো, আপোনালোক যেতিয়া ছাত্ৰনেতা আছিল তেতিয়া বড়ো ছাত্ৰনেতা শ্ৰীউপেন ব্ৰহ্ম আৰু শ্ৰীপ্ৰেম সিং ব্ৰহ্মই আপোনালোকৰ লগত সহযোগ কৰিছিল। আপোনালোকৰ লগত সহাৰি জনোৱাৰ উপৰিও ওতঃপ্ৰোতঃ ভাৱে জড়িত হৈ আছিল। কিন্তু আজি তিনি বছৰৰ পাছত এনে বিদ্বেষ ভাব কিয় হ'ল? আঁতৰি কিয় গ'ল সেইটো ভাবি চাওক। উপাধ্যক্ষ মহোদয়, জনজাতিসকলৰ কথা ক'লে আজি অন্ত নপৰিব। আৰু এটা দেখিছো আটচা। এটা ভাল কথা হৈছে তেওঁলোকে স্বকীয় ৰাজ্য দাবী কৰা নাই। কিন্তু তেওঁলোকে কিছুমান দাবী লৈ আহিছে। সুখী হৈছো যে তেওঁলোকৰ সদস্যসকলে এই কথাখিনি লৈ মুখ্যমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ লগত আলোচনা কৰিছে। ঠিক তেনেকৈ এই সদনৰ জনজাতিসকলৰ সদস্যসকলক আহ্বান কৰিছো তেওঁলোকে আগবাঢ়ি আহক যাতে জনজাতিৰ সমস্যাৰ সমাধান হয়। ৰাজ্যপালৰ ভাষণত কৈছে যে এই চৰকাৰ গণতান্ত্ৰিক চৰকাৰ। কিন্তু মই দুখেৰে সৈতে কবলৈ আগবাঢ়িছো যে, গণতন্ত্ৰৰ ওপৰত কিমান দূৰ বিশ্বাস সন্দেহ আছে। বিৰোধী দলবিলাকে যেতিয়া সভা-সমিতি কৰিবলৈ যায়, শাসক দলৰ কিছুমান কৰ্মীৰ উচটনিত আমাক অপদস্থ কৰা হৈছে। যোৱা ১২ ডিচেম্বৰৰ দিনা কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ সংক্ৰান্তত উত্তৰ অঞ্চলৰ সকলোবিলাক জিলা কংগ্ৰেছৰ সভা হৈছিল। তালৈ কেন্দ্ৰীয় ২ জন মন্ত্ৰী আহিছিল। কিন্তু সেই সভা হবলৈ দিয়া নহল। কংগ্ৰেছৰ সভা পতাৰ কোনো অধিকাৰ নাই। এই ক্ষেত্ৰত আমি দেখিছো শাসক দলৰ সাধাৰণ সম্পাদকজনে উচটনি দিছে। আগতে যেনেকৈ পুলিচৰ অপব্যৱহাৰ হোৱা বুলি আপোনালোকে কৈছিল এতিয়া আপোনালোকৰ শাসন কালতো পুলিচৰ অপব্যৱহাৰ হৈছে। পুলিচে গাড়ীবিলাক ৰাখিছে সভালৈ যাতে মানুহ আহিব নোৱাৰে। আপোনালোকে যিখিনি কথা লৈ হাঁহিছিল সেই একেখিনি কথাই আপোনালোকলৈ বোকা ছটিয়াইছে। এই সকলোবিলাক কথাৰ প্ৰতি সাৱধান হ'ব লগা হ'ল। উপাধ্যক্ষ মহোদয়, মই সেই কাৰণে কৈছো লালুক আৰু তেজপুৰত যিখিনি সংঘটিত হ'ল ই গণতন্ত্ৰৰ পৰিপন্থী নহয়। আপোনালোকৰ জন্মদাতা সদৌ অসম ছাত্ৰ সন্থাই গণতান্ত্ৰিক দাবী উত্থাপন কৰিবলৈ আহোতে নিৰ্মমভাৱে প্ৰহাৰ কৰা হৈছে। আমি সুখী হৈছো যে গৃহমন্ত্ৰীয়ে তদন্ত কৰা হব বুলি কৈছে। কিন্তু তদন্তৰ শেষ নহয়। এইটোৱে গণতন্ত্ৰক বাধা দিয়া নাইনে? আৰু এটা কথা কব বিচাৰিছো যে, অসমীয়া ভাষা-সংস্কৃতিৰ নামত শঙ্কৰদেৱ পুৰস্কাৰ

দুজন ব্যক্তিক ১৯৮৬ চনত একলাখ টকাকৈ দিয়া হৈছিল। এতিয়া সেই বঁটাৰ বাবে উপযুক্ত লোক অসমত জন্ম হোৱা নাই নেকি? অসমীয়া সাহিত্য-সংস্কৃতি চুক্তিত লিখা আছে। মাদ্ৰাজৰ পৰা অনা গানোচা মন্ত্ৰীৰ ডিঙিত বা গাড়ীত ললে।

বাস্তৱ অনুভূতি আৰু ব্যৱস্থা লাগিব। কাৰ্বি আংলং জিলা পৰিষদৰ নিৰ্বাচনত আমি আৰু এ, জি পি হাৰিছো। আমি গণতন্ত্ৰক বিশ্বাস কৰোঁ। শাসক দলৰ প্ৰৰো-চনাত পৰি আমি ডিচট্ৰিক্ট কাউন্সিল ভাঙি দিব নকও। ডিফুৰ জনজাতীয় লোক-সকলে অসমীয়া লোকসকলক অজনজাতীয় লোক বুলি ভাবে আৰু এটা বেয়া ভাব পোষণ কৰিছে। নাটৰ সাসৰণিত এটা কথা আছিছে, কংসৰ ভয় হৈছিল আৰু ৰাজ্যখনৰ প্ৰত্যেক শিশুৰ মাজত কৃষ্ণৰ প্ৰতিচ্ছবি দেখিছিল। ঠিক তেনেকৈ শাসক দলে প্ৰত্যেক আন্দোলনত প্ৰত্যেক কথাত কংগ্ৰেছ আৰু কেন্দ্ৰৰ প্ৰতিচ্ছবি দেখা পাইছে। আৰু এটা কথা কব খুজিছো যে অসম চুক্তি স্বাক্ষৰিত হৈছিল ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভা-পতি ৰাজীৱ গান্ধী আৰু এ, জি,, পিৰ মাজত। কিন্তু এই দুয়োটা দলে আলোচনাত বহা নাই, কিভাৱে এই চুক্তিখন ৰূপায়ণ কৰা হ'ব। এই ক্ষেত্ৰত তেওঁলোকৰ সংকীৰ্ণ মনোভাৱ ওলাই পৰিছে। সমাজচ্যুত ব্যৱস্থা উঠাই লোৱা নাই। কংগ্ৰেছ আইক বিয়ালৈ মাতিবলৈ সাহস নাই। মুখ্যমন্ত্ৰী, গৃহমন্ত্ৰী আমি সকলোৱে বহিছো কিন্তু সেই সকলক মাতিবলৈ সাহস নাই। এইখিনিয়েই বাস্তৱ প্ৰতিচ্ছবিৰ কথা দাঙি ধৰি মই মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলোঁ।

**Shri Sarat Chandra Sinha :** Mr. Deputy Speaker Sir, may I refer to Governor's Address on the law and order situation in the State of Assam. Sir, according to the Governor the law and order situation in the State during the year is under control. Thereafter he negated it by making mention of the assults on moving vehicles and passengers, throwing of bombs, burning of houses and other forms of violence and crime that took place as a result of anti-social activities, particularly in Kokrajhar district and Udalguri Sub-division in the context of agitation. Sir, this has not correctly reflected the acutal state of affairs that exist in the State. Sir, the situation is more alarming than that. It is more explosive. What is happening in Kokrajhar district ? What is happening in Udalguri Sub-division ? Sir, we all want that there should be an end to all these violent activities and acts of terrorism. Sir, you would appreciate the situation is very grave and very dangerous, could you imagine, Sir, that even the trucks which were under the Police escort in the convoy of trucks were set on fire. Police could not protect the trucks which were in their custody. The Government have failed.

There is no administration. Or if it is there, it is not functioning. Roads have been damaged ; bridges have been burnt ; there is total dislocation of communication in the areas. By making some sub ways somehow communication has been restored, but when the rain will set in the entire district will get isolated ; there will be isolated pockets. Government must appreciate the danger that while it will be easy for the terrorists to operate from isolated pockets, administration will find it difficult to function. Government has not taken any steps to tackle such a situation. Sir, we want that there should be an end of it. How can we put an end to such a problem ? Sir, we have suggested that there should be immediate discussion. Those who are sponsoring the movement, should anyhow be brought to the negotiating table. We feel only by discussions the problem can be solved. This is a political problem. Government have to find out a political solution. It cannot be solved by use of force. It cannot be solved by the repressive measures. There is no other way of solving this problem. There is only one way, i.e., by negotiation. Government has the urgent need to state the negotiation to restore peace. On the other hand, the sponsors of the movement have to come up for the negotiation. Without negotiation how can they achieve their objective ? They also have the need for negotiation. So it is necessary on the part of both the parties to initate negotiation. Why then the negotiation is not taking place ? The sponsor of the movement want that there should be tri-partite discussions for finding a sclution. For solving this problem, there should not be any more delay in holding the tri-partite negotiation. The sooner the negotiation takes place, the better for us all. The moment the proposal for negotiation materialises, the sponsors of the movement will have to be pursuaded to suspend their agitational programme, even though, may be, temporarily. We would also urge upon the Government to stop police raids and with-hold repressive measures.

Sir, if such steps are taken, there will be an atmosphere in which negotiation can take place. Sir, the urgent need of the hand is to have the negotiation and we feel the negotiation can be held without any difficulty on the basis of tri-partite participation or may be bi-partite. Sir I should like to remind those who are now in the Government that they also once sponsored a movement. When they were in the movement they also had a discussion for the solution of the problem. That

discussion was bi-partite, The discussion was between the sponsors of the movement and the Government of India. They boycotted the State Government which they considered to be illegal. The State Government was by passed. All political parties were considered to be irrelevant. We did not mind. Though we were irrelevant at that time, we still insisted that, whether we are participant or not, that does not matter, but there should be negotiation between the sponsors of the movement and the Government of India. The negotiation took place. Now they are in the Government. They should not make a departure from their own committed stand. They should take the explosive situation of the State into consideration and they should not make delay, by making a departure from their own committed stand. Others may be wise, but the Government is the authority. It is not the people who can solve the problem. It is the Government that will have to do it,. More having the authority will not do. Government must exercise their authority tactfully to solve the problem. Sir, I am worry to find that the Government is not using their authority with tact. Tactlessly they are handling the situation. As a result, negotiation is not taking place. Sir, very often statements are made that there will be no further division of the State of Assam. We are also not for any further division of the State. We are already on the record. Government is already on the record that it is not for any further division of Assam. But Sir, every morning and every evening, should we go on making such statement ? By doing that, Government is only provoking the sponsors of the movement and vitiating the atmosphere. So far Government stand is absolutely clear. Now we are to create an atmosphere wherein negotiation becomes possible and it can take place. We should not make such irresponsible statements every day which will further vitiate the atmosphere for discussion.

Sir, I toured in the district of Kokrajhar and there I found that inspite of this turmoil there was a congenial atmosphere prevailing among the different ethnic groups living in the district. Unfortunately there are agent provocateurs and these agent protocateurs are trying to effect dissention and mistrust among different ethnic groups so that there may be communal flare up. I am not inclined to believe that the Government has a hand in it, but the circumstances are such the Government has been functioning such a way as to make us believe that it is in creating mistrust among different ethnic groups living in the district. Sir, if the

Government think that the problem can be tackled by creating mistrust among different ethnic groups and creating conflicts among them, they are entirely wrong. The problem will have to be solved by negotiation and not by creating ethnic mistrust or conflicts.

Sir, I have only one word and then I shall conclude. For the solution of the problem, understanding among different ethnic groups is necessary. I am happy to see that the sponsors of the movement are constituting Peace Committees so that there may not arise any conflict between different ethnic groups. There is understanding amongst them so that their movement succeeds. For the success of their movement they want ethnic understanding. For that purpose they are constituting Peace Committees with their own initiative. The Government seems not to be interested in constituting Peace Committees. Government is not interested in maintaining Peace among different section of people or in procuring the co-operation of the people. Without the co-operation of the people it would be very difficult for the Government to create an agreeable atmosphere for negotiation. I appeal to the Government to initiate steps for immediate negotiation—let it be a bi—partite— let it be a tripartite, but under any circumstance but in any circumstances the sponsors of the movement should be brought to the negotiating table so that all these violent activities and terrorism may come to an end and we can live in peace and devote ourselves for the development of the State. Now, Sir, all the development works have suffered and there will be no development at all, if the alts of violence and terrorisms continue. When violence and terrorism prevail in one part, other parts will also have to suffer. I, therefore, once again request the Government to take initiative again for negotiation. It is the bounden duty of the Government to initiate such negotiation without any further delay. Let it be either bi—partite or tripartite but the movement leaders must be brought to the negotiating table as early as possible. Sir, the sooner this is done, the better for us all. With these words, Sir, I conclude.

শ্ৰীহেমেন দাস : মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষণত অসমৰ সত্য জুইকুৰা অসত্যৰ কম্বলেৰে ঢাকি ৰখাৰ অপচেষ্টা কৰিছে। আজি অসমত যি জুই জলিছে, যি জুইৰ লেলিহান শিখাই মানুহৰ প্ৰাণ হানি কৰিছে, বহু ঘৰ বিনষ্ট কৰিছে তাক ৰাজ্যপালে দেখা নাই। যি জুয়ে অসমৰ সম্পদকেই ধ্বংস কৰা নাই অসমৰ বহু

প্ৰাণ হানি কৰিছে। আজি বিভিন্ন ঠাইৰ গ্ৰাম্যাঞ্চলবিলাকত মানুহৰ চকুত টোপনি নাই। ইয়াতকৈ পৰিতাপৰ কথা কি হ'ব পাৰে? সেই জুই অনিৰ্বাপিত হৈ আছে। আজি ইয়াৰ কাৰণ অনুসন্ধানৰ কোনো চেষ্টা নাই ৰাজ্যপালৰ ভাষণত। পৃষ্ঠা ১৩ত ৰাজ্যৰ আইন-শৃংখলাৰ পৰিস্থিতিৰ উল্লেখ কৰিছে; কিন্তু তাত বড়োসকলে যি দাবী লৈ আন্দোলন কৰিছে তাৰ কোনো কথা উল্লেখ নাই। এইটো অতি হাস্যাস্পদ কথা হৈছে। বাস্তৱক অস্বীকাৰ কৰি আমি বাচি থাকিব নোৱাৰো। সমস্যাক সমস্যা হিচাপে স্বীকৃতি দিয়া নাই। ৰাজ্যপালৰ ভাষণত "সমস্যাৰ" কথা আছে কিন্তু কি সমস্যা উল্লেখ নাই। আজি আবছুৰ নেতৃত্বত গঢ় দি উঠিছে বড়োলেণ্ডৰ সমস্যা। হাজাৰ হাজাৰ বছৰ আমি একেলগে আছো। দুখ লাগে যেতিয়া শুনিবলৈ পাওঁ আমাৰ জনজাতীয় ভাইসকল আমাৰ লগত নাথাকে। আজি তেওঁলোকে নিজকে অসমীয়া বুলি পৰিচয় নিদিয়ে। কিয়? এই বিষয়ে চিন্তা কৰিছেনে? ইয়াৰ উৎস অনুসন্ধানৰ চেষ্টা ৰাজ্যপালৰ ভাষণত নিম্নতমো নাই। যি বিলাক সমস্যা আছে সেইবিলাক স্বীকাৰ কৰিব লাগে। সমাধানৰ পথ বিচাৰিব লাগে। আজি অসমতেই নহয় গোটেই ভাৰতবৰ্ষতেই জনজাতীয় ৰাইজ শোষিত, বঞ্চিত হৈছে। যদি ৩।৪ হাজাৰ বছৰৰ ইতিহাস চাওঁ তেতিয়াও দেখা পাম জনজাতীয়সকল লাঞ্চিত, বঞ্চিত, শোষিত হৈ আছে। তেওঁলোকৰ মৰ্ম বেদনা চেষ্টা কৰিলে বুজিব। কিন্তু বুজিবলৈ চেষ্টা কৰা নাই। ইতিহাস বৰ নিষ্ঠুৰ। ধৈৰ্য থাকিব লাগিব। ইতিহাসে কৈ আছে। জনজাতীয় সমস্যা সমাধানৰ বাবে তেওঁলোকৰ ৰক্ষাৰ বাবে আজি ৪২ বছৰৰ আগতেই ট্ৰাইবেল বেল্ট কৰি দিয়া হৈছে, কিন্তু আজি সেই বেল্টবিলাক চেলবেল হৈ গ'ল। আজি এই নীতি ভঙ্গ কৰা হৈছে। নীতি ভঙ্গকাৰী এজনকো শাস্তি দিয়া হোৱা নাই। গতিকে তেওঁলোকে কৈছে যে যদি আমাৰ নিজৰ চৰকাৰ নহয় আমাৰ মাটি ৰক্ষা কৰিব নোৱাৰো। আজি জনজাতীয়সকলৰ একাংশই পি. টি চিয়ে "উদয়াচল" দাবী কৰিছে আৰু আবছুৱে বড়োলেণ্ড দাবী কৰিছে। অসমৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত বড়োলেণ্ড বিচাৰিছে। গতিকে এই সমস্যা সমাধান কৰাৰ বাবে আমাৰ দলৰ ফালৰ পৰা ইতিমধ্যে কোৱা হৈছে। আজি জনজাতীয়সকলৰ বাবে আঞ্চলিক স্বায়ত্ত শাসনৰ কথা চিন্তা কৰিব লগা হৈছে। অসমক খণ্ডিত হবলৈ নিদিয়াকৈ জনজাতীয়সকলৰ স্ব-অধিকাৰ ৰক্ষাৰ চেষ্টা কৰাৰ এটা ৰাস্তা আছে, তেওঁলোকৰ বাবে আঞ্চলিক স্বায়ত্তশাসন দিয়া। এই দাবী লৈ আজি চৰকাৰ আগবাঢ়ি অহা উচিত। কিহৰ ভিত্তিত আলোচনা হ'ব? সেই কাৰণে আমি আলোচনাৰ ভিত্তিত কৰিব লাগে বুলি কৈছো। আপোনালোকে এই সমস্যা সমাধানৰ বাবে সোনকালে আলোচনা কৰক। ময়ো সিংহ ডাঙৰীয়াৰ লগত একমত।

(ভইচঃ তেওঁলোক আলোচনালৈ মাতিলে নাহে)

আপোনালোকে আলোচনা কৰিব লাগিব।

আপোনালোকে যিদৰে আমাক ইৰিলেভেণ্ট বুলি কৈছিল কিন্তু সেই ইৰিলেভেণ্ট-সকলেই দিল্লীত ১৯৭১ চনক বিদেশী চিনাক্তকৰণৰ ভিত্তি বছৰ হিচাপে গ্ৰহণ কৰিছিল। মই আন এটা গুৰুত্বপূৰ্ণ বিষয়লৈ আহিছো। আজি যি জুয়ে ভয়াবহ হিচাপে আগ-বাঢ়িছে অৰ্থাৎ লেলিহান শিখাৰে আগবাঢ়ি আহিছে, সিংহ ডাঙৰীয়াই কোৱাৰ দৰে সম্প্ৰদায়ৰ মাজত সম্পৰ্ক বিনষ্ট হোৱা নাই যদিও হয়তো বিভিন্ন সম্প্ৰদায়ৰ মাজত সংঘৰ্ষ হ'ব পাৰে। আজি এমূৰত জুই জ্বলিছে আন মূৰৰ ঘৰ ভাঙিছে। এই ধৰণে নানা ধৰণৰ ঘটনা ঘটি আছে। এই জুই নুনুওৱাৰ কাৰণে চৰকাৰে যদি প্ৰশাসনৰ ওপৰতেই নিৰ্ভৰ কৰে, তেতিয়াহলে অসম ধ্বংস হ'ব। কাল বিলম্ব নকৰি কোকৰাঝাৰ, ওদাল-গুৰিৰ জনসাধাৰণৰ লগত আলোচনা কৰিব লাগে কিয়নো সেই অঞ্চলত আজি সাম্প্ৰ-দায়িক সংঘৰ্ষৰ কাৰণে প্ৰচাৰ চলাইছে। কোন কোন দলৰ কান কোন নেতাই সংগঠন কৰি আছে আমি কম, পিছত কম। আজি কিছুমান মানুহক সেইসকলে উত্তেজিত কৰি আছে। গতিকে আমি আশাকৰো এইটো যাতে পুনৰবাৰ হবলৈ নিদিয়ে, সম্প্ৰদায়ৰ সংঘৰ্ষ যাতে পুনৰবাৰ নহয়, জুই জ্বলোৱাটো যাতে বন্ধ হয়, এই জুই শিখাই ন-ন অঞ্চলত বিয়পিব নোৱাৰে তাৰ বাবে চৰকাৰে অন্ততঃ আজিৰ পৰাই ব্যৱস্থা লোৱা উচিত। কিন্তু এই কাম যদি প্ৰশাসনক দিয়ে একো নহ'ব। প্ৰশাসনে কেইবা ঠাইতো মন্তব্য কৰিছে, চাওতালে ওলাই আহিব পাৰে, তোমালোকে কিয় নোৱাৰা? গাৱঁত প্ৰশাসনে চাউল ৰেচন দিয়াটো বন্ধ কৰিছে, অত্যন্ত গুৰুতৰ অভিযোগ হৈছে। এই কাণ্ডবিলাক কৰাৰ ফলত উত্তেজনা সৃষ্টি হৈছে। গতিকে অনতিপলমে কোকৰাঝাৰ আদি ঠাইত সম্প্ৰীতিৰ চেষ্টা কৰক। পলম হলে বিপদ আহিব। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

**শ্ৰীহলিৰাম টেৰাং :** মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত বহুতো মাননীয় সদস্যই বহু ধৰণে ক'লে। যোৱা কালি আৰু আজি কংগ্ৰেছ দলৰ এগৰাকীয়ে যি ধৰণে কথাবোৰ কোৱাৰ আৰম্ভ কৰিছে আমাৰ সদনৰ সদস্যসকলৰ লগতে চৰকাৰ-খনকো ইতিহাসৰ শিক্ষা দিব খুঁজিছে। ১৯৪৭ চনত স্বাধীনতাৰ পিছত বগা চাহাব যোৱাৰ পিচতেই এতিয়ালৈকে মাজতে ২।৩ বছৰৰ বাহিৰে সম্পূৰ্ণ শাসনৰ ভাৰ কিন্তু কংগ্ৰেছ চৰকাৰৰ হাততেই আছে। সেয়েহে দেশৰ এই অৱস্থা। তেনেকুৱা দলৰ পৰা গণতন্ত্ৰ কি সেইটো শিকিব নেলাগে। অসম চুক্তি কংগ্ৰেছ আইৰ লগত হৈছে বুলি কৈছে। কাৰণ প্ৰধানমন্ত্ৰীৰ পদটো এনচেচ্‌টেল প্ৰপাৰ্টি বুলি ভাবি লৈছে নেকি কব নোৱাৰো। ইন্দিৰা গান্ধী প্ৰধানমন্ত্ৰী আছিল কাৰণেই যে পুতেকো প্ৰধানমন্ত্ৰী হ'ব লাগিব এই চিন্তাধাৰাৰ বাবেই ৰাজনৈতিক দিশত এই অৱস্থাৰ সৃষ্টি হৈছে। আজি বড়ো সমস্যাৰ কথাই কওক, দেশৰ অৰ্থনৈতিক সমস্যাৰ কথাই কওক, গোটেইখিনি এই

অপশাসনৰ কাৰণেই হৈছে। বৰ্তমান অসমত বড়ো আন্দোলনে দেখা দিছে। এই সমস্যাৰ কথা আমি এই সদনত কৈছিলো যে, ইয়াৰ এটা ৰাজনৈতিক সমাধান হ'ব লাগে। আৰু যি শক্তি এনে হিংসাত্মক কাৰ্যত লিপ্ত আছে তেনে শক্তিক উদণ্ডাই দেখুৱাব লাগে তেনে ব্যক্তিক শাস্তি বিহিব লাগে। লগতে প্ৰশাসন যন্ত্ৰত যিসকল দোষী বিষয়া আছে, চৰকাৰী কৰ্মচাৰী আছে তেওঁলোকক শাস্তি দিব লাগে। উদাহৰণস্বৰূপে বিভিন্ন ধৰণৰ কাগজ পত্ৰই হওঁক, সদনতেই হওঁক, লৈ আনিছে সেই সম্পৰ্কত চৰকাৰে উচিত ব্যৱস্থা লব লাগে। কিন্তু আৰু এটা কথা আমি মানি লব লাগিব যাতে ৰাজনৈতিক সমাধানো হয়। অৰ্থাৎ আমাৰ সমস্যা সমাধান কৰিবলৈ যাওঁতে মতভেদ হব নেলাগিব। দিয়া আৰু লোৱা ৰাজনৈতিক কথা আমি কিছুমান ৰাজনৈতিক ক্ষেত্ৰত কিমান দিব পাৰিম আৰু কিমান লব পাৰিম এইটো কৰিবলৈ যাওঁতে সম্পূৰ্ণ এটা খোলা মনেৰে আলোচনাত বহিব লাগে। কিন্তু আন্দোলনকাৰী সংগঠন আবছুৰ লগত কিছুমান শক্তিও আছে। কাগজে-পত্ৰেও বহুতো কথা ওলাইছে। শক্তিশালী কেন্দ্ৰীয় মন্ত্ৰী এজনৰ মতে ঘনিষ্ঠ আকৃচা প্ৰদীপ দত্তয়ে শ্ৰীউপেন ব্ৰহ্মক কাছাৰ, কৰিমগঞ্জ, কলিকতা আদি ঠাইলৈ নি কংগ্ৰেছ (ই) সমাৰোহত ভাষণ দিয়াইছে। গতিকে কংগ্ৰেছ (ই) দলৰ যে এই আন্দোলনত হাত নাই এইটো কব নোৱাৰে। এতিয়া আবছু আৰু অসম চৰকাৰৰ লগত আলোচনাৰ পৰিবেশ সৃষ্টি কৰিবলৈ হলে কংগ্ৰেছ আই দলে তেওঁলোকৰ মানুহক বেচট্ৰেইনট্ কৰা উচিত।

মাননীয় উপাধ্যক্ষ মহোদয়, কাৰ্বি আংলংতো এটা আন্দোলন চলি আছে। আৰু আন্দোলনকাৰী সংগঠনৰ লগত অসম চৰকাৰে এটা ঘোষণা পত্ৰ হৈছিল আৰু মাজে মাজে আলোচনাত বহিছিল। তাঁতো বহুতো অশুভ শক্তি আছে। বিৰোধী দলৰ সদস্য এগৰাকীয়ে বাৰে বাৰে ডিফুৰ কথা কৈছে। ডিফুৰ ডিষ্ট্ৰিক কাউন্সিল হল আৰু এতিয়া সাম্প্ৰদায়িক সংঘৰ্ষ সৃষ্টি কৰিবলৈও চেষ্টা কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া পাহাৰীয়া জিলা দুখনৰ কথা কবলৈ ওলাইছো, এই দুখন জিলাৰ কথা কবলৈ ধৰোতে 'হিল এৰিয়াজ ডিপাৰ্টমেণ্টৰ' কথা মনলৈ আহে। ৰাজ্যপাল মহোদয়ৰ ভাষণত এইছ, এ, ডি বিভাগৰ কথা উল্লেখ নাই। অৱশ্যে চয়ল কনজাৰ্ভেচন আৰু অন্যান্য দুই-এটা শিতানত এইছ, এ, ডিৰ কথা কিছু উল্লেখ আছে। কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ জিলাৰ কাৰণে বেলেগে বাজেট উত্থাপন কৰে। গতিকে ৰাজ্যপালৰ ভাষণত তাৰ বেলেগে উল্লেখ থাকিব লাগিছিল। উপাধ্যক্ষ মহোদয়, ১৯৭১ চনত যেতিয়া মেঘালয় ৰাজ্য সৃষ্টি হৈছিল তেতিয়া কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ জিলাক সোধা হৈছিল যে তেওঁলোক অসমৰ ভিতৰত থাকিব নে মেঘালয়ত থাকিব ? তেতিয়া অসমৰ ৰাজনৈতিক নেতাসকলে তথা চৰকাৰে তেওঁলোকক অধিক ক্ষমতা দিম বুলি কৈ অসমৰ ভিতৰত ৰাখে। চিক্স চিডিউলৰ চাব পেৰা ২ মতে তেওঁলোকক অধিক ক্ষমতা

দিয়া হৈছে। কৃষি, চয়ল কনজাৰভেচন আদি কিছুমান বিভাগ জিলা পৰিষদক এনট্ৰাষ্ট কৰি দিয়া হৈছে। আজি ১৮ বছৰে যি ৰাজনৈতিক দলেই জিলা পৰিষদত নাথাকক কিয় তেওঁলোকক যি কেইটা বিভাগ এনট্ৰাষ্ট কৰি দিয়া হৈছে, তাৰ যি শাসন ব্যৱস্থা ইয়াৰ দ্বাৰা জিলা দুখনৰ উন্নতি হোৱা নাই, হ'ব নোৱাৰে। আজি এই জিলা দুখনৰ প্ৰতি যেন অসম চৰকাৰৰ কৰ্তব্য নাই—এনে ভাব দেখা গৈছে। আজি এই পাহাৰীয়া জিলা দুখনৰ কাৰণে ভাৰত চৰকাৰ বা অসম চৰকাৰে যি টকা দিয়ে তাৰে শতকৰা ১০ ভাগহে জিলা দুখনত থাকে বাকী ৯০ ভাগেই বাহিৰলৈ ওলাই যায়। এই 'ডায়ৰেকী' সকলো সময়ৰ কাৰণে বন্ধ কৰিব লাগে। আজি এই জিলা দুখনৰ কিবা এটা কামৰ কাৰণে যদি বিভাগীয় বিষয়াৰ ওচৰলৈ যোৱা হয়, তেন্তে তেওঁ কয় জিলা পৰিষদৰ ওচৰলৈ যোৱা আৰু যদি জিলা পৰিষদৰ ওচৰলৈ যোৱা হয় তেন্তে তেওঁলোকে কব বিষয়াৰ ওচৰলৈ যোৱা আৰু এনেকৈয়ে কোনো কাম নহয়। আচলতে এওঁলোক কাৰ ওচৰত জবাবদিহি হব লাগে? এই জবাবদিহি হোৱাৰ ব্যৱস্থা থাকিব লাগে। ছাৰ এনে এটা গুৰুত্বপূৰ্ণ বিষয় ৰাজ্যপালৰ ভাষণত ঠাই পাব লাগিছিল। আৰু এটা কথা ৰেহাই মূল্যৰ চাউল যোগানৰ ব্যৱস্থাৰ কাৰণে মই এই সদনত আগতেও উল্লেখ কৰিছিলোঁ। ভাৰত চৰকাৰৰ এটা নীতি আছে জনজাতীয় অঞ্চলত ৰেহাই হাৰত চাউল যোগান ধৰাৰ ব্যৱস্থা আছে। প্ৰতি কিলোত বোধকৰো ১.২৫ পইচাকৈ। অসমৰ ভৈয়াম অঞ্চলৰ টি, এচ, পি এলেকাবোৰত এই ৰেহাই হাৰত চাউল যোগান ধৰাৰ ব্যৱস্থা আছে, কিন্তু কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাহাৰত নাই। আজি এই পাহাৰীয়া জিলা দুখনত জনজাতি লোক নাই বুলি চৰকাৰে ভাবিছে নেকি? অসম চৰকাৰৰ যোগান বিভাগৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ যোগান বিভাগলৈ এই ৰেহাই মূল্যৰ চাউল দিয়া সম্পৰ্কত এখন চাৰ্টিফিকেট পঠাব লাগে, চাৰ্টিফিকেটখন অসম চৰকাৰৰ পৰা পালে কেন্দ্ৰীয় চৰকাৰে আজি ইমান বছৰে পোৱা নাই।

( সময়ৰ সংকেত )

মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰে এই বিষয়টো নোট কৰিব লাগে। মই এতিয়া বেকলগৰ কথা কওঁ—এচ, টি আৰু এচ, চিৰ কাৰণে অসম চৰকাৰৰ ১০ হেজাৰ বেকলগ আছে। প্ৰমোচন বেকলগ আছে ৭ হেজাৰ। এইখিনি পূৰণৰ কাৰণে চেষ্টা কৰিব লাগে। চৰকাৰে লেণ্ড ৰেভিনিউৰ চেপ্তাৰ টেন চোৱা মেলাৰ কাৰণে এজোনকৈ এ, ডি, চি দিছে। কিন্তু এই এ, ডি, চি জনো চৰকাৰৰ নিয়ন্ত্ৰণত, ক'ৰবাত আইন-শৃংখলাৰ পৰিস্থিতি দেখা দিলেই তেওঁক তালৈ লৈ যোৱা হয়। ফলত চেপ্তাৰ টেনৰ কাম-কাজবোৰ ঠিকমতে কৰা নহয়। চেপ্তাৰ টেন ইমপ্লিমেণ্ট কৰিবলৈ দিয়া এ, ডি, চি জনক আন কামৰ দায়িত্ব দিব নেলাগে। চৰকাৰে এই বিষয়টো চাব লাগে। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

Shri Silvius Condpan : Mr. Deputy Speaker, Sir, while supporting the amendment put forward by the Deputy Leader of Congress(I) Mr. Mazumdar, I would like to make a few observations. Sir, in course of the debates on the Governor's Address we have come across that a few members from the Treasury Benches have been blaming the Congress (I) alleging their involvement in the ABSU agitation and so far Sir, they have been making passing remarks alleging the involvement of Congress(I), but they have failed to prove till to-day with evidence that Congress(I) has got anything to do with the ABSU agitation. This Government has got every scope to go to the Centre which is ruled by Congress(I) party and tell them that their party in Assam is involved and behind the aggitation of ABSU. But they have no moral courage to say so. They have also alleged the Centre in this matter. So this kind of blame to Congress (I) or any other party, is nothing but to cover up the lapses of the ruling party and the Government to solve the problem of the ABSU. Sir, what the people of Assam are now telling is that how long this Government and the ruling party people will carry on with deceiving tactics and misgiving propoganda to misguide the people of Assam to cover up their lapses. Therefore, Sir, I would request the leader of the House and the members of the ruling party to restrain themselves from charging the Congress(I) party without any evidence and without any proof. Sir, the ruling party has sought the co-operation of the Congress(I) and other opposition parties to solve the problem but they have, on the other hand, balamed the Congress(I) of having covert support to the present agitation. Sir, let us not unncessary blame one another. Sir, why this Govt. do not say that they do not want bring Cong.(I) in the round table conference. Sir, they have no courage. I say, Sir, they have no moral courage. Sir, I would request the leader of the House to request his members to restrain themselves from charging the Congress(I). Secondly, Sir, regarding the law and order situation in the State, it has been highlighted by our members from the opposition group. I also subscribe to their views and request the Governments to take appropriate action so that the situation does not aggravate. Sir, my next point is regarding expulsion of the foreig-

ners. Sir, we have, in this House, have been hearing a lot regarding expulsion of foreigners. Now, more than three years have past and in these three years our youthful Government have expelled many foreigners as per their commitment to the people. Sir, now we want to have a white paper regarding the achievement made by this Government in the matter of expulsion of foreigners during these three years so that our people can know what this Government has really done and achieved in expelling the foreigners. Sir, they should give in the white paper details, villagewise, thanawise and districtwise so that we are able to know that at least some achievements have been made by this Govt. in the course of implementation of the Assam Accord. Sir as you know, out of the total population in Assam 25 per cent of the population belong to the tea-garden and ex-teagarden tribes of Assam. Sir, it is a pity that the Governor in his address to the House excepting one or two sentences has mentioned nothing. Sir, there is no mention as to what the Government has done during the earlier years for this Community. Sir, because of the apathetic attitude of this Government towards this community, the tea-garden youth which had worked in Association with AASU during the last six years of agitation in the State have been forced to take the path of agitation. These youths, Sir, were trained by AASU once. Sir, they have now 41-charter of demands. Of course, they do not want a separate State or language. We want to stay within the four wall of Assam because we think we are the part and parcel of Assam population and we want that our problem must be looked into or paid attention to by the Government for our upliftment. Sir, I would request the Government to kindly examine the demands put forward by the AATTSA. I am not a spokesman of AATTSA but I belong to that community and it is my bounden duty to plead the case which would be possibly solved by this Government without any hesitation. Sir, lot of things have come up before this House. We have come to know that Assam is facing serious financial crisis. But, Sir, in the address of the Governor there is no mention as to what unforeseen sectors money has been spent for which Government have to face the financial crisis and what steps they are going to take to improve the financial position of the State, except some details in the budget speech. I am discussing the Governor's address. Sir, nothing has been men-

tioned clearly in the Governor's address for what reason the State has been compelled to face the financial crisis. Sir, the people of Assam want to know why the Government is at the stage of bankruptcy. Sir, I hope in the course of replies a definite and a distinct picture will be given by the Hon'ble Minister so that we will be able to know in what sectors and what amount of money has been spent leading the State to the state of bankruptcy,. Secondly, Sir I want to know what socioeconomic measures have been taken by the Gov enment for the upliftment of the labour community in Assam and what has been done during the previous years for these people. A tea-labour cell was opened by the previous Government to look after the welfare of these people. This Government have, during the last three and half years instead of taking any welfare measure, made this cell ineffective. The officer posted to the Cell has been suspended and nobody has been posted in his place to work for the welfaie of the tea labourers. Sir, the Directorate of Elementary Education during the last three year has done nothing for the spread of education or encouraging the people for education. Sir, there was one Assistant Inspector of Schools posted for the purpose but he was dismissed and nobady from this community was brought in. Secondly, there were 13 Sub-Inspector of schools appointed by the previous Govt. Sir, instead of incresing the number of SI of schools the Asstt. Inspector of schools have been dismissed by this Govt. Sir, this is the state of affairs and the welfare measures taken by this Govt. for the welfare of tea garden labour community which comprises 25 per cent of the total population of Assam who have contributed much to the Assamese culture and language. Sir, I request the Govt. to look into matters which I have mentioned and with these few works I conclude my speech.

* **Mr. Speaker** : Now Shri Padma Nath Koiri.

শ্ৰীপদ্মনাথ কৈৰী : মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষণৰ অন্তৰ্গত এষাৰ কথাৰ প্ৰতি মই আলোকপাত কৰিব খুজিছোঁ,—"এইটো বৰ উৎসাহজনক কথা যে, মাত্ৰ তিনিটা বছৰৰ ভিতৰতে এই যুৱ চৰকাৰখনে গতিশীল আৰু সুদৃঢ় নীতিৰে ৰাজ্যখনক উল্লেখযোগ্যভাৱে সৰ্বাঙ্গীন উন্নতিৰ পথেদি আগুৱাই নিব পাৰিছে। মই নিশ্চিত যে আগন্তুক দিনবোৰত আমাৰ চৰকাৰৰ আন্তৰিক আৰু অবিৰত প্ৰচেষ্টাই অধিক উন্নয়ন সাধন কৰি এই মনোৰম ৰাজ্যখনক অধিকতৰ সমৃদ্ধিৰ পিনে আগুৱাই নিব।"

---

* Speech not corrected

ৰাজ্যপাল মহোদয়ে অসমৰ বিগত দিনবোৰৰ যি এখন বঙীণ ছবি কামনা কৰিছে তাৰ কাৰণে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছোঁ। কিন্তু বাস্তৱত কি হৈছে সেই কথাটো আমি অনুধাৱন কৰি চাব লাগিব। ৰাজ্যপাল মহোদয়ে গোটেই অসমীয়া জাতিটোকে প্ৰতিনিধিত্ব কৰিছে। তেখেতৰ এই কথাষাৰ গোটেই অসমীয়া জাতিটোকে কেন্দ্ৰ কৰি কোৱা কথা। আৰু এই সদনত আজি গোটেই অসমীয়া জাতিটোৰে প্ৰতিনিধি আছে। সঁচাকৈয়ে যদি আমি অসম ৰাজ্যখনৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰো, তেতিয়া হলে আমি সকলোৰেই ৰাজ্যপাল মহোদয়ৰ এই ভাষণখনক আন্তৰিকতাৰে গ্ৰহণ কৰিব লাগিব। একেটা অসমীয়া জাতি বুলি আমি সকলোৰেই আন্তৰিকতাৰে কাম কৰিব লাগিব। অসম চুক্তিৰ নামত ভাৰতীয় নাগৰিকক 'হাৰাচমেণ্ট' কৰা হৈছে বুলি সমালোচনা কৰা হৈছে। 'হাৰাচমেণ্ট' হ'বই। পুলিচে মোক দৰ্কাৰ হলে এবাৰ নেলাগে এশ বাৰো মাতিব পাৰে। যি উদ্দেশ্যৰে মাতিছে তাৰ যদি আচল তথ্য দিব পাৰো তেতিয়াহলে মোক আৰু নেমাতে। গতিকে কথাবোৰ হৈছে তেনেকুৱাই। গতিকে এনেকুৱাবিলাক কথাকে 'হাৰাচমেণ্ট' হৈছে বুলি এক সন্ত্ৰাসৰ সৃষ্টি কৰিব খুজিছে। সমস্যা সমাধানৰ কাৰণে আমি উভয় পক্ষকে লৈ যোৱাটো কামনা কৰো।

অসম চুক্তি অনুসৰি ৰাজ্যপাল মহোদয়ৰ ভাষণখনত সংহতিৰ কথা কোৱা হৈছে। এই ক্ষেত্ৰত এখন সমিতি বনাই দিছে যদিও সেই সমিতিৰ বৈঠক আজিলৈকে বহা নাই। সংহতিৰ নামত স্বাধীনতাৰ দিনৰে পৰা আমাৰ মাজত কেৱল বিশৃংখলতাইহে দেখা দিছে। তাৰ উৎকৃষ্ট প্ৰমাণ হৈছে, এখন চাহ বাগানলৈ যদি এজন অসমীয়া মানুহ গৈছে তেখেতক কব অসমীয়া মানুহ বুলি, এজন কুলি মানুহ আহিলে তেওঁক কব কুলি বা বঙালী বুলি। এই মানসিকতাৰ সৃষ্টি হ'ল কিয়? এইটো আমি নাইকিয়া কৰিব লাগিব। (বেল)

মাননীয় উপাধ্যক্ষ মহোদয়, সংস্কৃতি বুলিলে অকল নাচ-গানকে নধৰে। কীৰ্তিচিহ্ন-বিলাককো এই সংস্কৃতিৰ ভিতৰতে ধৰিব লাগিব।

উপাধ্যক্ষ মহোদয়, যোৱা দুবছৰৰ আগতে এজন মাননীয় বিধায়কে গাওমৌ থানৰ কথা উল্লেখ কৰি কৈছিল, তাৰ সংৰক্ষণৰ ব্যৱস্থা আজি পৰ্যন্ত নহ'ল। শিক্ষামন্ত্ৰী মহোদয়ে কৈছিল যে এইটো লোৱা হৈছে কিন্তু এতিয়ালৈকে কোনো সতৰ্কতা অৱলম্বন কৰা দেখা পোৱা নাই। তাৰ পিছতে আমাৰ জন্ম ঠাইত থকা গড়টো স্বৰ্গদেউ প্ৰতাপ সিংহৰ দিনত সজা গড়। কিন্তু এতিয়া গড়ৰ ওপৰত চাহগছ আৰু নলা খান্দি শেষ কৰিব ধৰিছে। তাৰ কাৰণে কোনো ব্যৱস্থা বাগান কৰ্তৃপক্ষ বা জিলা প্ৰশাসনে লোৱা নাই। ৰাজ্যপালৰ ভাষণৰ ওপৰত আলোচনা কৰিবলৈ গৈ এইটো দেখা গৈছে যে ৰাজ্যপাল মহোদয়ে ভাষণত সকলো দিশকে আঙুলিয়াই দিছে যদিও বহুত কথা উল্লেখ কৰা নাই। আজি চাহ বাগানৰ বনুৱাসকলে প্ৰাপ্য নোপোৱাৰ কাৰণে দাবী উত্থাপন

কৰিছে। তেওঁলোক বঞ্চিত বুলি উপলব্ধি কৰিছে আৰু সেয়ে প্ৰাপ্য পোৱাৰ দাবীত আগবাঢ়ি আহিছে। চাহ বাগানত পাঁচ লাখ মানুহ শ্ৰমিক হিচাপে আৰু প্ৰায় দহ লাখ মানুহ কেজুৱেল বনুৱা হিচাপে আছে। কিন্তু তেওঁলোকক চৰকাৰৰ তৰফৰ পৰা বা কোম্পানীৰ তৰফৰ পৰা কোনো সা-সুবিধা দিয়া হোৱা নাই। কৃষি বনুৱাৰ ক্ষেত্ৰত ১৯ টকা ধাৰ্য কৰিছে যদিও তেওঁলোকৰ ক্ষেত্ৰত কোনো বেতন নিৰ্দ্ধাৰণ হোৱা নাই। এইবিলাক কাৰণতেই 'আটচা' নহলেও সকলো বনুৱা সম্প্ৰদায়ৰ লোকে উপলব্ধি কৰিব পাৰিছে যে তেওঁলোক বঞ্চিত হৈ আছে। এইবিলাক কথা ৰাজ্যপালৰ ভাষণত সন্নিবিষ্ট হোৱা নাই। এইবিলাকলৈও অলপ লক্ষ্য ৰাখিলে ভাল হ'লহেঁতেন।

( সময়ৰ সংকেত )

মাননীয় উপাধ্যক্ষ: আপুনি শেষ কৰক।

শ্ৰীপদ্মনাথ কৈৱী: বিদ্যুৎ যোগান ধৰাৰ কথা কৈছে যদিও আচলতে বিজুলী বাতি জ্বলা নাই। বাতি বিজুলী বাতি জ্বলিব লাগে কিন্তু বিজুলী আহে দিনতহে, তাকো মাত্ৰ এঘণ্টামানহে। এইবিলাক কথা বাস্তৱত ৰূপায়িত কৰিবলৈ সঠিক প্ৰচেষ্টা লব লাগে। অৱশ্যে এইটো ঠিক যে ভাষণখনত সকলোবিলাক কথা সন্নিবিষ্ট কৰিব পৰা সহজ নহয় কিন্তু ভাষণত উল্লেখ নকৰিলেও সকলোবিলাক বাস্তৱ কথা চিন্তা-চৰ্চা কৰি বাস্তৱত ৰূপায়িত কৰাৰ কাৰণে চেষ্টা কৰিব লাগে। সৰু কিতাপ এখনত সকলোবিলাক কথা সোমাব পৰা নহ'ল বুলিয়েই বাস্তৱ কথাবিলাক ৰূপায়ণ কৰিবলৈ প্ৰচেষ্টা লব নালাগিব সেইটো হ'ব নালাগে।

( সময়ৰ সংকেত )

এইখিনিকে কৈ ৰাজ্যপালৰ ভাষণৰ ওপৰত সমৰ্থন জনাই ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণী মাৰিছোঁ।

**Sri Santi Ranjan Dasgupta** : Mr. Deputy Speaker Sir, supporting the amendment moved by our side I will dwell only on two subjects. Sir, about the movement of the ABSU it is my firm opinion that Police should not be allowed to go as they like. Matters which require political decisions should not be left in the hands of the Police. That is my firm opinion and that has been conveyed by many other Hon'ble Members in this august House. From the discussion in this House it has been revealed that everything is not going well in the Udalguri Sub-division area or in Kokrajhar District area. The activities of the Police cannot at all be suported and Government should not allow Police to go as they like. I shall not go much into the details about this.

Now Sir, I am going to the next Subject—Autonomous State Demand Movement in the Karbi Anglong District. About this Hon'ble Member Shri Hali Ram Terang has mentiones that when Meghalaya

was created they were allowed either to join Meghalaya or to remain with Assam. I was a Member of this august House at that time. I remember Sir, it is because of the personalities of late Jay Bhadra Hagjar and Chatra Singh Terong, these two districts, Karbi Anglong and N. C. Hills, remained with Assam. So Sir, that matter should have been included in the Governor's Address. There is not a single word about this Karbi Anglong District Autonomous State Demand Committee. About this and ABSUS demand, also there is nothing mentioned in the Governor's Address. Only law and order situation has found place in the Governor's Address.

Now Sir, I will dwell on the harassment of Indian citizens. The Governor in his Address said nothing about the enquiries made under Foreigners' Act or under IMDT, how many enquiries were made. But in the last year's Address it said till 16th March 1988 under Foreigners' Act more than 2,50,000 thousand cases were enquired by police and under IMDT, more than 80 thousand cases were enquired but this year, within this one year from 16th March 1988 to 16th March 1989, how many enquires have been made not stated, Nothing has been stated here. But we find that out of total enquires made only 27 thousand cases have been referred to the Foreigners' Tribunals and 12 thousand cases have been referred to the Illegal Migrants (Determination) Tribunals. Sir, when these lakhs and lakhs cases have been enquired by the police, I think, everybody will agree and the Home Minister will also agree and the Minister for Implementation of Assam Accord will also agree what is meant by the police enquiry, enquiries are neither innocent more without torture I do not undesrstand how the Members of the AGP can forget this so quickly. By their six years movement they know what is meant by police enquiry, they have the experience and they have the idea of police enquiry. So sir, in his Address for 1989, the Governor has said that while implementing the Assam Accord, the Government will see "that no Indian citizen is harassed." Then sir, when lakhs and lakhs of cases were enquired into by the police and only a few cases have been referred to the Tribunals and out of which also a very nominal cases have been decided either by the Foreigner's Tribunal or by IMDT.

What does it mean, Sir ? Why the lakhs of people will be harassed in this way ? Sir, I know a case of Bilasipara It would have been better if Hon'ble member Shri Sarat Sinha have been present here. One daughter-in-law was declared as foreigner. But as the Police did not find the daughter-in-law there, the mother-in-law was harassed by Police and driven out from the State. Sir, Lalit Mohan Deb his wife Mantoo Bala Deb with Daughter MayaRani Deb entered India in 1951 and

sworn an affidavit in the Court of 1st Class Magistrate, Nagaon in the year 1955 .4 Illegal Migrant case have been Registered against them being 1191/88, 1189/88, 1180/88 and 279/88 at Nagaon. In each case the names of all the Mambers of the family were included. There was no case against Mantoo Bala Deb. One Labanya Prova Dey has been described as so called wife of Lalit Mohan Deb. In all the cases. The per sons appeared in one case, other gone by default. Entire Family has been declared Foreigner and Mantoo Bala was also declered Foreigner though there was no case against her and though entire Member of the family are Indian Citizens. Where there are 10 members in the family cases are lodged against all the ten members of the family separately including of the names of all in each case. I have got very many cases of this nature. It is a new device, I do not know from whose brain it came out. If there are 20 members in the family, cases are lodged against all the 20 members separately and names of every member of the family is including each case. I do not know whether this is a policy followed by the AGP Government or by the Minister of implementation of Assam Accord or whose policy it is or it is a device made by the Police. The persons attend one or two cases, other go by default. So, Sir, this is a serous thing. People are harassed in this way in the name of implementation of the Assam Accord. These are the things going on for which I draw the attention of the Hon'ble Chief Minister of Assam, Home Minister of Assam, the Law Minister of Assam and the Implementation of Assam Accord Minister. Sir, stop it, do not make so much oppression the poorest people. People are suffering from cancer and very many other diseases, are not spared, They should not be harassed in this way. This harassment is going on unabeted. Government must stop this harassment. We, as public representative of minority dominated areas, become completely helpless when hundreds and thousand of people approach us in which there are old men, women and the poorest people. Sir, stop this harassment at any cost. Oppression on humanity does not go unrewarded, mind that. If cases are lodged against all the 20 members of a family and if they are harassed like anything, what can be said, Sir. We have records with us. This is happening everywhere, Sir. Even in case of refuges. There is a provision in the law that those who have entered into India out of fear or due to disturbances in Pakistan, they should not be disturbed and sent out of India. This is the law of the country. This law is not being honoured at all. I appeal to the Government to solve the Bodo problem politically not by using Police, to solve the Karbi Anglong Autonomous State problem by negotiation and not to make harassment on the Indian people.

Thank you, Sir.

* শ্ৰীমুক্তাৰ হুছেইন : মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১৬ মার্চ তাৰিখে অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে আমাৰ এই পৱিত্ৰ বিধান সভাত যি ভাষণ দিছিল, তাৰ এটা সংশোধনী প্ৰস্তাৱ মই দাঙি ধৰিব বিচাৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, এটা অতি পৰিতাপৰ বিষয় হৈছে যে ৰাজ্যপালৰ ভাষণত স্পষ্টকৈ লিখিছে যে বিদেশী চিনাক্তকৰণৰ নামত অসমত থকা কোনো ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰিব নালাগে। ছাৰ, এই বিধানসভা চলি থকা সময়ত যোৱা ২০ মার্চ তাৰিখে মই এটা খবৰ পালো যে বশিষ্ঠ থানালৈ মোৰ সমষ্টিৰ কিছুমান মানুহক এৰেষ্ট কৰি লৈ আহিছে কিয়? মই জানিব পাৰিলো তেওঁলোকক বিদেশী বুলি সন্দেহ কৰি ধৰি লৈ আহিছে। মই এজন মানুহ লগত লৈ থানালৈ যোৱাত জানিব পাৰিলো যে বিভিন্ন ঠাইত বানপানীত ক্ষতিগ্ৰস্ত হোৱা খেতিয়কসকলে কাম বিচাৰি গুৱাহাটীলৈ আহি শ্ৰমদান কৰি দুই পইচা আৰ্জে। এই ঘটনা কেৱল গুৱাহাটীতে নহয়, মোৰ সমষ্টিৰ পৰা ৩৪ জন মানুহক এৰেষ্ট কৰি গোটেই ৰাতি বৰপেটাৰ ল'কআপত ৰাখি পিছত সদৰ থানালৈ লৈ আহে। তাৰাৱাৰীৰ কথাকে কওঁ, ১৯৫১ চনৰ পৰা বসবাস কৰা তেনে লোকৰ যদি মই কাগজ-পত্ৰ দেখুৱাব নোৱাৰো তেতিয়াহলে মই বিধানসভা পদৰ পৰা পদত্যাগ কৰিম। মই ১৯৫৫ চনৰ এন-আৰ-চি আৰু ১৯৭১ চনৰ কথাকে কোৱা নাই। ১৯৫১ চনত ভাৰতলৈ অহা মানুহ আছিল তেওঁ-লোকৰ চেহেৰা দেখিয়ে সন্দেহ কৰে। তেওঁলোকৰ মূৰত এটা টুপী, মুখত ডাঢ়ি আৰু লুঙ্গি পৰিধান কৰা মানুহ দেখিলেই ধৰি লৈ আহে। এবাৰ তেনে ধৰণৰ মানুহ ধৰি আনি ৩ দিন হাজোতত ৰাখিছিল। তাৰ পিছত মই ১৯৫১ চনৰ তেওঁলোকৰ এন-আৰ-চি দেখুৱাই থানাৰ পৰা মোকোলাই আনিছিলো। এইখন দেশত কাম কৰিবলৈ অহা লোকসকলেও হাৰাশাস্তি পায় ইফালে চৰকাৰী পক্ষৰ পৰা কয় যে ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰা নহয়। উপাধ্যক্ষ মহোদয়, এইবোৰ হাৰাশাস্তি কৰা নহল নেকি? শাসক দলে যিকোনো লোকক হাৰাশাস্তি কৰিলে এটা সময়ত চৰকাৰৰ কি অৱস্থা হ'ব? সেইটো চৰকাৰে চিন্তা কৰি চাওঁকচোন। যোৱা ১৭ মার্চ তাৰিখে অসম বিধানসভা বহি থকা সময়ত শ্ৰমদান কৰা কেইজনমান মুছলমানলোকক ভঙাগড়ৰ পৰা ধৰি লৈ আহি তেওঁলোকক হাৰাশাস্তি কৰা নাই নে? বিদেশী চিনাক্ত কৰিবৰ কাৰণে ধৰিব লাগে ধৰক তাৰ বাবে নিয়ম আছে, নীতি আছে। এইবিলাক ব্যৱস্থাও চৰকাৰে অতি সোন-কালে কাৰ্য্যকৰী কৰিব লাগে।

আমি বিদেশী চিনাক্তকৰণ কৰাটো বিচাৰো আৰু ইয়াৰ কাৰণে যিবিলাক আইন আদালত ইত্যাদি গঠিত হৈছে সইটো আইনৰ জৰিয়তে হওঁক। কিন্তু শ্ৰমজীৱী যিসকল লোক আজি শ্ৰম বিচাৰি ইয়ালৈ শ্ৰম কৰিবলৈ আহিছে সেইসকলৰ ওপৰত হাৰাশাস্তি কৰাটো উচিত হোৱা নাই। বিশেষ এক গোষ্ঠীৰ ওপৰত হাৰাশাস্তি কৰাটো ভাল কথা হোৱা নাই, এই কাৰ্যৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী হ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি বেল বজাইছে কিন্তু মোৰ কিছু কথা কবলৈ বৈ গ'ল। শিক্ষাৰ ক্ষেত্ৰতো মোৰ কিছু কথা কবলগীয়া আছিল। গতিকেই এইখিনি কৈয়েই চৰকাৰক অনুৰোধ জনাইছো যাতে গুৱাহাটী মহানগৰীত এই লোকসকলৰ ওপৰত চলা হাৰাশাস্তি বন্ধ হয় আৰু তাকে পুনৰ অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

श्रीशिव शम्भू ओझा :- माननीय उपाध्यक्ष महोदय, राज्यपाल महोदय के भाषण में विदेशी समस्या को जिस रुप में कहा गया है वह एक काल्पनिक मन गढ़न्त कहानी के तौर पर है। जिस रुप से विदेशी को निकालने का रफ्तार जारी है शायद विदेशी समस्या का समाधान नहीं हो सकता है और ये समस्सा, समस्या बन कर ही रह सकती है। देशी के ऊपर विदेशी कह कर जो अत्याचार हो रहा है वह एक दुख, दर्द की बात है।

उदाहरण स्वरुप, लंका में जो भी गया वो रावण बन गया। राज्य का लोभ, लिप्सा विदेशी समस्या से बंचित कर दिया। पर जनता सब समझती है और वो किसी को भी नहीं छोड़ सकती। अभी ऐसी ऐसी समस्यायें उत्पन्न हो रहीं हैं जिन पर सरकार उनके समाधान करने में बिल्कुल अक्षम हो गई है। इस सरकार ने नौकरी नहीं देने के लिए पी. आरसी बन्द कर दिया है। सभी जिलों और सदर मुकामों में डिप्टी कलक्टर एवं एस.डी ओ. को निर्देश दिया गया है कि पी. आर.सी. नहीं दिया जाय। तो मेरा कहना है कि जब नौकरी नहीं देनी है तो पी. आ. सी. नहीं देने की क्या बात है। यह एक बिकट समस्या है। जनता इस बात को अच्छी तरह समझती है कि इस सरकार का क्या ध्येय है।

उपाध्यक्ष महोदय, तिनसुकिया में जो बम फटा था उसमें 3-4 आदमी मारे गये थे। बम फटने का कया कारण है, इमसे अच्छा यह बात सरकार को मालूम होगी क्योंकि यह काम सरकार का ही है। मैं माननीय मुख्य मंत्री जी से अनुरोध करता हूँ कि दुखीग्रस्त परिवारों को उचित अनुदान देने की कृपा करें।

दूसरी बात है उपाध्यक्ष महोदय, डिब्रुगढ़ मेडिकल कालेज की। इस मेडिकल कालेज की अवस्था इतनी खराब है कि वहाँ पर कोई रोगी अपना इलाज़ कराना नहीं चाहता। जो बड़े बड़े लोग हैं वे भैलोर या दिल्ली आदि जगहों पर चले जाते हैं किन्तु गरीब लोग बिना इलाज के मर जाते हैं। मैं इस सरकार से इस बारे में ध्यान देने की अपील करता हूँ। इसी तरह तिनसुकिया सीभिल हास्पटल का भवन अभी तक पूर्ण नहीं बनाया है। हेल्थ बिभाग कहता है कि यह काम पी० डब्लू. डी. कर रहा है जिसने अभी तक पूरा नहीं किया।

उपाध्यक्ष महोदय, ट्रान्सपोर्ट विभाग में पूलकार की बात क्या कहूँ। विपक्षी सदस्यों को कभी भी पूलकार नहीं मिल पाती, जबकि सत्ता पक्ष के सदस्यों को स्थायी तौर पर पूलकार का आबंटन होता है। कुछ एम. पी. दिल्ली में बैठे

हुए हैं किन्तु उनके नाम में यहाँ पर पूलकार एलाट की गई है । और वे उनके घर पर व्यवहार की जाती हैं । उपाध्यक्ष महोदय, यह सरकार जो भी गलत काम करती है उसका सारा दोष कांग्रेस आई पर थोपती है । एक मेरे दोस्त श्रीकन्दपन जी कहते हैं कि ए.जी.पी. की सरकार सब मामलों में कांग्रेस आई को दोषी बनाती हैं । बोरो आन्दोलन की समस्सा कांग्रेस आई ने उत्पन्न की है । बाढ़ की समस्या भी कांग्रेस आई ने पैदा की है । तो ए. जी. पी. ने क्या किया है । इन लोगों ने तो कुछ भी नहीं किया । असम की समस्या दिन पर दिन बढ़ती जा रही है और यह सरकार चुप बैठी हुई है । इन्डस्ट्री विभाग की बात वैसे ही है । प्लाईउड कारखानों की अवस्था निरन्तर बिगड़ती जा रही है । इनको माल नहीं मिल रहा है । बाहर से माल मँगाकर किसी तरह अपना काम चला रहे हैं । इनके बारे में भी सरकार को ध्यान देना चाहिए । यह मेरा अनुरोध है ।

* শ্ৰীহৰেন্দ্ৰ বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত উত্থাপন কৰা ধন্যবাদসূচক প্ৰস্তাৱটোৰ প্ৰতি মই পূৰ্ণ সমৰ্থন জনাইছো । ইতিমধ্যে ৰাজ্যপালৰ ভাষণৰ ওপৰত বহুকেইজন মাননীয় সদস্যই বক্তব্য ৰাখিছে । ময়ো চমুকৈ দুই-এটা বিষয়ৰ ওপৰত মোৰ বক্তব্য ৰাখিব বিচাৰিছো । ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত ৰাজ্যখনৰ বৰ্তমানৰ সকলো সমস্যা কয়-বেছি পৰিমাণে এখন প্ৰতিচ্ছবি দাঙি ধৰিবলৈ সমৰ্থ হৈছে বুলি আমি কব পাৰো । সদনৰ বিৰোধী পক্ষৰ সদস্যসকলে মান্যবৰ ৰাজ্যপালৰ ভাষণত অসমত বৰ্তমান ঘটি থকা হিংসাত্মক বিষয় উল্লেখ কৰা নাই বুলি কৈছে । কিন্তু ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত কোকৰাঝাৰ আৰু ওদালগুৰি মহকুমাত বৰ্তমান চলি থকা হিংসাত্মক ঘটনাৰ কথা স্পষ্টভাৱে উল্লেখ কৰিছে । লগতে তেখেতে ৰাজ্য চৰকাৰে আলাপ-আলোচনাৰ মাজেৰে আন্দোলনটোৰ শাম কটাবলৈ চেষ্টা চলাই থকা হৈছে বুলি কৈছে । এই পৰিপ্ৰেক্ষিতত আমি এটা কথা কব লাগিব যে বৰ্তমান আবছুৰ নেতৃত্বত যিটো আন্দোলন হৈছে ইয়াৰ মূল উদ্দেশ্য কি আমি প্ৰত্যেকেই জানো । মই এটা কথা দৃঢ়ভাৱে কব বিচাৰিছো যে আবছুৱে আন্দোলনটো যদি জনজাতীয় লোকসকলৰ সমস্যা আগত ৰাখি বা বড়োসকলৰ উন্নতিৰ উদ্দেশ্য আগত ৰাখি কৰিছে তেতিয়াহলে ভাল কথা । কিন্তু মই ভাবো এই আন্দোলনটোৰ বেকত বা ইয়াৰ লগত কোনো ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ দলৰ হাত আছে আৰু বিশেষকৈ অসমৰ কাগজে-পত্ৰই বা ভাৰতবৰ্ষৰ বিভিন্ন কাগজে-পত্ৰই কথাটো ওলাই পৰিছে যে এই আন্দোলনটোত কেন্দ্ৰীয় চৰকাৰৰ কোনোবা মন্ত্ৰীয়ে উৎসাহ যোগাইছে । এইটো বৰ দুখৰ বিষয় বুলি কব পাৰি । ত্ৰিপুৰাত যেতিয়া চি, পি, এম চৰকাৰ চলি আছিল তেতিয়া তাত টি, এন, ভিৰ দ্বাৰা উগ্ৰপন্থীৰ কাৰ্য্যকলাপ চলি আছিল । কিন্তু ত্ৰিপুৰাৰ পৰা চি, পি, এম চৰ-

কাৰ উফৰি যোৱাৰ লগে লগে তাত কংগ্ৰেছ্ আই চৰকাৰ প্ৰতিষ্ঠিত হ'ল আৰু টি, এন. ভিৰ কাৰ্যকলাপবিলাকো তল পৰিল। গতিকে সেই সময়ত কংগ্ৰেছ আই চৰকাৰে ত্ৰিপুৰাত চি, পি, এম চৰকাৰ ওফৰাবৰ উদ্দেশ্যে ষড়যন্ত্ৰ কৰি টি, এন, ভিক উচটাই দিছিল। ঠিক সেইদৰে অসমতো বড়ো ভাইসকলক উচটাই দি কেনেকৈ বৰ্তমান চলি থকা অসম গণ পৰিষদ চৰকাৰক ওফৰাব পাৰে তাকে কৰাৰ কাৰণে নানা ধৰণৰ চেষ্টাৰে বিশৃংখল ঘটাবলৈ ব্যৱস্থা কৰিছে বুলি মই ভাবো। কিন্তু আমি কোনোপধ্যেই আমাৰ অসমখনত যাতে এটা অনৈক্যৰ বীজ সিঁচিব নোৱাৰে, বা সাম্প্ৰদায়িক সংঘৰ্ষৰ বীজ সিঁচিব নোৱাৰে তাৰ কাৰণে বিৰোধী পক্ষই হওক বা শাসনাধীষ্ঠ দলেই হওক সকলোৱে উমৈহতীয়াভাৱে অসমৰ বৃহত্তৰ স্বাৰ্থৰ বাবে আমি একমত হ'ব লাগিব। উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত অসমক পুনৰ বিভাজন যাতে কৰা নহয়, সেই কথাটো সুন্দৰভাৱে উল্লেখ কৰিছে। 'মই দৃঢ়তাৰে কব খোজো যে ৰাষ্ট্ৰীয় স্বাৰ্থৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ অধিক বিভাজন সমৰ্থনযোগ্য নহয় আৰু চৰকাৰে যিকোনো ধৰণৰ হিংসাত্মক আৰু বিচ্ছিন্নতাকামী কাৰ্যকলাপ প্ৰতিৰোধ কৰিবলৈ সংকল্পবদ্ধ। মই এই কথাও উল্লেখ কৰিবলৈ পাই সুখী হৈছো যে কেন্দ্ৰীয় চৰকাৰেও অসমক অধিক বিভাজন কৰা নহব বুলি স্পষ্টভাৱে ঘোষণা কৰিছে। এইটো সকলোৰে আদৰণীয় আৰু সকলোকে আদৰণি জনাবলৈ আহ্বান জনাইছো। অসমৰ প্ৰতিটো জনগোষ্ঠীৰ বাবে যদি একোখন ৰাজ্য দিয়া হয়, তেতিয়াহলে অসমখনক সৰ্বাধিক ভাগত ভাগ কৰা হ'ব। বিভিন্ন জাতি-উপজাতিৰ সংমিশ্ৰণত বৃহৎ অসমীয়া জাতিৰ সৃষ্টি হৈছে। আজি সুকীয়া ৰাজ্যৰ দ্বাৰা যিবিলাক সমস্যা উদ্ভৱ হৈছে তাক সমাধান কৰিব নোৱাৰি। উদাহৰণস্বৰূপে নগালেণ্ড আৰু মিজোৰামত সুকীয়া ৰাজ্যৰ সৃষ্টি হ'ল সঁচা কিন্তু সেই ৰাজ্যৰ জনসাধাৰণৰ তেনেকুৱা কোনো উন্নতি হৈছে বুলি কব নোৱাৰি। কেৱল এচাম মুষ্টিমেয় মানুহৰে সুবিধা হৈছে। এই ক্ষেত্ৰত মই এটা কথা উল্লেখ কৰিব বিচাৰিছো যে, প্ৰশাসনীয় ব্যৱস্থাৰ দ্বাৰা কিছুমান ব্যৱস্থা হাতত লব পাৰি। আজি বহুদিনৰ পৰাই কিছুমান অঞ্চলক ৰাইজে মহকুমা হিচাপে আৰু কিছুমান মহকুমাক জিলা হিচাপে ঘোষণা কৰাৰ কাৰণে দাবী কৰি আহিছে। গতিকে প্ৰশাসনীয় সা-সুবিধাৰ কাৰণে আৰু কটকটীয়া কৰাৰ কাৰণে জনসাধাৰণৰ দাবীৰ প্ৰতি সন্মান জনাই দুই-এঠাইত পৰ্য্যায়ক্ৰমে মহকুমা হিচাপে আৰু জিলা হিচাপে ঘোষণা কৰি কাৰ্য্যত ৰূপায়ণ কৰিবলৈ অনুৰোধ জনাইছো। আমাৰ মৰিগাওঁ অঞ্চলটো অতিকৈ পিছপৰা জনজাতীয় অধ্যুষিত অঞ্চল। আজি বহুদিনৰ পৰাই ৰাইজে মৰিগাওঁ মহকুমাক জিলা হিচাপে ঘোষণা কৰিবলৈ দাবী জনাই আহিছে। এই ক্ষেত্ৰত মই অগ্ৰাধিকাৰ দিবলৈ অনুৰোধ জনাইছো। উপাধ্যক্ষ ম'হাদয়, অসমত ইতিমধ্যে যোৱা তিনি বছৰে বিভিন্ন দলং ৰাস্তা-ঘাট বানপানীত ক্ষতিগ্ৰস্ত হৈছে। এই ক্ষেত্ৰত চৰকাৰে কামবিলাক খৰতকীয়াভাৱে যাতে আৰম্ভ কৰে আৰু সমাধা কৰিব পাৰে তাৰ কাৰণে অনুৰোধ জনাইছো। আজি শিক্ষাৰ বিষয়ে আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন

বিভাগৰ ক্ষেত্ৰত এন, আৰ, ই, পি আৰু আৰ, এল, ই, জি, পিৰ কামবিলাকত দুত গতিত আগ ব'ঢ়িছে যাৰ বাবে প্ৰশংসা কৰিব লাগিব। ১৯৮১-৮২-৮৩ চনত যিমান-খিনি টকা এই শিতানত দিয়া হৈছিল সেই সমুদায় টকা খৰচ হৈছে আৰু কাম হৈছিল মাত্ৰ ফাইভ পাৰচেণ্ট টেন পাৰচেণ্ট। কিন্তু এতিয়া সেই শিতানৰ টকাবিলাক বাস্তৱ ৰূপায়ণত খৰচ কৰা হৈছে। যেনেকৈ প্ৰাথমিক বিদ্যালয়ৰ ঘৰ নিৰ্মাণৰ কাৰণে ৬১ হাজাৰ ৬৫ টকা বা ৮০ হাজাৰ টকাৰ চেক বিদ্যালয় কৰ্তৃপক্ষৰ হাতত জমা দিয়াৰ কাৰণে সেই ঘৰবিলাক সম্পূৰ্ণ হৈ উঠিছে অতি কম সময়ৰ ভিতৰতে। এইটো প্ৰশংসা কৰিবলগীয়া বিষয়। পুনৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ আহিছে তাৰ প্ৰতি সন্মান জনাই মই মোৰ চমু বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীমাজিৰুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, মই আৰম্ভ কৰিব বিচাৰিছিলো Numbering of Houses for the purpose of Electoral Roll. এই কথাটো সঁচা যে ব্ৰহ্মপুত্ৰ নৈৰ বুকুত থকা বহুবোৰ চৰ ভাঙি ইফালৰ পৰা সিফালে গৈছে আৰু লগে লগে সেই চৰৰ মানুহবিলাক ইফালৰ পৰা সিফালে ঘূৰি ফুৰিবলগীয়া হৈছে। সেইবিলাক লোকৰ ঘৰৰ নম্বৰ দিয়া হোৱা নাই। বানপানী হোৱাৰ কাৰণে বহুতো মানুহে নিজৰ পুৰণা বাসস্থান এৰি অইন ঠাইলৈ গুচি যাবলগীয়া হৈছে। সেই কাৰণে তেওঁ-লোকৰ ঘৰৰ নম্বৰ দিয়াৰ পৰা বাদ পৰি গৈছে। আনৰ কথা নকওঁ লাগে মোৰ নিজৰ ঘৰৰেই নম্বৰ দিয়া হোৱা নাই। কিয়নো ময়ো মোৰ পুৰণা বাসস্থান এৰি নতুন ঠাইলৈ আহিছো। গতিকে বাকী হাজাৰ হাজাৰ দুখীয়া মানুহৰ কথা কি কম। চৰকাৰে আজিও কোনো ইলেকট্ৰোৰেল ৰোল তৈয়াৰ কৰা নাই। ভোটাৰ তালিকা কৰাত বাধা দি অফিচৰ সন্মুখত যিসকল ল'ৰাই pickting কৰি আছে সেইবোৰ ল'ৰাই চৰ-কাৰৰ পৃষ্ঠপোষকাত হে pickting কৰি আছে আৰু চাহ সন্দেশ চৰকাৰী কৰ্ম-চাৰীয়ে যোগান দিছে আৰু কয় তোমালোকক কি লাগে কৰা। এই ধৰণেই কামবিলাক চলিছে। তাৰ পাছত মই চৰ এৰিয়া ডেভেলমেণ্টৰ কথা কব বিচাৰিছো।

* উপাধ্যক্ষ মহোদয়, চৰ অঞ্চলৰ উন্নতিৰ কাৰণে ৰাজ্যপালৰ ভাষণত যিখিনি কথা উল্লেখ কৰা হৈছে সেই ক্ষেত্ৰত মই কব খোজো যে—

"In the field of char area development, the State Government has undertaken the task of improving agriculture, animal husbandry, dairy development, irrigation, drinking water and inland water transport. Handwells for drinking water and seeds for cultivation of Rabi crops have been arranged. Meritorious students of these areas have been given lump sum grants upto Rs. 1000 /-

এই ক্ষেত্ৰত এটা কথা কোৱা হৈছে যে তেওঁলোকৰ মাজত এক হাজাৰকৈ টকা দিয়া হৈছে। কিন্তু এই এক হাজাৰ টকা কোনো এটা পৰিয়াল বা একোটা অঞ্চলত দিয়া

* Speech not corrected

হৈছে নেকি সেই কথাৰ কোনো স্পষ্ট উল্লেখ নাই আৰু সেই কাৰণে আমি এই বিষয়ত স্পষ্ট ধাৰণা লব পৰা নাই। ইয়াৰ লগে লগে মই এটা কথা চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে যিবোৰ সমষ্টিত বিৰোধী দলৰ সদস্য আছিছে সেই সমষ্টিবোৰত চৰকাৰৰ অনুদান আদি দিয়াৰ ক্ষেত্ৰত নানা খেলি-মেলিৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। সেই অঞ্চলৰ খেতিয়কসকলে আজি যিবোৰ সমস্যাৰ সন্মুখীন হব লগা হৈছে তাৰ কাৰণে এই চৰকাৰে চকু কাণ দিয়া নাই। অৱশেষতে মুখ্যমন্ত্ৰী ডাঙৰীয়া আলুপত্তি চৰলৈ গৈ সেই অঞ্চলৰ ৰাইজৰ মাজত কিছুমান উন্নয়নমূলক আঁচনিৰ কথা ঘোষণা কৰা কথা আমি শুনিবলৈ পাইছো। কিন্তু ইয়াতো যে তেওঁলোকৰ কোনো স্বাৰ্থ জড়িত হৈ থকা নাই সেইটো নুই কৰিব নোৱাৰি। সেই অঞ্চলৰ ৰাইজৰ মাজত মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে যে সেই অঞ্চলবোৰ জৰীপ কৰি তাৰ ভূমিহীন লোকসকলৰ মাজত ভূমিৰ পট্টন দিয়াৰ ব্যৱস্থা কৰা হব আৰু ১৯৬৬ চনৰ ভোটাৰ তালিকাত যিসকল লোকৰ নাম আছে তেওঁলোকক ভাৰতীয় নাগৰিক হিচাপে গণ্য কৰি তেওঁলোকৰ নাম ভোটাৰ তালিকাত পুনৰ তোলাৰ ব্যৱস্থা কৰা হ'ব। কিন্তু এই প্ৰতিশ্ৰুতি কিমান সাৰ্থক হব সময়তহে আমি জানিব পাৰিম। কিন্তু ইয়াৰ লগে লগে মই এটা কথা কব খুজিছো যে আজি মোৰ সমষ্টিতে বহুতো লোকক পুলিচে হাৰাশাস্তি কৰি আছে। তেওঁলোক ভাৰতীয় লোক আৰু তেওঁলোকৰ ১৯৬৬ চনৰ কিয় তাৰ বহুত আগৰ ভোটাৰ তালিকাত নাম আছে। অথচ তেওঁলোকৰ ঘৰলৈ দহ-বাৰ পৰ্যন্ত পুলিচ গৈ তেওঁলোকক বিভিন্ন ধৰণে হাৰাশাস্তি কৰি আছে। আপোনালোকে জানে যে এবাৰ পুলিচ গলে মানুহৰ কি অৱস্থা হয়। তেনে ক্ষেত্ৰত দহ-বাৰ পৰ্যন্ত পুলিচ গলে তেওঁলোকৰ অৱস্থা কি হব সেইটো সকলোৱে বুজিব পাৰিব। এই পুলিচ বিষয়াসকলক প্ৰত্যেক বাৰেই ৫০-৬০ টকা নাইবা হাঁহ-কুকুৰা আদি দি সন্তুষ্ট নকৰিলে তেওঁলোকৰ ওপৰত পুনৰ অন্য ধৰণৰ হাৰাশাস্তিৰ সৃষ্টি হয়। সেই কাৰণে চৰকাৰে এই হাৰাশাস্তিৰ পৰা প্ৰকৃত ভাৰতীয় লোকক ৰক্ষণা-বেক্ষণ দিব লাগে।

শিক্ষাৰ ক্ষেত্ৰত মই দুষাৰমান কব খুজিছো যে, এই চৰকাৰৰ দিনত বিদ্যালয়সমূহত যি বিনামূলীয়া পাঠ্য-পুথি যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছিল তাৰ পৰা ছাত্ৰ-ছাত্ৰীৰ সুবিধা হোৱাৰ পৰিৱৰ্তে নানা অসুবিধাৰহে সৃষ্টি হৈছে। চৰকাৰে ঘোষণা কৰিছিল যে বিদ্যালয়-সমূহত সকলো ছাত্ৰ-ছাত্ৰীকে বিনামূলীয়া পাঠ্য পুথিৰ যোগান ধৰা হ'ব। কিন্তু তাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে এই পাঠ্য পুথিতো নাপালেই বজাৰতো সেই পাঠ্য পুথি পাবলৈ নাই। তাৰ বাহিৰেও প্ৰাইমাৰী স্কুলসমূহত যিসকল পৰিদৰ্শক আছে তেওঁলোক কোনো দিনেই স্কুল পৰিদৰ্শন কৰিবলৈ নাযায়। এই স্কুলৰ শিক্ষকসকলো প্ৰায় ভাগেই স্কুললৈ নগৈ তেওঁলোকৰ ব্যক্তিগত কামত জড়িত থকাৰ কাৰণে স্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষালাভ কৰাত আহুকালে দেখা দিছে। এই বিষয়ে যোৱাকালি চৰকাৰী পক্ষৰ মাননীয় সদস্য

শ্ৰীচৌধুৰী ডাঙৰীয়ায়ো বহলাই উল্লেখ কৰি গৈছে। গতিকে এই বিষয়বোৰৰ প্ৰতি চৰকাৰে চকু কাণ দিয়া ব্যৱস্থা কৰিব লাগে আৰু বিশেষকৈ শিক্ষাৰ আৰম্ভণি প্ৰাইমেৰী পৰ্য্যায়ত যাতে এনে ধৰণৰ অৱহেলা নহয় তাৰ কাৰণে বিশেষ মনোযোগ দিব লাগে। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* আব্দুল জব্বৰ: माननीय উপাধ্যক্ষ মহোদয়, এই পৱিত্ৰ সদনত যিহেতু আমাৰ কোনো অসত্য বক্তব্য ৰখাৰ অধিকাৰ নাই সেই কাৰণে সেই পৱিত্ৰতা ৰক্ষা কৰি মই দুষাৰমান কৰ বিচাৰিছো। এই পৱিত্ৰ সদনত ৰাজ্যপাল ডাঙৰীয়াই যি ভাষণ উপস্থাপন কৰিলে সেই ভাষণে অসমৰ ৰাইজক উৎসাহ যোগোৱাৰ পৰিৱৰ্তে বিভ্ৰান্তহে কৰিলে। এই পৱিত্ৰ সদনত যিবিলাক কথা আলাপ-আলোচনা কৰা হয় তাৰ ওপৰতে ভিত্তি কৰি আমাৰ জনসাধাৰণৰ আৰু দেশৰ সামগ্ৰিক উন্নতিৰ প্ৰতিচ্ছবি দাঙি ধৰা হয়। তেনে স্থলত ৰাজ্যপালৰ ভাষণে যি প্ৰতিচ্ছবি দাঙি ধৰিলে সি অতি নিন্দনীয়।

উপাধ্যক্ষ মহোদয়, আমি যেতিয়া এই পৱিত্ৰ সদনলৈ নিৰ্বাচিত হৈ আহিছিলো তেতিয়া জনসাধাৰণক এটা প্ৰতিশ্ৰুতি দি আহিছিলো যে সুদীৰ্ঘ ৬ বছৰীয়া আন্দোলনৰ ফলত যিখন চুক্তি কৰা হৈছিল সেই বাতিল কৰিম বুলি আমি তেওঁলোকক আশ্বাস দিছিলো আৰু আমাৰ সেই দাবী আজিও আছে। এই ক্ষেত্ৰত আমাৰ যি দাবী আছে সেই দাবী আজি অসমৰ প্ৰায়বোৰ দলে উত্থাপন কৰিছে আৰু পাকে প্ৰকাৰে অসম গণ পৰিষদ দলেও এই চুক্তিবোৰ কাৰ্যকৰী কৰিব নোৱাৰি তেওঁলোকেও ইয়াক প্ৰায় বাতিল কৰা মনোভাবকে পোষণ কৰিছে। আজি এই চুক্তিক লৈ বিশেষকৈ সংখ্যালঘু লোকসকলক যিদৰে হাৰাশাস্তি কৰা হৈছে তাক সকলোৱে জানে। কিন্তু এই হাৰাশাস্তিৰ মাজেৰে চৰকাৰে কিমানজন বিদেশীক বিচাৰি উলিয়াইছে বা উলিয়াই বহিষ্কাৰ কৰিব পাৰিছে সেই বিষয়ে আজি চৰকাৰ নিমাত। যি সময়ত আজিৰ নেতাসকলে অসমত লাখ লাখ বিদেশী আছে বুলি আন্দোলন কৰিছিল আজি সেইসকলেই লাখ লাখ নোটিচৰহে সৃষ্টি কৰিছে। আজি সংখ্যালঘু লোকসকলৰ এই চৰকাৰৰ প্ৰতি কোনো আস্থা নাইকিয়া হৈছে আৰু চৰকাৰেও তেওঁলোকক যি ধৰণে ব্যৱহাৰ কৰিব লাগিছিল, সেই ধৰণে ব্যৱহাৰ কৰিব পৰা নাই। অলপতে মুখ্যমন্ত্ৰী ডাঙৰীয়া আলুপত্তি চৰলৈ গৈ সেই অঞ্চলত বসবাস কৰা সংখ্যালঘু লোকসকলক মাটি পট্টন দিয়াৰ বিষয়ে কৈ আহিছে। কিন্তু মই তেতিয়াহে সুখী হলোহেঁতেন, যেতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেই অঞ্চলৰ ৰাইজৰ মাজত মাটি পট্টন দি আহি আমাৰ আগত প্ৰচাৰ কৰিলেহেঁতেন। লগতে এই চৰকাৰে প্ৰচাৰ কৰি আহিছে যে ১৯৬৬ চনৰ ভোটাৰ তালিকাত যিসকল লোকৰ নাম আছে তাৰ ভিত্তিত অসমত ভোটাৰ তালিকা সংশোধন কৰা হ'ব। কিন্তু মই এটা কথা কব খুজিছো যে আমি ১৯৮৫ চনৰ ভোটাৰ তালিকাৰ ওপৰত ভিত্তি কৰি এই সদনলৈ নিৰ্বাচিত হৈ আহিছো

আৰু এতিয়াও আমি বিধায়ক হিচাপেই কাৰ্য্যনিৰ্বাহ কৰি আছো। আমি যদি সেইখন ভোটাৰ তালিকাৰ জৰিয়তে এই সদনলৈ নিৰ্বাচিত হৈ আহিব পাৰিছো তেনেহলে আমি আকৌ ১৯৬৬ চনলৈ আগুৱাই যোৱাৰ অৰ্থ কি সেইটো বুজিব পৰা নাই। চৰকাৰে এই ক্ষেত্ৰত যি নীতি গ্ৰহণ কৰিব খুজিছে আমি তাৰ বিৰোধিতা কৰিছো। ১৯৮৫ চনৰ ভোটাৰ তালিকা, যিখন ভোটাৰ তালিকাৰে আমাৰ জন্ম হল সেই ক্ষেত্ৰত আমি যদি সেই-খন মানি লব নোখোজো তেনেহলে আমি আমাৰ জন্মদাতা পিতৃ-মাতৃকহে মানি নোলোৱা যেন হ'ব। সেই কাৰণে ১৯৬৬ চনৰ ভোটাৰ তালিকাৰ ভিত্তিত যি সংশোধনী কৰিব বিচৰা হৈছে আমি তাক কেতিয়াও মানি লব নোৱাৰো। আৰু ই আইনসন্মত নহয়। সেই কাৰণে ৰাজ্যপালে এই সদনত যি ভাষণ উত্থাপন কৰিলে সেই ভাষণক ভিত্তি বছৰ ১৯৬৬ চন বুলি উল্লেখ নকৰি ১৯৮৫ চন বুলিহে উল্লেখ কৰিব লাগিছিল।

উপাধ্যক্ষ মহোদয়, অসমত আজি যি আইন-শৃংখলাৰ পৰিস্থিতি সৃষ্টি হৈছে সেই বিষয়েও আমি বিশেষ গুৰুত্ব দিব লগা হৈছে। আজি অসমত শান্তি-শৃংখলা ব্যাহত হোৱা যি পৰিস্থিতি উদ্ভৱ হৈছে তাৰ কাৰণে আমি কেৱল আন্দোলনকাৰীকে দোষাৰোপ নকৰি এই সমস্যা কেনেকৈ হৰলৈ পালে, সেই বিষয়ে পৰ্য্যালোচনা কৰাহে প্ৰয়োজন। আজি অসমত যি বড়ো আন্দোলনৰ উদ্ভৱ হৈছে তাৰ একমাত্ৰ কাৰণ তেওঁলোক বহুদিনৰ পৰা লাঞ্ছিত হৈ থকাৰ কাৰণেই এই সমস্যাৰ সৃষ্টি হৈছে বুলি মই কব খোজো। এই আন্দোলনে দিনক দিনে যি ৰূপ ধাৰণ কৰিছে তাক সময় থাকোতেই চৰকাৰে মীমাংসা কৰি নিয়ন্ত্ৰণ নকৰিলে পৰিস্থিতি হাতৰ মুঠিৰ পৰা ওলাই যাব আৰু তাক চম্ভালিবলৈ চৰকাৰ ব্যৰ্থ হ'ব। ইয়াৰ লগে লগে অসমৰ কিছুসংখ্যক লোকে আহোম ৰাজ্যৰ দাবীতে আন এটি আন্দোলন কৰাৰ বাতৰি আমি কাগজে-পত্ৰই পাইছো। এনে ক্ষেত্ৰত অসমত আজি সংখ্যালঘু লোকসকল যিদৰে লাঞ্ছিত বা প্ৰৰোচিত হব ধৰিছে তাক সময় থাকোতেই ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰণে চৰকাৰে মনোযোগ দিব লাগে। মই চৰকাৰক সতৰ্ক কৰি দিব খুজিছো যে আজি বড়ো ভাইসকল যি কাৰণত ৰাজপথলৈ ওলাই আহিব লগা হৈছে ঠিক তেনে ধৰণে যাতে সংখ্যালঘু লোকসকলো তেওঁলোকৰ সমস্যাসমূহলৈ ৰাজ পথলৈ ওলাই আহিবলগীয়া নহয় তাৰ কাৰণে সময় থাকোতেই চৰকাৰে উপযুক্ত ব্যৱস্থা লোৱাত সজাগ হব লাগে আৰু তেওঁলোককো অসমৰ মূল সুঁতিটোৰ লগত খাপ খাই যাব পৰা ধৰণৰ ব্যৱস্থা হাতত লৈ অসমৰ উন্নতিৰ হকে কাম কৰি যাব বুলি মই অনুৰোধ জনালো। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীফণীৰাম টায়েং : মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যপাল ডাঙৰীয়াই বিধানসভাত দিয়া ভাষণৰ ওপৰত মই কবলৈ বিচাৰিছো। ৰাজ্যপাল মহোদয়ৰ ভাষণত কিছুমান কথা বিতংভাৱে আলোচনা কৰা হোৱা নাই। আইন-শৃংখলাৰ ক্ষেত্ৰত চৰকাৰে যেনেদৰে ভূমিকা লব লাগে তেনেদৰে লোৱা হৈছে। মই ৰাজনৈতিক ক্ষেত্ৰত বক্তৃতা

* Speech not corrected

ৰাখিবলৈ বিচৰা নাই। অসম এখন বানপানীৰ দেশ। এই ক্ষেত্ৰত চৰকাৰে যি ধৰণৰ ষ্টেপ লৈছে তাৰ বিষয়ে ৰাজ্যপালৰ ভাষণত আছে। আমাৰ সকলো সদস্যই বানপানীৰ লগত যুঁজিবলৈ আঁচনি লব লাগে, কিন্তু ৰাজ্যপালৰ ভাষণত সেইটো লোৱা নহল। ৰাজ্যপাল ডাঙৰীয়াই ইয়াত লিখিছে "Sir, the State Government has taken up a number of short-term flood control measures in the form of construction of embankments, anti- erosion measures, drainage channels and major sluice-gates. The State Government had submitted the memorandum to the Union Government during the visit of the Central Team for assessment of flood damages demanding Rs. 317.45 crores for repairs of damages to flood protection works etc".

চেণ্ট্ৰেল গভৰ্ণমেণ্টে দিছে। আমি অসমৰ কাৰণে বিশেষকৈ আমাৰ বিধায়কসকলে এই বিষয়ৰ ওপৰত গুৰুত্ব দি কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিব লাগে। যোৱা সদনত এই দিশত বিতং আলোচনা হৈছে। সৰ্বভাৰতীয় দলো দিল্লীলৈ গৈছিল। আন্দোলনত মানুহ মৰিছে বুলি কৈছে। কিন্তু বানপানীৰ সময়তো মানুহ মৰিব। বোধহয় এইবাৰ সদন শেষ হোৱাৰ আগতে বানপানী আহিব পাৰে। সাধাৰণতে জুন মাহতে বাৰিষা হয়। আজি সদনত সংখ্যালঘু সম্প্ৰদায়ৰ কথা আলোচনা নহৈ বাৰিষাৰ কথা আলোচনা হব লাগিছিল। আজি ইয়াত যিমানখিনি দাবী কৰা হৈছে, তাক কেনেকৈ আদায় কৰিব পাৰি বা নিয়ন্ত্ৰণ কৰিব পাৰি তাৰ বাবে আলোচনা কৰিব লাগে। ফ্লাড কণ্ট্ৰোলৰ ওপৰত ভাৰত চৰকাৰে বহুদিন ধৰি আঁচনি লৈ আছে। এই ক্ষেত্ৰত মই কবলৈ বিচাৰিছো যে যিমানেই নদী নিয়ন্ত্ৰণ নকৰক কিয় সমস্যা সমাধান নহয়। ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণৰ চেষ্টা কৰিব লাগে। আনহাতে দিহিং, দিবাং, চিয়াং আদি বান্ধ বান্ধিবলৈ চেষ্টা কৰিব লাগে। আজি ডিব্ৰুগড় নগৰখন ভাৰতৰ ভিতৰতেই অতি ভয়াবহ হৈ আছে। ইয়াক ৰক্ষা কৰিবলৈ যিমান চেষ্টা কৰা হৈছে, সি বেছি কৰা হোৱা নাই। এটা পাৰত স্পাৰ দিয়া হৈছে আৰু অন্যফালে সোঁত বৈ গৈছে। উত্তৰৰ পাৰৰ ধেমাজিত বহুত অত্যাচাৰ হৈছে। সেয়েহে দুই পাৰে সোঁত বোৱাৰ ব্যৱস্থা কৰিব লাগে। অসমৰ মাটিবিলাক ঠিক নহয়। উত্তৰৰ নদীবিলাকে প্ৰতি বছৰে গতি সলনি কৰে। সেই কাৰণে লক্ষীমপুৰ জিলাৰ কিছুমান সৰু সৰু নদীৰ গতি সলনি হয় আৰু তাক স্থিৰিৰ কৰি ৰাখিবৰ বাবে ব্যৱস্থা থাকিব লাগে। আইন-শৃংখলাৰ বিষয়ে ইয়াত কোৱা হৈছে যে উপেন ব্ৰহ্ম আন্দোলন ছাত্ৰ আন্দোলন নহয়—সংখ্যালঘু আন্দোলন। বিশেষকৈ উপেন ব্ৰহ্ম ছাত্ৰ নহয়। চাকৰি জীৱন আৰম্ভ কৰিছে। সেই কাৰণে আমাৰ এই পৱিত্ৰ সদনত এই আন্দোলনৰ বিষয়ে উল্লেখ নকৰাই ভাল। শেষত মই সকলো সদস্যকে ৰাজ্যপালৰ ভাষণ সমৰ্থন কৰিবলৈ অনুৰোধ জনাইছো আৰু মইও ৰাজ্যপাল মহোদয়ৰ ভাষণ সমৰ্থন কৰি মোৰ বক্তব্যৰ ইমানতে সামৰণি মাৰিলো।

শ্ৰীকুলবাহাদুৰ ছেত্ৰী : উপাধ্যক্ষ মহোদয়, মই মোৰ চমু ভাষণ ৰাখিবলৈ থিয় হৈছো। আমাৰ ৰাজ্যখন কৃষিপ্ৰধান দেশ। ইয়াত কৃষকসকলে বেছি সুবিধা পাব লাগিছিল। কিন্তু ৰাজ্যপাল মহোদয়ৰ ভাষণত এইটো হতাশ হোৱা দেখা পাইছো। বৈজ্ঞানিক পদ্ধতিৰে খেতি-বাতি কৰা হব বুলি কোৱা হৈছে। কিন্তু আমি বাস্তৱত সেইটো দেখিবলৈ পোৱা নাই। কৃষকসকলে যি আশা কৰিছিল সেইটো হোৱা নাই। এই কৃষকৰ এটা মই উদাহৰণ দিবলৈ বিচাৰিছো। দুবছৰ আগতে বন বিভাগে অতি কম সময়ৰ ভিতৰতে জাননী দি ৫২ ঘৰ দুখীয়া মানুহক উচ্ছেদ কৰিছে ২ নং কানাইপথাৰ, 8 নং নয়াকুঞ্জ গাৱঁৰ। তেওঁলোকে ৩৫।৪০ বছৰ বসবাস কৰি থকা ৰাজহ দি থকা সত্বেও উচ্ছেদ কৰিছে। এই কাৰণে মুখ্যমন্ত্ৰীৰ ওচৰলৈ তেওঁলোক আহিছে। তেতিয়াৰ ৰাজহমন্ত্ৰী শ্ৰীবড়ো ডাঙৰীয়াই ইয়াৰ সম্পূৰ্ণ বিৱৰণ বিচাৰি জিলাধিপতি ও মহকুমাধিপতিৰ পৰা সম্পূৰ্ণ ৰিপোৰ্ট বিচৰাত আজিও ৰিপোৰ্ট নাহিল। এই ক্ষেত্ৰত তেখেতে D. C, S.D.O ৰ পৰা বিতং ৰিপোৰ্ট বিচাৰিছে। সেই মাটি ৰেভিনিউ নে ফৰেষ্টৰ। কিন্তু সেই ৰিপোৰ্ট নাহিল। ৰিপোৰ্টৰ বাবে কাগজ ইয়াৰ পৰা তিনিচুকীয়া, ডিব্ৰুগড়লৈ যায় আৰু তাৰ পৰা ঘূৰি আহে দিশপুৰলৈ। এই দুখীয়া ৰাইজৰ বিচাৰ হোৱা নাই। 'চৰকাৰ হয় বোৱাৰী, জিয়াৰী নহয়।' ৰাইজে চাই আছে।

উপাধ্যক্ষ মহোদয়, ৰাইজে চাই আছে আৰু আমিও লক্ষ্য কৰি আছো আজি অসমত যি বিপদেই নহওঁক কিয় নিজৰ মাজত কাজিয়া হলেও আমাৰ পাৰ্টিক দোষে, সন্দেহ কৰে। আকৌ এবাৰ মই কৈছো যে আপোনালোকৰ দায়িত্ব বোৱাৰী হিচাপে যিমান তাতকৈ জীয়ৰী হৈ থাকোতে কম আছিল। আপোনালোকে দায়িত্ব পালন কৰক। মই আকৌ একে কথাকে কৈছো মোৰ সমষ্টিতে ৫২ ঘৰ মানুহৰ আজিও ঘৰ-বাৰী নাই। গৰু-ছাগলী, গাহৰি আদি যি আছিল সকলো বিক্ৰী কৰি খাই শেষ কৰিলে। তেওঁলোক এতিয়া বাটৰ দৰিদ্ৰ হৈছে। এই বিষয়টো মই ৰাজহমন্ত্ৰীক আৰু মুখ্য-মন্ত্ৰীকো জনাইছো। তেওঁলোকে বাটকুৰি বায়ে আছে। আজিও আহিছে, আজিও তেওঁলোকে মুখ্যমন্ত্ৰীক এখন স্মাৰক-পত্ৰ দিছে আৰু মুখ্যমন্ত্ৰীয়ে লিখিও দিছে। তেওঁলোকৰ ওপৰত ৰাজনীতি নকৰি অসমৰ ৰাইজ হিচাপে বাচি থাকিবলৈ দিয়ক।

ৰাজ্যপালৰ ভাষণত গৰা খহনীয়াৰ বিষয়ে বহুত কথা লিখা হৈছে। ট্ৰেজাৰী বেঞ্চৰ পৰাও ৰাজ্যপালৰ ভাষণক প্ৰথমে সমৰ্থন জনায়, তাৰ পিছত অমুকটো কৰা নাই, অমুকটো বাকী আছে বুলি বিৰোধিতাহে কৰিছে। যোৱা কালি মুখ্যমন্ত্ৰী মহোদয়ে সদনত বাজেট দাঙি ধৰিছে। এই বাজেট কৰ-কাটলেৰে পৰিপূৰ্ণ বাজেট। দেখাত হোটেলৰ ওপৰত কৰ লগোৱা দেখুৱাইছে যদিও সেই কৰ-কাটল জনসাধাৰণৰ ওপৰতহে পৰিব। যিজন মানুহে ১০ কেজি ওজন লব নোৱাৰে সেই মানুহক ১০০ কেজি ওজন লবলৈ দিলে কি হব?

তাৰ অৱস্থা কি হব সকলোৱে জানিব। আমি শুনিছিলো এইবাৰ কৃষিৰ কাৰণে অমুক কৰা তমুক কৰা হব বুলি, কিন্তু ৰাজ্যপালৰ ভাষণত একোকে বিচাৰি নাপালো। এইটো সকলোৱে স্বীকাৰ কৰিব লাগিব যে ৰাজ্যপালৰ ভাষণ এখন গতানুগতিক ভাষণ। লিখিব লাগে কাৰণেই লিখিছে। যিখন গাড়ী আজিৰ মুখ্যমন্ত্ৰীয়ে চলাইছে সেইখন গাড়ী আগ-তেও চলোৱা হৈছিল। কিন্তু ঠিক থাকিব লাগিব তাৰ ড্ৰাইভাৰ। ড্ৰাইভাৰে ভাল চলালে ভাল আৰু বেয়া চলালে সৰি পৰিব।

উপাধ্যক্ষ মহোদয়, আমি বিদেশী থকাটো নিবিচাৰো কিন্তু আমি এইটো বিচাৰো যে বিদেশীৰ নামত যাতে কোনো ভাৰতীয় লোক হাৰাশাস্তি নহয়। এইখন চৰকাৰ হোৱাৰ লগে লগে বাইজে বহুতেই আশা কৰিছিল, পঞ্চায়ত নিৰ্বাচন হ'ব, আৰু কিবা কিবি পাব ইত্যাদি বাতৰি কাকততো লিখিছিল কিন্তু আজি সকলোৱে হতাশ হৈছে। সেই কাৰণে আমি আশা কৰিছোঁ অসমৰ যিবিলাক মাটিহীন লোক আছে, থলুৱা লোক আছে তেওঁলোকৰ স্থায়ী ব্যৱস্থা কৰক। ( সময়ৰ সংকেত ) উপাধ্যক্ষ মহোদয়, এই ৫২ ঘৰ মানুহৰ কথা যি মই উল্লেখ কৰি গৈছো তেওঁলোকৰ কিবা এটা সু-ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰী আৰু ৰাজহমন্ত্ৰীক অনুৰোধ জনাই মোৰ বক্তৃতাৰ ইমানতে সামৰণি মাৰিলোঁ।

শেখ চামান আলী : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত যি সংশোধনী প্ৰস্তাৱ আনিছে সেই সংশোধনী প্ৰস্তাৱৰ ওপৰত দুষাৰমান কব বিচাৰিছো। ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্কৰ সূত্ৰপাত কৰি দেখা যায় যে ৰাজ্যপালৰ ভাষণখনে বাস্তৱ অৱস্থাৰ প্ৰতিফলিত কৰা নাই। এটা কথা প্ৰতিফলিত হৈছে সেইটো এই চৰ-কাৰৰ যিটো মনোভাৱ সেইটোহে প্ৰতিফলিত হৈছে, বাস্তৱ অৱস্থাত প্ৰতিফলিত হোৱা নাই। ৰাজ্যপালৰ ভাষণত কোৱা হৈছে যে বিদেশী নাগৰিকৰ নামত কোনো ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰা হোৱা নাই। হাৰাশাস্তি যিমান বেছি হয় সেইটোৰ ওপৰতে এই চৰকাৰৰ কাৰ্যকাল নিৰ্ভৰ কৰিব। মোক আমাৰ এ, জি, পি বন্ধুৱে গোৱালপাৰাত সুধিলে যে "আপোনালোকৰ ইউ, এম, এফ পাৰ্টিৰ অৱস্থা কি ?" মই তেতিয়া উত্তৰ দিছিলো যে আপোনালোকে যিমানেই হাৰাচমেণ্ট কৰে তাৰ ওপৰতহে আমাৰ পাৰ্টি নিৰ্ভৰ কৰিব। অৰ্থাৎ আপোনালোকে যিমান হাৰাশাস্তি কৰিব সিমানেই আমি তিষ্ঠি থাকিম। গতিকে আৰু বেছি হাৰাশাস্তি কৰক। চৰ উন্নয়নৰ কথা কৈছে। চৰ উন্নয়নৰ ক্ষেত্ৰত কোৱা হৈছে, চৰবিলাক কৃষিৰ উন্নতি কৰা হব, সা-সঁজুলি যোগান ধৰা হব আৰু মেধাবী ছাত্ৰক এহেজাৰকৈ টকা সাহায্য দিয়া হ'ব। চৰ অঞ্চলত মুখ্যমন্ত্ৰীয়ে অৱশ্যে পদাৰ্পণ কৰিছে। এহেজাৰ টকা সাহায্য দিয়া হৈছে এইটো কেঁচুৱা ল'ৰা-ছোৱালীয়ে কান্দিলে বিস্কুট-কল দিয়াৰ নিচিনা হৈছে।

এইখিনিৰে আমাৰ সংখ্যালঘুৰ মানুহ সন্তুষ্ট থাকিব নোৱাৰে। ইয়াৰ বাবে নিৰ্দ্দিষ্ট আঁচনি থাকিব লাগিব। কেৱল এক হাজাৰ টকাৰ লামচাম পৰিমাণৰ দিয়া হৈছে। যোৱা বানপানীৰ সময়ত আমাৰ যথেষ্ট সংখ্যক লোক গৃহহীন হৈছে। তেওঁলোকে নদী কাষৰীয়া অঞ্চলত বসবাস কৰিছে। তেওঁলোকৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা দূৰৰ কথা, সেইখিনি মানুহক উচ্ছেদহে কৰা হৈছে। মানুহ জীয়াই থাকিবৰ বনাঞ্চলৰ প্ৰয়োজন আছে। কিন্তু যদি মানুহেই জীয়াই নাথাকে তেন্তে গছ-গছনি কামত নাহিব। গতিকে চৰকাৰে কন্ট্ৰভাৰ্চিয়েল পলিচি লৈছে। বেদখল মুক্ত কৰিবলৈ যাওঁতে সেইসকলৰ বিকল্প ব্যৱস্থা নোহোৱাকৈ উচ্ছেদ কৰাটো ঠিক নহয়। এইবিলাকৰ প্ৰতি চকু ৰাখিব লাগে। মানুহবিলাকক অন্যফালে ঠেলি দিয়া হৈছে। এই লোকসকলে স্বাধীনতা ৰক্ষা কৰিবৰ কাৰণে অহা দিনবোৰত নিশ্চয় চিন্তা কৰিব। সংখ্যালঘুৰ লোকসকল আজি সকলো প্ৰকাৰে বঞ্চিত হৈছে। বড়ো ৰাজ্য দাবী কৰাৰ দৰে এই লোকসকলে অহা দিনবিলাকত স্বকীয়া ৰাজ্যৰ কথা চিন্তা কৰিবলৈ বাধ্য হ'ব। ইয়াৰ বাবে এই চৰকাৰ জগৰীয়া হ'ব। গতিকে চৰকাৰে সময় থাকোতে চিন্তা কৰাটো উচিত হ'ব। এই বঞ্চিতসকলৰ প্ৰতি সম ব্যৱহাৰৰ আশা ৰাখি মই বক্তব্যৰ সামৰণি মাৰিলোঁ।

* শ্ৰীদীনবন্ধু চৌধুৰী : মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালে এই সদনত দিয়া ভাষণৰ বাবে যি ধন্যবাদসূচক প্ৰস্তাৱ আগবঢ়োৱা হৈছে তাৰ ওপৰত বিৰোধী পক্ষৰ সদস্যসকলে সংশোধনী প্ৰস্তাৱ আগবঢ়াইছে আৰু বিতৰ্কৰ সময়ত বিভিন্নজনে আইন-শৃংখলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ৰাজ্যখনৰ বিভিন্ন সমস্যা সম্পৰ্কত চৰকাৰ সচেতন বুলি উল্লেখ কৰা আছে। আইন-শৃংখলাৰ সম্পৰ্কত লোৱা ব্যৱস্থাৰ বিষয়ে আভাস দাঙি ধৰিছে। অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত লোৱা ব্যৱস্থাৰ এটা আভাস দিছে। এই ভাষণৰ জৰিয়তে যিখিনি কাম চৰকাৰৰ ফালৰ পৰা কৰা হৈছে বা কৰিবলৈ লৈছে সেইটো সুন্দৰভাৱে প্ৰকাশ পাইছে। গতিকে মই অনুৰোধ ৰাখিছো যে, ৰাজ্যপালৰ ভাষণৰ বাবে দাঙি ধৰা ধন্যবাদসূচক প্ৰস্তাৱ এই সদনত সৰ্বসন্মতিক্ৰমে গৃহীত হ'ব।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, যোৱা ১৬ মাৰ্চ তাৰিখে এই সদনত ভাৰতীয় সংবিধানৰ ১৭৬(১) অনুচ্ছেদ অনুসাৰে মাননীয় ৰাজ্যপাল ডাঙৰীয়াই ভাষণ দিছিল। ৰাজ্যপালগৰাকীয়ে তেখেতৰ ভাষণত এতিয়ালৈকে এই চৰকাৰৰ কাম-কাজ সম্পৰ্কে চমুকৈ উল্লেখ কৰাৰ লগতে আগন্তুক বছৰটোত কৰিবলৈ হাতত লোৱা কাম-কাজৰ বিষয়ে এটা আভাস দাঙি ধৰিছিল। মাননীয় সদস্যসকলৰ বহুতেই এই ভাষণৰ ওপৰত হোৱা বিতৰ্কত ভাগ লৈছিল। চৰকাৰৰ কাম-কাজ ভাল কৰাৰ কাৰণে মাননীয় সদস্যসকলে আগবঢ়োৱা দিহা-পৰামৰ্শৰ বাবে তেখেতসকললৈ মই

* Speech not corrected

ধন্যবাদ জনাইছোঁ, বিশেষকৈ মাননীয় সদস্য শ্ৰীদীনবন্ধু চৌধুৰী ডাঙৰীয়াক তেখেতে উত্থাপন কৰা ধন্যবাদসূচক প্ৰস্তাৱৰ বাবে এই প্ৰস্তাৱ সমৰ্থন কৰাৰ বাবে শ্ৰীকমলা কলিতাক মই ধন্যবাদ জনাইছোঁ। অৱশ্যে, মাননীয় সদস্যসকলৰ কেইবাগৰাকীয়ে উক্ত ভাষণৰ সমালোচনা কৰা আৰু প্ৰস্তাৱটোৰ সংশোধনী বিচৰা দেখা গ'ল।

মাননীয় সদস্য শ্ৰীবিনয় খুংগুৰ বসুমতাৰীয়ে কৈছে যে ৰাজ্যপালৰ ভাষণত জনজাতীয় বাইজৰ জ্বলন্ত সমস্যাবোৰৰ কথা, বিশেষকৈ বড়ো সম্প্ৰদায়ৰ সমস্যাবোৰৰ কথা উল্লেখ কৰা হোৱা নাই। চৰণ নাৰ্জাৰী আৰু সদস্য দুই-এজনে কৈছে যে ৰাজ্যখনৰ অনুসূচিত ভৈয়ামৰ জনজাতিৰ লোকসকলৰ মানৱাধিকাৰ খৰ্ব হোৱা আৰু চৰকাৰে তেওঁলোকৰ জীৱন আৰু সা-সম্পত্তিৰ ৰক্ষণা-বেক্ষণ দিয়াত ব্যৰ্থ হোৱাৰ কথা ৰাজ্যপালগৰাকীয়ে প্ৰত্যক্ষ কৰিবলৈ সমৰ্থ নহ'ল। মাননীয় সদস্য শ্ৰীআব্দুল মুহিব মজুমদাৰে অভিযোগ কৰিছে—ৰাজ্যপালৰ ভাষণত ৰাজ্যখনৰ বিকৃত ছবি এখনহে দাঙি ধৰা হৈছে আৰু আইন-শৃংখলা ৰক্ষা আদিকে ধৰি বিভিন্ন দিশত চৰকাৰৰ ব্যৰ্থতাসমূহ উল্লেখ কৰা হোৱা নাই।

মাননীয় সদস্য শ্ৰীআব্দুল জলিল ৰাগিবীয়ে বিদেশী নাগৰিক চিনাক্তকৰণৰ নামত ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু সম্প্ৰদায়ৰ নিৰীহ ভাৰতীয় নাগৰিকসকলক হাৰাশাস্তি কৰা হৈছে বুলি অভিযোগ আনিছে। মাননীয় সদস্য শ্ৰীচৰণ নাৰ্জাৰীয়ে কোকৰাঝাৰ জিলা আৰু ওদালগুৰি মহকুমাত প্ৰশাসন বিধ্বস্ত হৈ পৰা বুলি কৈছে। মাননীয় সদস্যসকল সৰ্বশ্ৰী শৰৎচন্দ্ৰ সিংহ, হেমেন দাস, চিলভিয়াচ কন্দপান, শান্তিৰঞ্জন দাসগুপ্ত, গোলোক ৰাজবংশী, মকবুল হুছেইন, কেশৰ গগৈ, অমৃতলাল বসুমতাৰী, অৰ্দ্ধেন্দু কুমাৰ দে আৰু আব্দুল জলিলেও ৰাজ্যপালৰ ভাষণক সমালোচনা কৰিছে। আনহাতে, মাননীয় সদস্য সৰ্বশ্ৰী দেৱেশ্বৰ বৰা, গিৰীন্দ্ৰ কুমাৰ বৰুৱা, মহেন্দ্ৰ মোহন চৌধুৰী, কিৰণ গগৈ, ডালিম ৰায় আৰু হলিৰাম টেৰাঙে প্ৰস্তাৱৰ সপক্ষে মত প্ৰকাশ কৰিছে।

উক্ত সমালোচনাবিলাক ঘাইকৈ কৰা হৈছে ৰাজ্যখনৰ বৰ্তমান আইন-শৃংখলা পৰিস্থিতি, অসম চুক্তিৰ ৰূপায়ণ আৰু বিত্তীয় পৰিচালনাৰ সন্দৰ্ভত।

মাননীয় অধ্যক্ষ মহোদয়, এইটো সকলোৱে জানে যে, নিখিল বড়ো ছাত্ৰ সন্থা বা আবচুৰ দুটা গোট আছে। এটা হ'ল আবচু (ৰামছিয়াৰী) গোট আৰু আনটো হ'ল আবচু (উপেন ব্ৰহ্ম) গোট। উপেন ব্ৰহ্ম গোটৰ দ্বাৰা পৰিচালিত আন্দোলনে কোকৰাঝাৰ জিলা আৰু ওডালগুৰি মহকুমাত হিংসাত্মক ৰূপ ধাৰণ কৰিছে। আবচু (উপেন ব্ৰহ্ম) গোটৰ নেতৃত্বই মুখত অহিংস আন্দোলনৰ কথা কৈ আছে যদিও তেওঁবিলাকৰ কাৰ্য-কলাপে ইয়াৰ বিপৰীতটোহে প্ৰতিপন্ন কৰিছে। কৰ্তব্যৰত চৰকাৰী বিষয়া আৰু নিৰীহ শান্তিপ্ৰিয় নাগৰিকৰ ওপৰত সশস্ত্ৰ আক্ৰমণ, ট্ৰেইন বগৰোৱা, ৰেল লাইনত বোমা পোতা

আদি কুটাঘাতমূলক কাৰ্য, ট্ৰাক আৰু ৰেল ইঞ্জিন জ্বলোৱা আৰু হত্যা, লুণ্ঠন আদি হিংসাত্মক কাৰ্য-কলাপত আৰুছু (উপেন ব্ৰহ্ম) গোট লিপ্ত হোৱা দেখা গৈছে। ৰাজ্য চৰকাৰে তেওঁলোকৰ হিংসাত্মক পন্থা পৰিহাৰ কৰি গণতান্ত্ৰিক পদ্ধতিৰে আলাপ-আলোচনাৰ মাজেদি সমস্যাৰ সমাধানৰ বাবে আলোচনাৰ মেজলৈ আমন্ত্ৰণ জনাই আহিছে। আমি আশা কৰোঁ, তেওঁবিলাকৰ মনত সুবুদ্ধিৰ উদয় হব আৰু আলোচনাৰ মেজলৈ আহিব।

এইখিনিতে মই দৃঢ়তাৰে কব খোজোঁ যে নিৰীহ জনসাধাৰণৰ জীৱন আৰু সম্পত্তি ৰক্ষা কৰাৰ বাবে আৰু আইন-শৃংখলা পৰিস্থিতি ৰক্ষা কৰাৰ বাবে ৰাজ্য চৰকাৰে চেষ্টাৰ কোনো ত্ৰুটি কৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, এই পৱিত্ৰ সদনৰ যোগেদি উক্ত আন্দোলনজনিত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সংশ্লিষ্ট সকলোকে মই অনুৰোধ জনাও যাতে গণতান্ত্ৰিক ভাৱধাৰাৰে পৰিচালিত হৈ আলাপ-আলোচনাৰ মাধ্যমেদি উক্ত সমস্যাৰ সমাধানত সকলোৰে সহযোগিতা আগবঢ়াব। ৰাজ্য চৰকাৰে ইতিমধ্যে অসমৰ সকলো ৰাজনৈতিক দল আৰু জনজাতীয় সংগঠনসমূহৰ সৈতে জনজাতীয় সমস্যাসমূহৰ সমাধানৰ অৰ্থে আলোচনা কৰিছে আৰু কৰি যাব।

অধ্যক্ষ মহোদয়, জনজাতীয় যিটো অৱস্থা, সেই অৱস্থাটো প্ৰতিটো জনগোষ্ঠীৰ বিকাশৰ প্ৰক্ৰিয়াত একোটা স্তৰত নিশ্চয় আছিল। ইতিহাসৰ কোনো কোনো একোটা সময়ত বৰ্তমানৰ উন্নত জনগোষ্ঠীসমূহেও সেই স্তৰ পাৰ হৈ আহিবলগীয়া হৈছে। বৰ্তমানে জনজাতীয় বুলি ক'লে আমি যিটো ভাবো, তাৰ পৰিপ্ৰেক্ষিতত মই কব খোজো যে জনজাতীয়সকলৰ বহুতেই আজি বহুদিন আগতে সেই স্তৰ পাৰ হৈ আহিছে। লগতে এইটোও সঁচা যে বহুতো তথাকথিত অজনজাতীয় সম্প্ৰদায় আছে যিসকলে এতিয়াও প্ৰকৃতাৰ্থত জনজাতীয় স্তৰতহে বাস কৰি থাকিবলগীয়া হৈছে।

অসম চুক্তি ৰূপায়ণৰ সন্দৰ্ভত মই কব খোজোঁ যে এই ক্ষেত্ৰত ইতিমধ্যে ভালেখিনি আগবঢ়া হৈছে। সদনৰ মাননীয় সদস্যসকলে নিশ্চয় জানে যে ট্ৰিবুনেলৰ দ্বাৰা অবৈধ প্ৰব্ৰজনকাৰী আইনখনৰ দ্বাৰা বিদেশী চিনাক্তকৰণ কৰাটো অতি জটিল। আমি কেন্দ্ৰীয় চৰকাৰক ১৯৪৬ চনৰ বিদেশী নাগৰিক আইনখন (Foreigners Act. 1946) দেশৰ আন আন ৰাজ্যৰ দৰে আমাৰ ৰাজ্যতো প্ৰযোজ্য কৰিবলৈ অনুৰোধ জনাই আহিছো আৰু প্ৰচলিত অবৈধ প্ৰব্ৰজনকাৰী আইনখন( IMDT Act.) বাতিল কৰিবলৈকো অনুৰোধ জনাইছোঁ।

অবৈধ প্ৰব্ৰজনকাৰী আইনখনৰ দ্বাৰা বিদেশী নাগৰিক চিনাক্ত কৰি উলিয়াবলৈ যোৱাৰ প্ৰক্ৰিয়াত অনুসন্ধানৰ খাতিৰত ভাৰতীয় নাগৰিককো হয়তো কেতিয়াবা জেৰা

কৰা হ'ব পাৰে। কিন্তু সেইটোক হাৰাশাস্তি বুলি ভাবিব নালাগে, বৰঞ্চ বিদেশী চিনাক্তকৰণৰ স্বাৰ্থত আৰক্ষী বাহিনীৰ সৈতে সহযোগিতা কৰাহে উচিত। কোনো প্ৰকৃত ভাৰতীয় নাগৰিকক যাতে উক্ত প্ৰক্ৰিয়াত হাৰাশাস্তি কৰা নহয়, তাৰ বাবে চৰকাৰ অতি সজাগ আৰু সংশ্লিষ্ট সকলোকে এই ক্ষেত্ৰত চকু দিবলৈ কঢ়া নিৰ্দেশ দিয়া হৈছে।

এইখিনিতে মই উল্লেখ কৰিব বিচাৰোঁ যে কেন্দ্ৰীয় চৰকাৰে অসম চুক্তিৰ ভালেমান গুৰুত্বপূৰ্ণ দফাৰ ৰূপায়ণৰ ক্ষেত্ৰত অযথা পলম কৰা বাবে আমি উদ্বিগ্ন হৈছোঁ। ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ে সীমান্তত বেৰ নিৰ্মাণ কৰাৰ বাবে প্ৰথম কিস্তিৰ ধনখিনি অনুমোদন আৰু মঞ্জুৰ কৰোতেই দুবছৰ লগালে। আমি যোৱা ৩ মাৰ্চত মঞ্জুৰি পাইছো আৰু ১৮ মাৰ্চত বেৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিছো। তথাপিও ৰাজ্য চৰকাৰৰ চুক্তি ৰূপায়ণত লেহেম হোৱা অভিযোগ কৰাটো দুখৰ বিষয়।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীআব্দুল মুহিব মজুমদাৰে চৰকাৰৰ বিত্তীয় পৰিচালনাত বিশেষকৈ সম্পদ আহৰণত ক্ৰটি হোৱা বুলি উল্লেখ কৰিছে। এই সদনে নিশ্চয় জানে য বৰ্তমান ৰাজ্যখনে সন্মুখীন হোৱা এই সংকটৰ সৃষ্টিৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰ শাসনলৈ অহাৰ আগৰ বছৰবোৰৰ পৰা চলি অহা কেৰোণসমূহেই দায়ী। সদনৰ মাননীয় সদস্যসকলে জানে যে ষষ্ঠ আৰু সপ্তম পৰিকল্পনাত পৰিকল্পনাৰ মঞ্জুৰিয়ে ৰাজ্যখনৰ ওপৰত প্ৰচুৰ ঋণৰ বোজা জাপি দিলে। অসমে পৰিকল্পনাৰ মঞ্জুৰি বাবদ যি ধন পায়, তাৰ সৰহখিনিয়ে ঋণ হিচাপে পায় আৰু প্ৰতি বছৰেই তাৰ আগৰ বছৰৰ ঋণ অংশ পৰিশোধ কৰিব লাগে। ১৯৮৭-৮৮ আৰু ১৯৮৮-৮৯ চনৰ বছৰত খাৰুৱা তেলৰ ৰয়েলিটিৰ সংশোধনীৰ বাবদ ১৮৫ কোটি টকাৰ অতিৰিক্ত সম্পদ ৰাজ্যখনে আহৰণ কৰিবলৈ সমৰ্থ হ'ব বুলি আশা কৰা হৈছিল যদিও এতিয়ালৈকে এই সম্পদ আহৰণ কৰিব পৰা হোৱা নাই।

অধ্যক্ষ মহোদয়, সম্পদৰ নাটনি আমাৰ দেশত নতুন কথা নহয়। সময়ে সময়ে উদ্ভৱ হোৱা এনে নাটনি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা দিয়া অভাৰড্ৰাফট্ ঋণৰ দ্বাৰা পূৰণ কৰা হয়। এই উদ্দেশ্যে ১৯৮২-৮৩ চনত ৰাজ্যখনক দিয়া হৈছিল ১২৭ কোটি টকা আৰু ১৯৮৫-৮৬ চনত দিয়া হৈছিল ১১৮ কোটি টকাৰ অভাৰড্ৰাফট্ ঋণ। কিন্তু ১৯৮৬ চনৰ পৰা এই ব্যৱস্থা উঠাই দিয়া হৈছে আৰু ৰাজ্যসমূহক নিজৰ সম্পদৰ ভিত্তিত বৰ্তি থাকিবলৈ বাধ্য কৰা হৈছে।

যোৱা কালি মোৰ বাজেট বক্তৃতাত বৰ্তমান ৰাজ্যখনৰ (Ways and means) সংকটৰ কথা উল্লেখ কৰিছিলোঁ। ১৯৮৮ চনৰ ৩১ মাৰ্চত ১২৮ কোটি টকাৰ বৃহৎ প্ৰাৰম্ভিক ঘাটি অভূতপূৰ্ব বানপানী মৰগীয়া বানচ অধিক পৰিমাণে দিবলগীয়া হোৱা বৃহৎ পৰিমাণৰ ঋণ পৰিশোধ, সম্পদ আহৰণত নাটনি, খাৰুৱা তেলৰ ৰয়েলটি বৃদ্ধি কৰাত পলম হোৱা আদি প্ৰতিকূল পৰিস্থিতিত ৰাজ্য চৰকাৰে পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত উভয় শিতানতে খৰচ কৰ্তন কৰিবলৈ বাধ্য হৈছে।

অধ্যক্ষ মহোদয় যোৱাকালিৰ বাজেট বক্তৃতাত বিত্তীয় পৰিচালনা সম্বন্ধে যথেষ্ট বিতংভাৱে মই উল্লেখ কৰিছো আৰু সেয়েহে এই বিষয়ে এতিয়া নিশ্চয় আৰু অধিক বহলাই নকলেও হ'ব। তথাপিও এই কথাটো কোৱাৰ প্ৰয়োজনবোধ কৰিছো যে চুবুৰীয়া উত্তৰ- পূৰ্বাঞ্চলৰ আনবোৰ ৰাজ্যক যি হাৰত পৰিকল্পনাৰ মঞ্জুৰি আৰু ঋণ দিয়া হয় অসমৰ বেলিকা কিন্তু সেইটো বেলেগ। উত্তৰ-পূৰ্বাঞ্চলৰ আনবোৰ ৰাজ্যই ৯০ শতাংশ মঞ্জুৰি আৰু ১০ শতাংশ ঋণ হিচাপে পৰিকল্পনাৰ ধন পায়। কিন্তু অসমে পায় ৩০ শতাংশ মঞ্জুৰি আৰু ৭০ শতাংশ ঋণ হিচাপে। ভাৰত চৰকাৰ, পৰিকল্পনা আয়োগ আৰু নৰম বিত্ত আয়োগৰ ওচৰত আমি এই ভেদাভেদ গুচাবৰ বাবে অনুৰোধ কৰি আহিছো যদিও এই পৰ্যন্ত কোনো সুফল পাব পৰা নাই।

অধ্যক্ষ মহোদয়, মাননীয় সদস্যসকলে চৰকাৰক দিহা-পৰামৰ্শ দিবলৈ এইবাৰৰ সদনত আৰু দুমাহ সময় পাব। মই ভাবো যে মাননীয় সদস্যসকলে উত্থাপন কৰা বিষয়-সমূহৰ ওপৰত সম্যকভাৱে মই উত্তৰ দিব পাৰিছোঁ।

মই নিশ্চয়কৈ কব পাৰো যে বিভিন্ন অসুবিধাৰ মাজতো অসমৰ সকলো শ্ৰেণীৰ ৰাইজৰ সম-উন্নয়নৰ কাৰণে ৰাজ্য চৰকাৰে যথাসাধ্য প্ৰচেষ্টা চলাই আহিছে আৰু এই ক্ষেত্ৰত কোনো ধৰণৰ সংকীৰ্ণ মনোভাৱ বা পক্ষ-পাতিত্বক প্ৰশ্ৰয় দিয়া নাই। তথাপিও আমাৰ চৰকাৰক এই ক্ষেত্ৰত সমালোচনা কৰা হৈছে। সেইবোৰ সমালোচনা ৰাজ্যখনৰ প্ৰকৃত স্বাৰ্থৰ ওপৰত ভিত্তি কৰি কৰা হোৱা নাই।

এই পৰিপ্ৰেক্ষিতত ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদসূচক প্ৰস্তাৱটো সমৰ্থন কৰিবলৈ আৰু মাননীয় বিৰোধী সদস্যসকলে এই ধন্যবাদসূচক প্ৰস্তাৱৰ বিপৰীতে অনা সংশোধনীৰ দাবীবোৰ প্ৰত্যাহাৰ কৰিবলৈ সদনক অনুৰোধ জনাইছো।

সদৌ শেষত, অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণক প্ৰতিনিধিত্ব কৰা মাননীয় সদনৰ সদস্যসকলক এখন ঐক্য- শান্তি আৰু প্ৰগতিৰে সুখী আৰু সমৃদ্ধিশালী অসম গঠন কৰাৰ বাবে, একগোট হৈ কাম কৰি যাবলৈ অনুৰোধ জনাইছো।

**Shri Binai Khungur Basumatari** : Sir, I do not want to withdraw my amendment.

**Mr. Deputy Speaker** : Now, I put the amendment. That at the end of the Motion of Thanks on the Governors Address moved by Shri Dinabandhu Choudhury the following be added :

(a) But regret to note that the Governor of Assam has failed to notice and speak on the utter failure of his Government in protecting the lives and liberty of the people of the State and denial of basis human rights to the Scheduled Tribe (Plains) population of State."

Those who are in favour of the amendment say 'Ayes' and those who are not in favour of the amendment say 'Noes'.

(voices 'Ayes' and 'Noes')

The amendment is lost.

Now Shri Abdul Muhib Mazumdar or Shri Silvius Condpan.

**Shri Silvius Condpan :** We do not want to withdraw.

**Mr. Deputy Speaker :** I put the amandment "That at the end of the Motion of Thanks on the Governor's Address moved by Shri Dinabandhu Choudhury the following be added :

(i) in maintaining law and order,

(ii) in failing to carry on the developmental activities.

(iii) in failing to take any concrete stap to solve the growing unemployment problem.

(iv) in failing to control the unprecendented price rise, and shortage of essential commodities.

(v) in failing to prevent corruption, nepotism and favouritism rampant at all levels.

(vi) in landing the entire State in an unprecendented financial crisis causing total deadlock in administration.

(vii) in following anti-tribal, anti-labour, anti-minority and anti-Other Backward Classes and anti Scheduled Caste and Scheduled Tribes policies resulting in social unrest of unpracendented magnitude threatening the integrity and stability of the State.

(viii) and finally total lack of wisdom and political will on the part of the present Government to deal with the issues confronting the State so much so that the people of the State to have lost all faith in the prssent Government."

Those who are in favour say 'Ayes' and those who are against say 'Noes' (voices—yes, yes, Noss, Noss)

The amendment is lost)

Now Shri Abdul Jalil Ragibi.

শ্ৰীআব্দুল জলিল বাগিবী : মাননীয় উপাধ্যক্ষ মহোদয়, বাজ্যপালব ভাষণৰ ওপৰত আমাৰ পাৰ্টিৰ তৰফৰ পৰা আমি যি সংশোধনী দিছিলো সেইবিলাক একেবাৰেই বাস্তৱ আৰু সত্য। মুখ্যমন্ত্ৰী মহোদয়ে বাজ্যপালব ভাষণৰ ওপৰত যি ভাষণ দিলে তাত আমি কোনো মতেই সন্তুষ্ট নহয়। সেই কাৰণে যিহেতুকে আমাৰ সংশোধনী বাস্তৱ আৰু সত্য সেই কাৰণেই মই সংশোধনীটো উঠাই লব নোৱাৰোঁ।

**Mr. Deputy Speaker** : I put the amendment. That at the end of the Motion of Thanks on the Governor's Address moved by Shri Dinabandhu Choudhury the following be added.

(a) The Hon'ble Governor has failed to mention the harassment to the innocent Indian citizen specially religious and linguistic minorities in the name of Identification of foreign nationals ;

(b) The Government has totally failed in economic development of the State and economy has completely breakdown due to lack of proper economic policy of the State Government.

(c) The educational atmosphere has totally collapsed under the education policy of the State Government. The Government has failed to appoint school teacher, distribution of free text books etc.

(d) The Government has failed to maintain law and order situation in the State ;

(e) The Government has failed to rehabilitate the flood affected displeaced people.

(f) The Government has failed to uplift the socio-economic problem of the Char Area of the State.

(g) The Government has not numbered all the houses specially those houses affected by the flood.

(h) The Government has failed to hold local body election including Panchayat, Town Committee etc."

Those who are in favour say 'Ayes and those who are against say 'Noes' (voices—yes, yes, Noes, Noes)

(The amendment is lost)

Now Shri Charan Narzary (absent), Shri Ganesh Boro.
Do you like to withdraw the amendment ?
Shri Ganesh Boro No.

**Mr. Deputy Speaker** : Now I put the amendment. That at the end of the Motion of Thanks on the Governor's Address moved by Shri Dinabandhu Choudhury the following be added :

(a) the complete collapse of administration in the Kokrajhar District and the Udalguri Sub-division,

(b) the failure of the Government to control the law and order situation and ensure security to the human lives and properties in the State, and

(c) the failure of the Government to come forward with any concrete and pragmatic formula to solve the tribal problems politically for fulfilling the political aspirations of the tribal people."

Those who are in favour say 'Ayes' and those who are against say 'Noes'.

(Voices—yes, yes, Noes, Noes)

(The amendment is lost)

Now Shri Ardhendu Kumar Dey.

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : মাননীয় মুখ্যমন্ত্ৰী মহোদয় রাজ্যপালের ভাষণের প্রস্তাবের উত্তরে যে ভাষণ দিয়েছেন তা আমাদের সন্তুষ্ট করতে পারেনি তাই আমি আমাদের সংশোধনী প্রস্তাবের সমর্থন করছি।

**Mr. Deputy Speaker** : I put the amendment. That at the end of the Motion of Thanks on the Governor's Address moved by Shri Dinabandhu Choudhury the following be added :

(a) Movement of ABSU and the police atrocities,

(b) Unemployment problem of the State,

(c) Hiding the proper picture in referring the law and order situation.

(d) Economic and financial problems of the State has not at all focussed in his speech,

(e) Minority problem due to harassment on Indian citizens in the name of implementation of Assam Accord,

(f) Failed to point out the discriminatory attitude of the AGP Government towards the miniroties in respect of the education, relief, appointments, issuing of land, patta, development of the people of Char Areas, harassment of the casual labourers of Char Areas etc."

Those who are in favour say 'Ayes' and thoss who are against say 'Noes' (Voices—Yes, Yes, Noes, Noes)

(The amendment is lost)

Now Shri Amritlal Basumatary.

শ্ৰীঅমৃত লাল বসুমতাৰী : মই গোলমাল এভইড কৰিবৰ কাৰণেই মোৰ সংশোধনীতো উঠাই ললো ।

**Mr. Deputy Speaker** : Isit the pleasure of the House to grant leave to withdraw the amendment ? (Voices—Yes, Yes, Noes, Noes) With the leave of the House the amendment is withdrawn.
Now the Motion of Thanks

মাননীয় উপাধ্যক্ষ : ইংৰাজীত

১৯৮৯ চনৰ ১৬ মাৰ্চ তাৰিখে অসমৰ ৰাজ্যপাল মহোদয়ে অসম বিধানসভাত যি ভাষণ দিলে তাৰ কাৰণে সদনৰ মাননীয় সদস্যসকল ৰাজ্যপাল মহোদয়ৰ ওচৰত কৃতজ্ঞ ।

Those who are in favour say 'Ayes' and those who are against say 'Noes'. (Voices—Yes, Yes, Noes, Noes). The motion was adopted.

**Sri Golok Chandra Rajbanshi** : But we wanted division Sir.

**Mr. Dy. Speaker** I have already given my verdict.

## ADJOURNMENT

The House adjourned at 1.10 p m till 9 a m tomorrow, the 29th March 1989.

Dated Dispur.
The 28th March. 1989.

S. N. DEKA.
Secretary.
Assam Legislative Assembly.

## অসম ৰাজিক প্ৰাথমিক শিক্ষা পৰিষদৰ কাৰ্যালয়, শ্বিলং

প্ৰেৰক: শ্ৰীআশ্ৰফ আলি, এম, এ সচিব, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষা পৰিষদ শ্বিলং।

প্ৰতি: ১। সচিব, আঞ্চলিক প্ৰাথমিক শিক্ষা পৰিষদ, নলবাৰী।

২। সহকাৰী স্কুল পৰিদৰ্শক...............

বিষয়: পাঠ্যক্ৰমৰ পৰিৱৰ্তন।

প্ৰসঙ্গ নিৰ্দেশ: এই কাৰ্য্যালয়ৰ নম্বৰ ই, এম, এক্স, ৭। ৭২ ৭৩/–৬ ৬৭
তাৰিখ: ২।১।৭৩ ইং।

মহাশয়,

সন্মানপূৰ্বকভাবে আপোনাক জনাও যে ওপৰত উল্লিখিত বিষয় অনুসাৰে তলত দিয়া কথাখিনি আপোনাৰ আৱশ্যকীয় কাৰ্যকৰণাৰ্থে পঠোৱা হ'ল।

১। (ক) ১৯৭৩ চনত প্ৰাথমিক স্কুলৰ পুৰণি পাঠ্যক্ৰমৰ 'ক' শ্ৰেণীটো উঠি যাব কিন্তু পুৰণি 'খ', ১ম, ২য়, ৩য় শ্ৰেণী আগৰ দৰেই চলি থাকিব। পুৰণি পাঠ্যক্ৰমৰ 'খ' শ্ৰেণীটো ১৯৭৪ চনত, ১ম শ্ৰেণীটো ১৯৭৫ চনত, ২য় শ্ৰেণীটো, ১৯৭৬ চনত আৰু ৩য় শ্ৰেণীটো ৬৯৭৭ চনত উঠি যাব।

(খ) প্ৰাথমিক স্কুলত নতুনকৈ ভৰ্তি হোৱা সকলো ছাত্ৰ-ছাত্ৰী (৬।৮ বয়সৰ) আৰু ১৯৭২ চনত 'ক' শ্ৰেণীৰ পৰা উত্তীৰ্ণ নোহোৱা সকলো ছাত্ৰ-ছাত্ৰী ১৯৭৩ চনত নতুন পাঠ্যক্ৰমৰ ১ম শ্ৰেণীত ভৰ্তি হ'ব লাগিব।

২। (ক) মজলীয়া, নিম্ন প্ৰাথমিক স্তৰত ১৯৭৩ চনত পুৰণি পাঠ্যক্ৰমৰ ৪ৰ্থ শ্ৰেণীটো উঠি যাব, কিন্তু পঞ্চম আৰু ৬ষ্ঠ শ্ৰেণী আগৰ দৰেই চলি থাকিব। পুৰণি পাঠ্যক্ৰমৰ পঞ্চম শ্ৰেণীটো ১৯৭৪ চনত আৰু ৬ষ্ঠ শ্ৰেণীটো ১৯৭৫ চনত উঠি যাব।

৩। অসম ৰাজ্যিক প্ৰাথমিক শিক্ষা পৰিষদৰ ২৬।৪।৭৩ ইং তাৰিখৰ সভাত সৰ্ব-সন্মতিক্ৰমে গৃহীত হোৱা প্ৰস্তাৱ অনুসাৰে ১৯৭৩ চনৰ পৰাই প্ৰাথমিক স্কুল ও মজলীয়া স্কুলসমূহত শিক্ষা বছৰ ( Academic session ) জানুৱাৰী মাহৰ পৰিৱৰ্তে এপ্ৰিল মাহৰ পৰাহে আৰম্ভ কৰা হ'ব।

ওপৰত উল্লিখিত কথাখিনি সংশ্লিষ্ট স্কুলবোৰৰ প্ৰধান শিক্ষক-শিক্ষয়িত্ৰী ও বিভাগীয় তলতীয়া কৰ্মচাৰীসকলক জনাবলৈ অনুবোধ কৰা হ'ল।

উপৰোক্ত বিষয়ে কি ব্যৱস্থা লোৱা হয় অনুগ্ৰহ কৰি এই কাৰ্যালয়ক চলিত মাহৰ ২০ তাৰিখৰ আগতেই জনায় যেন।

আপোনাৰ বিশ্বাসী

স্বাক্ষৰ—আশ্ৰফ আলি, সচিব

অসম ৰাজ্যিক প্ৰাথমিক শিক্ষা পৰিষদ, শ্বিলং

স্মাৰক নং: ই, এম, একা—৭।৭৩।৫২০৫-৫০: তাৰিখ ২-৫-৭৩ ইং। ইয়াৰ নকল পঠোৱা হ'ল।

১। অসমৰ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়লৈ।

২। অসমৰ শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়লৈ।

৩। অসম চৰকাৰৰ শিক্ষা বিভাগৰ সচিব মহোদয়লৈ।

৪। অসম ৰাজ্যিক প্ৰাথমিক শিক্ষা পৰিষদৰ সভ্যসকললৈ।

৫। অসমৰ শিক্ষাধিকাৰ মহোদয়লৈ।

৬। অসম ৰাজ্যিক প্ৰাথমিক শিক্ষা পৰিষদৰ যুটীয়া সচিবসকললৈ।

স্বাক্ষৰ—
২-৫-৭৩ ইং
সচিব,
অসম ৰাজ্যিক প্ৰাথমিক শিক্ষা পৰিষদ, শ্বিলং

**BOARD OF SECONDARY EDUCATION : ASSAM : GUWAHATI-21**

No. SEBA/EXAM/HS/47229-47244 : Dated Guwahati, the 4th Dec. 1986.

From : Dr. G. N. Talukdar, M.Sc., D.Phil

Secretary, Board of Secondary Education, Assam, Guwahati 21.

To The Inspector of Schools (All)

SUB : MINIMUM AGE IN THE HIGH SCHOOL LEAVING CERTIFICATE AND ASSAM HIGH MADRASSA EXAMINATION.

Sir,

I have the honour to inform you that the Board has fixed the minimum age at 15 (fifteen) years on the 1st of March of the year of the Examination to make a candidate eligible for appearing in the High School Leaving Certificate and Assam High Madrassa Examination with effect from 1987 Examinations.

This is for favour of your information and necessary action.

Yours faithfully,
**Sd/- Dr. G. N. Talukdar,**
Secretary,
Board of Secondary Education, Assam
Guwahati-21.

MEMO NO. SEBA / EXAM/HS/47245-49245 : Dtd. Guwahati the 4th Dec/86 Copy to :

All Principals, Headmasters, Superintendents of Higher Secondary Schools, High Schools and High Madrassa for information and necessary action.

**Sd/- Dr. G. N. Talukdar,**
Secretary,
Board of Secondary Education, Assam
Guwahati-21.

## LIST OF SCHOOLS OF HOJAI SAMASTI

| | | | |
|---|---|---|---|
| 1987-88 | @ | Rs. 45,000/- | each |
| | @ | Rs. 16,000/- | each |
| Total | | Rs. 61,000/- | each |

1. Hayang Basti L. P. School
2. Dakhin Radha Nagar L. P. School
3. 1No. Taradubi L.P. School
4. Das Mati L. P. School
5. Kala Khun L. P. School
6. Bishnupur L. P. School
7. Rajabari Tambajani M. E. School
8. Bardalong J. B. Vidyalaya.
9. Fakira Basti L. P. School
10. Khari Khana Janata L. P. School
11. Lalung Dubi L. P. School
12. Sankar Basti L. P. School
13. Rajbari L. P. School

## LIST OF SCHOOLS OF HOJAI SAMASTI

1986-87 @ Rs. 61,065/- each

1. Naru Daboka Gaon L. P. School,
2. Hindu Block M. V. School
3. Hayang Gaon L. P. School
4. Shilepur L. P. School
5. Pub Dheniram Pathar L. P. School
6. Tengripar L. P. School
7. Raikata Kacharigaon L. P. School
8. Golaghatia Bastuhara L. P. School

9. Kaplipar Muktale School
10. Uttar Farmapar L. P. School
11. Singjuri L. P. (ST) School
12. Simlai Pathar M. E. School
13. Bhalukamari L. P. School
14. Ampukhuri L. P. School
15. Rajabari L. P. School
16. Panchali L. P. School
17. Jamuguri L. P. School
18. Nahargaon L. P. School
19. Dakhin Baluhandar L. P. School
20. Gosarabasti L. P. School
21. Amtala L. P. School
22. 2000 Panchali Moktab
23. Krishna Nagar L. P. School
24. Lanka Veta L. P. School

List of Hindi & Bengali medium L. P. School in Tinsukia Sub Division showing the Govt. sanctioning post against each,

| | Name of Schools | Nos. of Govt. sanctioning post. |
|---|---|---|
| | **Hindi Medium** | |
| 1. | Tinsukia Hindi L. P. | 8 Nos. |
| 2. | Hindustani Hindi L. P. | 6 " |
| 3. | Hijuguri " " | 6 " |
| 4. | Sarbajania " " | 2 " |
| 5. | Ganapat Rai " " | 6 " |
| 6. | Makum " " | 6 " |
| 7. | Doom Dooma " " | 5 " |
| 8. | Rastrabhasa " " | 7 " |
| 9. | Naharkatia " " | 3 " |
| 10. | Pachim Zalani " " | 5 " |
| 11. | Madhya Zalani " " | 2 " |
| 12. | Pub Zalani " " | 6 " |
| 13. | Rastrabhasa " " | 3 " |
| 14. | Adarsha shisu " " | 1 " |
| 15. | Soikhow " " | 2 " |
| 16. | Gandhi Bidyamandir H. L. P. | 7 " |
| 17. | Sasa Nehru " " | 2 " |
| 18. | Borgulai " " | 2 " |
| 19. | Mohabir Das " " | 2 " |
| 20. | Adarsha Hindi Vidya Mandir | 2 " |
| 21. | Adarsha Hindi L.P. | 3 " |
| 22. | Bargulai Kaliory L. P. | 1 " |
| 23. | No. 1 Gulai Hindi L. P. | 2 " |
| 24. | Tirap gate Hindi L. P. | 4 " |
| 25. | Rastrabhasa Hindi L. P. | 2 " |
| 26. | Nawhaia Hindi L. P. | 3 " |
| 27. | Jaharlal Nehru Hindi L. P. | 1 " |
| 28. | Tipam Hindi L. P. | 2 " |
| 29. | Ouguri Sastri Hindi L. P. | 2 " |
| 30. | Garhbasthi Hindi L. P. | 2 " |
| 31. | Barhapjan Hindi L. P. | 3 " |

| | | |
|---|---|---|
| 32. | Raidang Hindi L. P. | 3 Nos. |
| 33. | Charali Hindi L. P. | 5 " |
| 34. | Bardubi Gandhi Hindi L. P. | 1 " |
| 35. | Nehru Hindi L. P. | 1 " |
| 36. | Guijan Hindi L. P. | 5 " |
| 37. | Janata Hindi L. P. | 2 " |
| 38. | Dillighat Hindi L. P. | 2 " |
| 39. | Lebangkula Hindi L. P. | 1 " |
| 40. | Bharatia Hindi L. P. | 2 " |
| 41. | Chapatoli Jyoti Hindi L. P. | 2 " |
| 42. | Bonuloni Charali Hindi L. P. | 2 " |
| 43. | Philobari Adarsha Hindi L. P. School | 3 " |
| 44. | Gabharubhati Hindi L. P. | 2 " |
| 45. | Kakajan Hindi L. P. | 2 " |
| 46. | Tangana Hindi L. P. | 2 " |
| 47. | Rupai Hindi L. P. | 5 " |
| 48. | Kakapathar Hindi L. P. | 3 " |
| 49. | Talapbali Bazar Hindi L. P. | 1 " |

**BENGALI MEDIUM :**

| | | |
|---|---|---|
| 50. | Ramkrishna Sishu Vidyalaya | 8 " |
| 51. | Bongio Shisu Vidyalaya | 5 " |
| 52. | Durgabari Vidyalaya | 4 " |
| 53. | Bani Sadan Vidyalaya | 2 " |
| 54. | Sree Durga Vidyalaya | 3 " |
| 55. | Tinsukia Rly. Vidyalaya | 3 " |
| 56. | Bongia Balika Vidyalaya | 4 " |
| 57. | Makum Rly. Vidyalaya | 3 " |
| 58. | Doom Dooma Bangia Vidyalaya | 8 " |
| 59. | Bibekananda L. P. | 13 " |
| 60. | Ram Mohan Pathsala Vidyalaya | 5 " |
| 61. | Kalibari Vidyalaya | 2 " |
| 62. | Durgabari Vidyalaya | 1 " |
| 63. | Janata Vidyalaya | 3 " |
| 64. | Balika Vidya Mandir | 4 " |
| 65. | Naharkatia Bidya Mandir | 6 " |

| | | |
|---|---|---|
| 66. | Pasim Jaloni Vidyalaya | 3 Nos. |
| 67. | Moidhya Jaloni Vidyalaya | 2 " |
| 68. | Netaji Sishu Niketan Bongia L. P. | 2 " |
| 69. | Ram Krishna Vidyalaya | 2 " |
| 70. | Lokpriya Gopinath Vidyalaya | 4 " |
| 71. | Adarsha Vidyamandir | 2 " |
| 72. | Namdang Bahbari Vidyalaya | 2 " |
| 73. | A. R. & T. Co.. Vidyalaya | 2 " |
| 74. | Pronob Sishu L. P. | 1 " |
| 75. | Ledo Bazar L. P. | 1 " |
| 76. | Rodgaon L. P. | 1 " |
| 77. | Robindra Murti Vidyalaya | 1 " |
| 78. | Pollimangal Bangia L. P. | 1 " |
| 79. | Bamungaon Bidyamandir | 3 " |
| 80. | Bibekananda Smriti L. P. | 1 " |
| 81. | Chuta Rapjan Rephujee L. P. | 3 " |
| 82. | Bogapani Vidyalaya | 3 " |
| 83. | Barhapjan Bongia L. P. | 2 " |
| 84. | Rupai Bibekananda L. P. | 3 " |
| 85. | Netaji Bidyamandir L. P. | 2 " |
| 86. | Kiranmayee L. P. | 1 " |
| 87. | Ananda Mohan Pathsala | 3 " |
| 88. | Erasuti L. P. | 2 " |
| 89. | Jeypore Bongia Vidyalaya | 1 " |
| 90. | Samoguri Bongia L. P. | 2 " |
| 91. | Namrup Rly. L. P. | 2 " |
| 92. | Soshi Bukhon L. P. | 2 " |
| 93. | Syama Prasad L. P. | 2 " |

The list of names of schemes submitted by Silchar PHE Divisoin No. II under A.R.P.

**Piped Water Supply Schemes Proposed.**

1. Gosaipur W. S. Scheme.
2. Arcuttipur W. S. Scheme.
3. Ambikapur W. S. Scheme.
4. Tirighat W. S. Scheme.
5. Dangirpar W. S. Scheme.
6. Kashipur W. S. Scheme.
7. Meherpur W. S. Scheme.
8. Bagpur W. S. Scheme.
9. Neyargram W. S. Scheme.
10. Amraghat W. S. Scheme.
11. Chotodudpatil W. S. Scheme.
12. Nutan Kanchanpur W. S. Scheme.
13. Dudpatil Grant W. S. Scheme.
14. Rajidhar W. S. Scheme.
15. Sildubi grant W. S. Scheme.
16. Dharmikhal W. S. Scheme.
17. Satkarakandi W. S. Scheme.
18. Chottomandr W. S. Scheme.
19. Dalong W. S. Scheme.
20. Sibpur W. S. Scheme.
21. Madhurbond W. S. Scheme.
22. Tulargram W. S. Scheme.
23. Kumbhirgram W. S. Scheme.
24. Irongmara W. S. Scheme.
25. Meherpur W. S. Scheme.
26. Hawaithung W. S. Scheme.
27. Kamranga W. S. Scheme.
28. Didarkushi W. S. Scheme.
29. Cleverhouse T. E. W. S. Scheme.
30. Bormanda W. S. Scheme.
31. Ambikapur Pt. IX. W. S. Scheme.
32. Borjalenga Pt. IV. W. S. Scheme.

33. Paloi W. S. Scheme.
34. Silcori W. S. Scheme.
35. Suktala W. S. Scheme.
36. Chincori W. S. Scheme.
37. Kaptanpur Pt. XVI W. S. Scheme.
38. Rammanikpur W. S. Scheme.
39. Bhubandhar W. S. Scheme.
40. Bekirpar W. S. Scheme.
41. St. Kathrial W. S. Scheme.
42. Dhanahari W. S. Scheme.
43. Mohanpur W. S. Scheme.
44. Pangram W. S. Scheme.
45. Nagdirgram W. S. Scheme.

**Mark—II Deep Well Hand Pump Scheme Proposed.**
**Name of Schemes.**

1. Installation of India M-II Deep Well Hand pump under Udharbond Block.
2. -do- Rajabazar Block.
3. -do- Lakhimpur Block.
4. -do- Lakhimpur Block.
5. -do- Sonai.
6. -do- Sonai.
7. Installation of India M-11 Deep Well Hand Pump under Sonai Block.
8. -do- Sonai Block.
9. -do- Sonai Block.
10. -do- Norsingpur Block.
11. -do- Norsingpur Block.
12. -do- Norsingpur Block.

## GOVT. OF INDIA'S APPROVED CEILING OF EXPENDITURE DEPARTMENT WISE FUND RELEASED

| Name of Authority | Gov,t. of India's approved ceiling (Rs. in lakh) | Fund release (in Rs.) |
|---|---|---|
| 1 | 2 | 3 |
| Deputy Commissioner (RG) | 725.00 | 7,25,00,000 |
| Deputy Commissioner/Sub-Divisional Officers (Ex-Gratia) | 11.45 | 7,47,000 |
| Deputy Commissioners/Sub-Divisional Officers (Gratuitous Relief etc.) including Rs. 1200·00 lakhs for Food & Civil Supplies Department. | 1602.50 | 16,96,94,117 |
| G.A.D./D.Cs/S.D.Os (Helicopter Charges) | 50.00 | — |
| Panchyat & C.D. (Nutrition) | 100.00 | 1,00,00,000 |
| Health Department | 130.00 | 1,30,00,000 |
| Public Health Engg. | 85.50 | 85,50,000 |
| Agriculture Department | 585.00 | 5,85,00,000 |
| A.H & Veterinary Deptt. | 250.00 | 2,50,00,000 |
| Dairy Development Deptt. | 17.00 | 17,00,000 |
| Fisheries Department | 50.00 | 50,00,000 |
| Soil Conservation Deptt. | 20.00 | 20,00,000 |
| Handloom & Textiles | 50.00 | 50,00,000 |
| Sericulture Deptt. | 10.00 | 10,00,000 |
| Home Department | 10.00 | 10,00,000 |
| Public Works Depar'ment | 908.00 | 9,08,00,000 |
| Flood Control Department | 2829.00 | 28,29,00,000 |
| Irrigation Department | 373.00 | 3,73,00,000 |
| Municipal Admn. Deptt. | 200.00 | 2,00,00,000 |
| Panchyat & Comm. Dev. | 150.00 | 1,50,00,000 |
| Inland Water Transport | 50.00 | 50,00,000 |
| Power (A.S.E.B.) | 125.00 | 1,25,00,000 |
| Forest Department | 150.00 | 1,50,00,000 |
| Education Department | 50.00 | 50,00,000 |
| Char Area Development Authority | 5.00 | 5,00,000 |
| | 8536.45 | 85,76,91,117 |